বিশ্বমুখী
# যুগবাৰ্তা
বাৰ্তালোচনী
RNI No: ASSAS01376
❑ BISHWAMUKHI JUGABARTA ❑ 5TH YEAR ❑ 2ND ISSUE ❑ TUESDAY ❑ 1ST JUNE, 2021
পঞ্চম বৰ্ষ ❍ দ্বিতীয় সংখ্যা ❍ বুধবাৰ ❍ ১৭ জেঠ ❍ ১৯৪৩ শক ❍ চিনামৰা, যোৰহাট ❍ অৰিহণা ঃ ১০ টকা



অসমৰ সাহিত্য জগতৰ মহীৰুহ হোমেন বৰগোহাঁইদেৱলৈ যুগবাৰ্তা পৰিয়ালৰপৰা শ্ৰদ্ধাঞ্জলি

# মধ্য প্ৰাচ্যত যুদ্ধৰ দাবানল

## ইজৰাইল-পেলেষ্টাইনৰ যুদ্ধই তৃতীয় বিশ্বযুদ্ধৰ আহ্বান কৰিব নেকি

UNITED NATIONS



❑ পদ্মেশ্বৰ কাটনী

পৃথিৱীৰ সন্ত্ৰাসবাদী সংগঠনসমূহৰ অন্যতম হামাছ হ'ল এক অস্বীকৃতভাৱে নিৰ্দিষ্ট ভূখণ্ডৰ গৰাকী হোৱা সন্ত্ৰাসবাদী সংগঠন। এই অস্বীকৃত শব্দটো এটা কাৰণেই আছে যে হামাছ পেলেষ্টাইনৰ চুন্নী-ইছলামিক কট্টৰ পন্থী সংগঠন যাৰ ৰাষ্ট্ৰ শাসনৰ উপৰিও সমাজসেৱা, ধৰ্মীয় প্ৰসাৰ, সামৰিক গোট আদি সংস্কাৰমূলক গোট থকাৰ পাছতো পেলেষ্টাইনত হামাছৰ ৰাজনৈতিক কাৰ্য্যকলাপক বিশ্বসমূদায়ে আজি পৰ্যন্ত স্বীকৃতি দিয়া নাই। (১২ পৃষ্ঠালৈ...)

## মুখ্য উপদেষ্টাৰ কলম

### কৰ'না প্ৰতিৰোধৰ ক্ষেত্ৰত মহাপুৰুষীয়া পৰম্পৰাৰ ভূমিকা



❑ আনন্দ শইকীয়া

অসমত শংকৰ-মাধৱ গুৰু দুজনাই আজিৰপৰা পাঁচশ বছৰৰ আগত একশৰণ নামধৰ্মৰ সৈতে স্বাস্থ্যৰক্ষাৰ যিবিলাক নিয়ম-নীতি প্ৰৱৰ্তন কৰিছিল সেইবিলাক আজি পাঁচশ বছৰৰ পাছতো পৰিৱৰ্তিত সমাজ ব্যৱস্থাত বিজ্ঞানসন্মতভাৱে প্ৰযোজ্য বুলি ক'লেও বঢ়াই কোৱা নহয়। বাহী গা, বাহী গাৰে খোৱা-বোৱা কৰা, বাহী খাদ্য ভক্ষণ কৰা আদি নিষিদ্ধ। এজন মহাপুৰুষীয়া মাৰ্গৰ লোকে পুৱা প্ৰাতঃকৰ্মৰ শৌচাচাৰ বিধি আদি পালন কৰাতো ধৰা-বন্ধা নিয়ম আছিল।


অসমীয়া সমাজত শংকৰী কলা-কৃষ্টিৰ বিষয়টো বাদ দি এক শৰণীয়া নামধৰ্মক লৈ অনেক বিবাদ চলি আছে। সেই বিষয়টো বাদ দি গুৰু দুজনাই ধৰ্মৰ আলম লৈ এটা শক্তিশালী জাতি গঠন কৰাৰ লগতে স্বাস্থ্যসন্মত এটা জীৱন ধাৰণ প্ৰণালী এৰি থৈ গৈছে। আমাৰ এই লেখাত মহাপুৰুষীয়া পৰম্পৰাৰ কিছু স্বাস্থ্যসন্মত বিধানৰ বিষয়ে উল্লেখ কৰাৰ প্ৰয়াস কৰিছোঁ।

পুৱা ঢাৰি-পাটি এৰি সকলো লোকে প্ৰাতঃকৰ্ম অৰ্থাৎ শৌচাচাৰ কাৰ্যত অভ্যস্ত। আধুনিক কালৰ আৱিষ্কৃত চাবোন-চৌদা সেই সময়ত প্ৰচলন নাছিল। সেইসময়ত মানুহে শৌচাচাৰ কাৰ্যত হাত-ভৰি ধুবৰ বাবে মাটিৰ তলৰ বীজাণুমুক্ত ৰঙা মাটি ব্যৱহাৰ কৰাতো বাধ্যতামূলক। এনেধৰণৰ পৱিত্ৰ ৰঙা মাটিৰে হাত-ভৰি ঘঁহি নিৰ্মল পানীৰে ধুলে সম্পূৰ্ণ বীজাণুমুক্ত হয় বুলি বিজ্ঞানসন্মতভাৱে প্ৰমাণিত। অসমীয়া সমাজত এজন লোকে (২ পৃষ্ঠালৈ...)

## 2-DG : ডি আৰ ডি অ'ই উদ্ভাৱন কৰিলে কোভিড-১৯ৰ মহৌষধ

❑ সীমান্ত বৰা

ক'ভিডৰ চিকিৎসাৰ বাবে বৰ্তমানলৈকে ভাৰতত ৰেমডিচিভিৰ, ষ্টেৰইড আদি ঔষধেৰে চিকিৎসা চলাই থকা হৈছে যদিও এইবোৰ ৰোগীভেদে সকলোৰে ক্ষেত্ৰত সমানে ফলপ্ৰসূ হোৱা নাই। বিশেষকৈ যিসকলৰ অক্সিজেনৰ মাত্ৰা কমি গৈছে সেই সকলৰ ক্ষেত্ৰত এই ঔষধ সিমান ফলপ্ৰসূ হোৱা নাই। কিন্তু ভাৰতৰ প্ৰতিৰক্ষা গৱেষণা আৰু উন্নয়ন সংস্থা (DRDO)ৰ বিজ্ঞানীৰ এটা দলে 2-DG নামেৰে এক এণ্টি-ক'ভিড ঔষধ উদ্ভাৱন কৰি ইয়াৰ এক হাজাৰ ড'জ পৰীক্ষামূলকভাৱে ৰোগীসকলৰ চিকিৎসাৰ বাবে প্ৰেৰণ কৰিছে আৰু বৰ্তমানলৈকে ঔষধবিধ অতি ফলদায়ক বুলি প্ৰমাণিত হৈছে। 2-deoxy-D-glucose (2-DG) নামৰ এই (২ পৃষ্ঠালৈ...)




## অশ্ৰু অঞ্জলি



ক'ভিড ১৯ মহামাৰীৰ দ্বিতীয় ঢৌৱে সমগ্ৰ মানৱ জাতিকে দিশহাৰা কৰি তুলিছে। এই সময়ছোৱাত যিসকল ব্যক্তি আমাৰ মাজৰপৰা অকালতে চিৰদিনৰ বাবে হেৰাই গ'ল তেওঁলোকৰ আত্মাৰ সদগতিৰ অৰ্থে আমি যুগবাৰ্তা পৰিয়ালৰ তৰফৰ পৰা একাঁজলি অশ্ৰু অঞ্জলি অৰ্পণ কৰিছোঁ।

Purva Bharati ITI
Industrial Training Institute
Admission is going on for the Session 2021-22
Trade Fitter
(Course duration: 2 Years)
Near Tocklai Tea Experimental Station, Sadar, Cinnamara, Dist - Jorhat-785008
Contact No 94352 47949

১ পৃষ্ঠাৰ পৰা

## কৰ'না প্ৰতিৰোধৰ ক্ষেত্ৰত .........

সেইবাবে শৌচাচাৰ যেইবাৰ নকৰক কিয়, লোকজনে মাটি-পানী লৈ স্নান কৰাতো বাধ্যতামূলক আছিল।

অসমৰ গ্ৰাম্য সমাজত চুৱা-ধুতি অভিধা দুটা সঘনে ব্যৱহাৰ হৈছিল। এই চুৱা-ধুতি ব্যৱস্থাটো প্ৰকৃততে চাফ-চিকুণতাৰ ক্ষেত্ৰত প্ৰয়োগ হৈছিল যদিও কিন্তু অনাক্ষৰী লোকৰ মাজত ইয়াৰ অপব্যৱহাৰ হৈছিল। উদাহৰণস্বৰূপে এজন লোকৰ বস্ত্ৰকো ধুতি বুলি ধৰা হয় যদিহে অন্যলোকৰ সঘনে ব্যৱহাৰ কৰা বস্ত্ৰৰ সৈতে সংস্পৰ্শলৈ নাহে। প্ৰকৃতপক্ষে চুৱা মানে লেতেৰা, অপৰিষ্কাৰ আৰু ধুতি মানে চাফ-চিকুণ। সেইদৰে এখন গৃহস্থালী ঘৰত দুডাল ডাং থাকে যাক আমি আজিকালি আলনা বুলি কওঁ। ঘৰৰপৰা বজাৰ-হাট কৰিবলৈ যোৱাজনে নিজৰ পোচাকজোৰ চুৱা ডাংত থৈ গা-পা ধুই ধুতি ডাঙৰ কাপোৰ-কানি পিন্ধিব লাগে। আমি বিদ্যালয়ত পঢ়োতে কিশোৰ অৱস্থাত চোলা-পেণ্টযোৰ সোলোকাই চুৱা ডাঙত থ'ব লাগে। ভৰি-হাত, গা-পা ধুই ঘৰত পিন্ধা কাপোৰ পিন্ধিব লাগে। সেইদৰে ঘৰলৈ বাহিৰৰপৰা সোমাওঁতে ভৰি-হাত ধুইহে সোমায়। তেনেদৰে ঘৰলৈ অহা অতিথিকো ভৰি-হাত ধুবলৈ দি, বহিবলৈ আসন দি ঈশ্বৰস্বৰূপে মান্য কৰি সেৱা জনায়। মহাপুৰুষীয়া সমাজত নামঘোষাৰ 'বলি নিগদতি যদুপতি' গাই অতিথিক আদৰণি জনায়। অতিথিক চাহটোপাৰে আপ্যায়ন কৰিলেও হাত-মুখ ধুবৰ বাবে লগত পানীৰ ঘটিটো থাকিবই।

মহাপুৰুষীয়া সমাজত খাদ্যাভ্যাসৰ ক্ষেত্ৰতো বেছিসংখ্যকেই নিৰামিষভোজী। মাছৰ প্ৰচলন থাকিলেও মহাপুৰুষীয়া সমাজত মাংসৰ ব্যৱহাৰ বৰ্জনীয়। আহাৰ তিনিবিধত ভাগ কৰা হৈছে— সাত্ত্বিক, ৰাজসিক আৰু তামসিক আহাৰ। নিৰামিষ আহাৰকে সাত্ত্বিক আহাৰ, মাছে-মাংসই কৰা আহাৰক ৰাজসিক আৰু বাহী আহাৰক তামসিক আহাৰ আখ্যা দিয়া হয়। মহাপুৰুষীয়া সমাজত সাত্ত্বিক আহাৰত গুৰুত্ব দিয়া হয় আৰু এই আহাৰে শৰীৰটো ৰোগমুক্ত কৰি ৰাখে। আহাৰ পৰিৱেশনৰ ক্ষেত্ৰত বিলনীয়াজনৰ শ্বাস-প্ৰশ্বাস খাদ্য-সম্ভাৰত নপৰিবৰ বাবে মুখত গামোছা বন্ধাটো বাধ্যতামুলক। সৌভাগ্যৰ কথা যে আমাৰ সমাজত এই ব্যৱস্থা আজিও বৰ্তি আছে। সাম্প্ৰতিক কালত মাস্ক ব্যৱহাৰ কৰাতো চৰকাৰীভাৱে বাধ্যতামূলক কৰা হৈছে। নাম-প্ৰসংগৰ ক্ষেত্ৰতো ভকত বৈষ্ণৱসকলে নাম প্ৰসংগ কৰোঁতে তেখেতসকলৰ মাজত নিৰ্দিষ্ট ব্যৱধানত আসন গ্ৰহণ কৰে। গতিকে শ্ৰীমন্ত শংকৰদেৱে কেৱল জাতি গঠন কৰাই নাছিল, জাতিটোৰ স্বাস্থ্য বিধি ৰক্ষাৰ কেতবোৰ নিয়ম-প্ৰণালী বান্ধি থৈ গৈছে, যিবিলাক বিজ্ঞানসন্মতভাৱে আজি পাঁচশ বছৰৰ পাছতো সম্পূৰ্ণ প্ৰাসংগিক।

সাম্প্ৰতিক সময়ত কৰ'না ভাইৰাছে সমগ্ৰ বিশ্বত মানৱ সভ্যতা ধ্বংস কৰাৰ যি বিধ্বংসী ৰূপ লৈছে সেইক্ষেত্ৰত মহাপুৰুষীয়া ধৰ্মৰ উল্লিখিত নীতি-নিয়মবিলাক কিমান প্ৰাসংগিক সেই বিষয়ে বহল ব্যাখ্যাৰ কিবা প্ৰয়োজন আছে জানো? তৎসত্ত্বেও চমুকৈ দুটামান কথা উল্লেখ কৰিছোঁ। বৰ্তমান সময়ত মানুহ ঘৰৰপৰা বাহিৰলৈ গ'লেই ঘৰত সোমোৱাৰ আগতে পদূলিমুখতে ভৰি-হাত ধুব লাগে, পিন্ধা সাজ নিলগায় থ'ব লাগে। সেইবিলাক কথা আগতে উল্লেখ কৰা চুৱা ডাং ধুতি ডাঙৰ বিষয়ে লেখাত প্ৰকাশ পাইছে। সেইদৰে খাদ্যৰ ক্ষেত্ৰতো সাত্ত্বিক আহাৰেই সুষম খাদ্য। দূৰদৰ্শনৰ পৰ্দাত চীনৰ য়ুহান চহৰৰ মাছ-মাংসৰ বজাৰখন দেখিলেই দৰ্শকৰ চকু কঁপালত উঠে। সেইখন বজাৰত কি মাংস বিক্ৰী নহয়? সাপ, নেউল, শগুণ, বাদুলী আদি। বিশ্বত এনে প্ৰাণী নাই যি প্ৰাণীক এই বজাৰত পোৱা নাযায়। এনে মাংস বজাৰত প্ৰস্তুত হোৱা মাংসই বিশ্বলৈ কভিড-১৯ কঢ়িয়াই আনি মানৱ সভ্যতাৰ ধ্বংসৰ পথ সৃষ্টি কৰিছে।

গতিকে কৰ'নাক প্ৰতিহত কৰিবৰ বাবে পৰিৱৰ্তিত সমাজৰ সৈতে খাপ খোৱাকৈ অসমৰ মহাপুৰুষীয়া সমাজৰ নীতি-নিয়ম পালন কৰিবই লাগিব। অন্যথা বিশ্বত মানৱ সভ্যতা বৰ্তি নাথাকে। ♦

১৪ পৃষ্ঠাৰ পৰা

## মৰহা ফুলৰ পাপৰি বুটলি. . .

নিউজটো চাইছে অকণো বুকুখনে হাহাকাৰ কৰা নাইনে।

মিতালীৰ কথাকেইটা শুনি আনন্দই মিতালীলৈ চালে। তাই কথাবোৰত মাতৃ হ'ব নোৱাৰাৰ বেদনা স্পষ্টকৈ ফুটি উঠিছে।

পুৱা প্ৰাতঃভ্ৰমণৰ পৰা আহি চাহকাপ হাতত লৈ আনন্দ বৰুৱাই বাতৰিখনত চকু ফুৰালে। তৃতীয় পৃষ্ঠাটো লুটিয়াই চাওঁতে চকুত পৰিল বাতৰিটো। কেইদিন হ'ল ঘটনাটো? অ' আজি পাঁচদিনেই হ'ল।

- মিতালী শুনাচোন... ভিতৰত ব্যস্ত থকা মিতালী বাহিৰলৈ ওলাই আহিল।

- কোৱা...

- এই বাতৰিটো চোৱাচোন...

মিতালীয়ে পেপাৰখন হাতত লৈ বাতৰিটোত চকু ফুৰাই এবাৰ আনন্দৰ মুখলৈ চালে। তাই আনন্দৰ মনৰ কথাটো ভালকৈবুজি পালে।

- কথাটো ভবাটো বেয়া হোৱা নাই, মইতো ভালহে পাম। এতিয়া পিছে কি কৰিব লাগিব?

- ৰ'বা কথাটো আকৌ এবাৰ ভাবি হস্পিতালত খবৰ এটা কৰি চাওঁ। কেঁচুৱাটো বৰ্তমান মেডিকেলৰ নাৰ্চ এগৰাকীৰ তত্ত্বাৱধানতে আছে। তুমি কিবা এটা খাবলৈ ৰেডি কৰা, তাৰ পিছত দুয়ো মেডিকেলৰ পৰা আহিম। মিতালীৰ মনটো আনন্দৰে ভৰি পৰিল।

পুৱা চাৰে দহমান বজাত বৰুৱা দম্পতি মেডিকেলত উপস্থিত হ'লগৈ। অধীক্ষকৰ ৰূমৰ ফালে গৈ সোমাবলৈ অনুমতি বিচাৰিলে।

- অ'হ... বৰুৱা দেখোন, আজি যে সপৰিবাৰে মোৰ কেবিনৰ মুখত ৰাতিপুৱাই? আহক... আহক... বহিবলৈ চকী দুখনলৈ আঙুলিয়াই দিলে।

ডাক্তৰ বিকাশ নেওগ, যোৰহাট মেডিকেল কলেজৰ অধীক্ষক। আনন্দ বৰুৱাৰ লগত আগৰে পৰা চিনা-পৰিচয়। আনন্দ বৰুৱাই এতিয়াও মেডিকেলতে এটা কনষ্ট্ৰাকচনৰ কাম চলাই আছে।

- কওঁকচোন কি সহায় কৰিব পাৰো?

আনন্দ বৰুৱাই পেপাৰখনৰ নিউজটো উলিয়াই ডাক্তৰ নেওগলৈ আগবঢ়াই দিলে। ডাক্তৰ নেওগে পেপাৰখন হাতত লৈ বৰুৱালৈ চালে।

- বৰুৱা, এই ক্ষেত্ৰত আৰু এগৰাকী আগতে আহিছিল। হয়টো আৰু কিমান আহে তাৰ হিচাপ নাই। কিন্তু আপুনি চিন্তা নকৰিব। মই যাৱতীয় সকলো ক্ষেত্ৰতে আপোনাক সহায় কৰিম। যিহেতু মই আপোনাক ভালদৰে জানো। গতিকে মোৰ ইয়াত একো আপত্তি নাই। মাত্ৰ কিছুমান আইনী ফৰ্মেলিটিজ আছে। এইখিনি ঠিক কৰি ল'লেই আমি আপোনাক বেবিটো চমজাই দিব পাৰিম। মই এডভ'কেট অঞ্জন শইকীয়ালৈ ফোন কৰি দিছো। তেখেতক লগ কৰক মোৰ যিখিনি কৰিব লগা আছে মই কৰি দিম।

আনন্দ বৰুৱাই ধন্যবাদ জনাই হাঁহি মুখে ডাক্তৰ নেওগৰ পৰা বিদায় ল'লে। মিতালীৰ মুখতো সন্তুষ্টিৰ হাঁহি। তাই মনতে কল্পনাই কৰি পেলালে কেচুৱাটোৰ নাম কি দিব। কিমান মৰমেৰে ডাঙৰ দীঘল কৰিব। দুয়ো আহি নিজৰ গাড়ীত বহিলহি।

পাছদিনা এঘাৰ মান বজাত বৰুৱা দম্পতি গৈ মেডিকেলত উপস্থিত হ'লগৈ। দুয়োৰে মনত অপাৰ আনন্দ। আনন্দ বৰুৱাৰ বন্ধু তথা চুবুৰীয়া প্ৰতাপ কলিতাৰ দম্পতিও লগত। মাঘ বিহুৰ উৰুকালৈ মাত্ৰ দুটা দিন বাকী। ইয়াৰ আগে আগে ঘৰলৈ এজন নতুন সদস্যৰ আগমন। ইয়াতকৈ আৰু সুখৰ দিন ক'ত পাম, বৰুৱা দম্পতিয়ে কথাষাৰ মনতে ভাবিলে। সকলোখিনি ফৰ্মেলিটি সম্পূৰ্ণ কৰি আটাইকেইগৰাকী আন এটা কোঠালৈ আগবাঢ়িল। সেইটো কোঠাত মাত্ৰ জন্ম হোৱা কেঁচুৱা আৰু মাকক ৰখা হয়। কিন্তু বৰুৱা আৰু কলিতা দম্পতিক নাৰ্চ থকা কেবিনটোতে বহিবলৈ দি ডাক্তৰ নেওগ সেই কোঠালৈ সোমাই গ'ল। কেঁচুৱাটো আলফুলে লৈ নাৰ্চগৰাকী ডাক্তৰৰ লগতে সেই কোঠাৰ পৰা ওলাই আহিল। কেঁচুৱাটো মিতালীৰ হাতত চমজাই দি নাৰ্চগৰাকীয়ে মিতালীলৈ চালে। মিতালীয়ে অলফুলে কেঁচুৱাটো হাতত লৈ এপলক নয়নেৰে তাৰ মুখলৈ চালে। আকুল ভৰা মৰমেৰে তাই কেঁচুৱাটো কপালত চুমা এটা খালে। কলিতাৰ পৰিবাৰেও গালে মুখে হাত ফুৰাই দিলে কেঁচুৱাটো। সঁচাকৈ ইমান মৰম লগা। কি সতে বাৰু এগৰাকী মাতৃয়ে ইমান মৰম লগা কেঁচুৱা এটা ডাষ্টবিনত পেলাই থৈ যাব পাৰে। ভাবি নাপালে কলিতানিয়ে। সিহঁতৰ আকুলতা দেখি নাৰ্চগৰাকীয়ে দুয়োৰে মুখলৈ চালে। তাই হয়তো ভাবিছে- ঠিক জেগাতে চমজাই দিয়া হৈছে। তাইৰো মনটো ভৰি পৰিল উপযুক্ত দম্পতিক কেচুৱাটো চমজাই দিবলৈ পাই।

- Congratulation বৰুৱা, আজিৰ পৰা ইয়াৰ মাক-দেউতাক আপোনালোক।

- ধন্যবাদ ছাৰ, আপোনাৰ এই উপকাৰ আমি জীৱনত কাহানিও পাহৰিব নোৱাৰিম। আপোনালৈ মোৰ ফালৰ পৰাও বহুত বহুত ধন্যবাদ। মিতালী আৱেগিক হৈ পৰিল।

- অ' কে মিছেচ বৰুৱা, মই এতিয়া আহোঁ। *(অহা সংখ্যাত)*

১ পৃষ্ঠাৰ পৰা

## 2-DG :কোভিড-১৯...


ঔষধবিধ DRDO ৰ নিজা ঔষধ গৱেষণা প্ৰতিষ্ঠান Institute of Nuclear Medicine and Allied Sciences আৰু হায়দৰাবাদৰ ঔষধ নিৰ্মাতা প্ৰতিষ্ঠান Dr Reddy's Laboratories ৰ যুটীয়া উদ্যোগত উদ্ভাৱন কৰা হয়। এই ঔষধটো অ'আৰএছৰ দৰে পেকেটত উপলব্ধ যাক পানীত মিলাই খাব লাগে। ঔষধটোৰ বৰ্তমান মূল্য ৯৯১ টকা নিৰ্ধাৰণ কৰা হৈছে। বিশেষজ্ঞসকলৰ মতে এই ঔষধে ভাইচাছে আক্ৰমণ কৰা শৰীৰৰ কোষবোৰক আৱদ্ধ কৰি ৰখাৰ উপৰিও ভাইৰাছটোক বৃদ্ধি হোৱাত বাধা প্ৰদান কৰে। এই ঔষধৰ উদ্ভাৱনৰ আঁৰত থকা ড. অনন্ত নাৰায়ণ ভট্টৰ দৰে যশস্বী বিজ্ঞানীৰ দলটিত অসমৰ কৰিমগঞ্জ জিলাৰ ড. জুবলী পুৰকায়স্থৰ নাম থকাটো অসমৰ বাবে গৌৰৱৰ বিষয়। যিকি নহওক, ক'ভিডৰ এই দ্বিতীয় ঢৌৱে ভাৰতত যি ধুমুহাৰ সৃষ্টি কৰিছে, সেই ধুমুহা আঁতৰ কৰিবলৈ এই ঔষধ সক্ষম হ'ব বুলি বিশেষজ্ঞসকলে আশা কৰিছে।♦

# অংকীয়াৰ পৰা মাতৃভাষাৰ ভাওনালৈ এক অৱলোকন

❑ লৱ কুমাৰ দত্ত (ৰাজু)

অধ্যাপক ড° মানিক শইকীয়া ছাৰ বৰ্তমান অসমীয়া সাহিত্য ক্ষেত্ৰখনৰ এটি অতি চিনাকি নাম। তেখেতৰ গভীৰ অধ্যয়ন আৰু চিন্তা-চেতনাৰে লিখি উলিওৱা "অংকীয়াৰ পৰা মাতৃভাষাৰ ভাওনালৈ এক অৱলোকন" নামৰ গৱেষণালব্ধ গ্ৰন্থখন অসমীয়া সাহিত্যৰ ভড়াললৈ এই বছৰৰ এক অমূল্য অৱদান। গ্ৰন্থখনত মাতৃভাষাৰ ভাওনা সম্পৰ্কত যথেষ্ট জানিবলগীয়া কথা থকাৰ লগতে ভালকৈ অধ্যয়ন কৰিলে মাতৃভাষাৰ ভাওনা সম্পৰ্কত থকা কিছুলোকৰ ভ্ৰান্ত ধাৰণা দূৰ হ'ব বুলি আশা কৰিব পাৰি। তেখেতে গ্ৰন্থখন লিখাৰ ক্ষেত্ৰত প্ৰায়বোৰ ভাওনা সম্পৰ্কীয় গ্ৰন্থ আৰু ভাওনা সমাৰোহসমূহত প্ৰকাশিত বহুবোৰ আলোচনী অধ্যয়ন কৰি লেখাসমূহ যুগুত কৰাত গ্ৰন্থখনৰ গ্ৰহণযোগ্যতা অনস্বীকাৰ্য হৈ পৰিছে। বিশেষকৈ আগলি পাততে তেখেতে ভাৰ প্ৰকাশ কৰা মহাপুৰুষীয়া বা মাতৃভাষাৰ ভাওনাই পৰ্যাপ্ত গুৰুত্ব লাভ নকৰিব কিয় নিবন্ধটোত যুক্তি সহকাৰে মাতৃভাষাৰ ভাওনাৰ সত্য অন্বেষন, বিশ্বাস আৰু বাস্তৱৰ ছবিখন সুন্দৰকৈ প্ৰকাশ কৰিছে। ইয়াত মাতৃভাষা ভাওনাৰ ভৱিষ্যত সংশয়ৰ চিন্তা এটাও প্ৰকট হৈ আছে। গ্ৰন্থকাৰে যথাৰ্থভাৱে লিখিছে যে — "গুৰুত্বপূৰ্ণ কথাটো হ'ল, মাতৃভাষাৰ নাট-ভাওনাতো গাঁওবাসী অসমীয়া মানুহৰ শাস্ত্ৰ, ধৰ্ম, শিল্প আৰু ক্ৰিয়াৰ সৰ্বাত্মক সাধনৰ দৃষ্টান্তৰ কথা কোনেও নুই কৰিব নোৱাৰে। সেই কাৰণে ক'ব পাৰি, মাতৃভাষাৰ ভাওনা যদি লোককৃতি বা লোক সাহিত্যই হয়, সেই সম্পৰ্কীয় পৰ্যাপ্ত অধ্যয়নেহে অসমীয়া জাতীয় জীৱনৰ এছোৱা গুৰুত্বপূৰ্ণ সময়ৰ প্ৰকৃত সম্ভেদ দিব পাৰিব। কাৰণ লোককৃতি আৰু লোক সাহিত্যৰ নিৰবচ্ছিন্ন প্ৰবাহহে একোটা জাতিৰ সংস্কৃতি কিম্বা লিখিত সাহিত্যৰো প্ৰধান উৎস।" (পৃষ্ঠা ১৪)। আকৌ তেখেতে লিখিছে যে — "সাধাৰণ জনতাহে ইতিহাসৰ প্ৰতিটো আলি কেঁকুৰী সম্পৰ্কে সাৰ্থকভাৱে ওৱাকিবহাল হৈ থাকে. প্ৰকৃতাৰ্থত পৰোক্ষভাৱে হ'লেও তেনে জনতাইহে ইতিহাস নিৰ্মাণ কৰে। স্বাভাৱিকতেই সেই সিদ্ধান্ত কোনো সভা-সমিতি পাতি গ্ৰহণ কৰা সিদ্ধান্ত নহয়। অৱলীলাক্ৰমে গঢ় লৈ উঠে তেনে মতামতৰ পৰিকাঠামো — আৰু তাৰ বহুকালৰ পিছত হয়তো পৰিলক্ষিত হয় সেই সিদ্ধান্তৰ কাৰ্যকৰী স্বৰূপ। এনেকৈয়ে সামূহিক গ্ৰহণ-বৰ্জনৰ মাজেৰে ৰচিত হয় সামাজিক-সাংস্কৃতিক ইতিহাস।" (পৃষ্ঠা ১৫)।

ভাতৃভাষাৰ ভাওনা ঃ ঐতিহাসিক পৃষ্ঠভূমি নামৰ নিবন্ধটোত যুগদ্ৰষ্টা শ্ৰীমন্ত শংকৰদেৱ, মাধৱদেৱ, গোপালদেৱৰ পৰা আৰম্ভ কৰি পৰৱৰ্তী গুৰুসকলৰ নাট্যধাৰা অংকীয়া স্তৰৰ পৰা কথিত ভাষাৰ ভাওনালৈ গতি লাভ কৰা সম্পৰ্কত কম কথাৰে বহুভাৱ প্ৰকাশ কৰিব পৰা বিশ্লেষণাত্মক ব্যাখ্যা আগবঢ়োৱা হৈছে। মাতৃভাষাৰ ভাওনা সূতিকা গৃহত জন্ম ক্ৰন্দনৰ কাহিনী নামৰ নিবন্ধটোত দৈত্যাৰি ঠাকুৰৰ ৰচনাতেই মাতৃভাষাৰ নাটৰ চিন-নিচিন উকমুকনি এটাৰ উমান পোৱা গৈছিল বুলি গ্ৰন্থকাৰে উদাহৰণসহ উল্লেখ কৰিছে (পৃষ্ঠা ৩৫)। এই লেখাটিত তেখেতে শংকৰোত্তৰ যুগৰ নাটসমূহৰ ন (৯)টা বৈশিষ্ট্যৰ কথাও উল্লেখ কৰিছে। তদুপৰি অসমৰ আৰ্থসামাজিক আৰু ৰাজনৈতিক পৰিৱৰ্তনৰ পৰিপ্ৰেক্ষিত্ত গঢ় লোৱা অংকীয়া নাট ভাওনাৰ ৰূপসমূহো গ্ৰন্থখনত মনোগ্ৰাহীকৈ উপস্থাপন কৰিছে। ইয়াৰোপৰি তেখেতে এতিয়ালৈকে লাভ কৰা অংকীয়াৰ পৰা মাতৃভাষাৰ ভাওনালৈ প্ৰায় চাৰিশৰো অধিক ভাওনা নাটৰ এখন তালিকা ইয়াত সন্নিবিষ্ট কৰিছে। তেখেতে আগবঢ়োৱা এটি আলোচনাই গ্ৰন্থখনৰ গুৰুত্ব বঢ়াইছে এনেদৰে — "উল্লেখযোগ্য যে সময় আৰু সমাজৰ অগ্ৰগতিৰ লগে লগে ভাষা একোটাযো পৰিৱৰ্তনৰ মাজেৰে গতি কৰিবলগীয়া হয়। অসমীয়া ভাষাটোৰ ক্ষেত্ৰতো




সামগ্ৰিকভাৱে সংস্কৃতৰ পৰা পালি, প্ৰাকৃত, অপভ্ৰংশৰ মাজেৰে আহি অসমীয়া, উড়িয়া, বাংলা আদি ৰূপবোৰৰ সৃষ্টি হোৱাৰ কথা প্ৰায় সকলো লোকেই জানে। তদুপৰি কৃত্ৰিম ভাষিক শৈলীৰে প্ৰবাহিত নহৈ জনসাধাৰণৰ মুখৰ ভাষাৰে প্ৰবাহিত হোৱাটো যিকোনো সাংস্কৃতিক কাৰ্যক্ৰমৰ বাবে নিতান্তই স্বাভাৱিক বুলিব পাৰি। তাতে যদি সেই কাৰ্যক্ৰম নাটকৰ নিচিনা সামূহিক আৰু সাৰ্বজনীন কলা হয় তেতিয়া তাক অৱধাৰিত বুলি মানি লোৱাই উচিত। গতিকে নাট্য কাহিনীৰ প্ৰয়োজনীয়তা আৰু জনসাধাৰণৰ গ্ৰহণযোগ্যতাৰ পৰিপ্ৰেক্ষিত্ত এসময়ত কৃত্ৰিম ব্ৰজাৱলী ভাষাৰ ঠাইত ৰাইজৰ মুখৰ ভাষাটো পৌৰাণিক নাটৰ মাধ্যম হিচাপে ব্যৱহাৰ হোৱাতো স্বাভাৱিক আৰু সময় সাপেক্ষ কথাই আছিল বুলি মানি ল'লেহে ইতিহাসৰ অৱধাৰিত গতিক স্বীকাৰ কৰি লোৱা হ'ব। (পৃষ্ঠা ৪৭/৪৮)।

সাম্প্ৰতিক কালত মাতৃভাষা ভাওনাৰ প্ৰতিযোগিতাৰ প্ৰাসংগিকতা নিবন্ধটোত লেখকে ইয়াৰ প্ৰয়োজনীয়তা, নিয়মাৱলী, বিচাৰক নিৰ্বাচন আৰু ইয়াৰ বাবে সংশ্লিষ্ট সকলোৰে উপস্থিতিত এখন অভিবৰ্ত্তনৰ প্ৰয়োজনীয়তাৰ ওপৰত সাৱলীলভাৱে যুক্তি দৰ্শনেৰে আলোচনা আগবঢ়াইছে। মাতৃভাষাৰ ভাওনা ঃ কেইটামান প্ৰয়োজনীয় প্ৰসংগ নিবন্ধটোত লেখকে যুক্তিৰে উপস্থাপন কৰি লিখিছে যে কেৱল ব্ৰজাৱলী ভাষাটো নুবুজাৰ বাবেই মাতৃভাষাৰ ভাওনা সৃষ্টি হোৱা নাছিল। সেই বিষয়ে জনোৱাৰ লগতে মাতৃ ভাষাৰ ভাওনাই অসমীয়া জাতীয় জীৱনলৈ কেনেদৰে প্ৰচুৰ অৱদান আগবঢ়াই আহিছে তাক সবলভাৱে যুক্তিনিষ্ঠতাৰে গ্ৰন্থখনত আলোকপাত কৰিছে। সৰ্বোপৰি এই ভাওনা সংস্কৃতিয়ে ভিন ভিন জাতি-জনগোষ্ঠীৰ মাজত সমন্বয় সাধন কৰা, অসমীয়া সংস্কৃতিৰ বিবিধতা প্ৰমাণ, মহিলাসকলৰ অংশ গ্ৰহণ, গ্ৰামীন জনতাৰ ধৰ্ম সাধনা, গাঁওবাসী জনতাৰ নাট্যৰস আস্বাদন আৰু অভিনয় প্ৰতিভাৰ বিকাশ, গণতান্ত্ৰিকতাৰ সাৰ্থক প্ৰকাশ, নাটসমূহৰ গদ্য অসমীয়া ভাষাৰ সম্পদ, মাতৃভাষাৰ ভাওনা অসমীয়া জাতীয় জীৱনৰ গৌৰৱৰ প্ৰতীক আদি বিষয়সমূহৰ ওপৰত মনোগ্ৰাহী আৰু যুক্তি নিষ্ঠ আলোচনা আগবঢ়াইছে।

জ্ঞান আৰু মনোৰঞ্জনৰ অনুপম সৃষ্টি ভাওনা চাবলৈ যিকোনো লোকেই ভাল পায়। কিন্তু বিষয়বস্তুৰ আচল কথাবোৰ নজনাৰ বাবেই হওঁক বা আন কিবা কাৰণতেই হওঁক সৰ্বসাধাৰণ লোকে ইয়াৰ অন্তৰ্নিহিত গূঢ়াৰ্থ স্বৰূপ কথাবোৰৰ আচল ৰসবোৰ পান কৰাত সক্ষম হোৱা যেন অনুমান নহয়। অৱশ্যে যিকোনো কঠিন বিষয়বস্তু এটাত ৰস সৃষ্টি কৰিব পৰাতো বৰ সহজসাধ্য কথাও নহয়। অথচ সেই কামটোকে অতি আন্তৰিকতাৰে সুক্ষ্ম নিৰীক্ষণৰ বৰ্ণাশুদ্ধিৰে প্ৰাঞ্জলভাৱে ড° মানিক শইকীয়া ছাৰে এই গ্ৰন্থখনৰ যোগেদি অসমীয়া সমাজক দিবলৈ যত্ন কৰিছে। মুঠতে মনোযোগেৰে গোটেই গ্ৰন্থখন পঢ়িব লাগিব। যোৰহাটৰ সব্যসাচী প্ৰকাশনে প্ৰকাশ কৰি উলিওৱা সুন্দৰ আৰু অৰ্থবহ বেটুপাতৰ ১১০ পৃষ্ঠাৰ গ্ৰন্থখনৰ মূল্য মাথোঁ ১০০/- টকা। সংস্কৃতিপ্ৰেমী ভাওনাৰসিক প্ৰত্যেক গৰাকী পাঠকেই গ্ৰন্থখনত অমল ভাওনা সংস্কৃতিৰ সমল লাভেৰে বিমল আনন্দ লাভ যে কৰিব পাৰিব সি ধ্ৰুৱপ। গ্ৰন্থখনৰ প্ৰাপ্তি স্থান 'শব্দ প্ৰকাশ', থানা তিনিআলি, আৰু 'সালংকৃতা' মিউজিয়াম মাৰ্কেট (বি.বি. হল বজাৰৰ সমীপত),এ.টি. ৰোড, যোৰহাট-১ ♦

*ভ্ৰাম্যভাষ-৬০০৩৬ ৯৬১৩৮*

# সম্পাদকীয়

## শিক্ষকেই ল'ব লাগিব ছাত্ৰ-ছাত্ৰীৰ দায়িত্ব

দেশত কৰ'নাৰ দ্বিতীয়টো লহৰে জনজীৱনক প্ৰায় স্থবিৰ কৰি তোলাৰ লগে লগে শিক্ষা ব্যৱস্থালৈয়ো প্ৰশ্নচিহ্ন নমাই আনিছে। ২০২০ বৰ্ষৰ কৰ'নাৰ প্ৰথমটো ঢৌত বিশ্বৰ বিভিন্ন দেশৰ লগতে ভাৰততো লক-ডাউনৰ ফলত শিক্ষাৰ্থীসকল ঘৰতে আবদ্ধ হৈ পৰিছিল। বছৰটোৰ শেষত অৰ্থাৎ শৈক্ষিক বৰ্ষৰ অন্তত বহুতকে পৰীক্ষা নপতাকৈয়ে উত্তীৰ্ণ কৰাই দিয়া হৈছিল। আন একাংশই 'অনলাইন' পদ্ধতিৰে পৰীক্ষা দিলে। উচ্চশিক্ষাৰ ব্যৱস্থাত অনলাইন আৰু অফলাইন দুয়োটা পদ্ধতিৰে পৰীক্ষা হ'ল। অপ্ৰিয় সত্য যে বহুতে অনলাইনৰ সুবিধা গ্ৰহণ কৰি কিতাপ চাই লিখাৰ সুবিধাকণ গ্ৰহণ কৰিলে। তুলনামূলকভাৱে পূৰ্বতকৈ নম্বৰো অধিক পালে। কিন্তু প্ৰশ্ন হয় তেওঁলোকৰ জ্ঞানৰ পৰিধি কিমান প্ৰসাৰিত হ'ল। সঁচা কথা, জীৱনতকৈ শিক্ষা আগ নহয়। কিন্তু জীৱনত শিক্ষাৰ প্ৰয়োজনীয়তাকো সমানে গুৰুত্ব দিয়া হয়। মাৰাত্মক ব্যাধিৰ পৰা পৰিত্ৰাণৰ বাবে অনলাইন শিক্ষাৰ বিকল্পও নাই। এনে সন্ধিক্ষণত অভিভাৱকৰ ভূমিকা গুৰুত্বপূৰ্ণ হৈ উঠিছে। বহুতো অভিভাৱকে ছাত্ৰ-ছাত্ৰীক মোবাইল ফোন এটা লৈ দিবলৈ অপাৰগ। তেওঁলোকে ছাত্ৰ-ছাত্ৰীক কিতাপৰ লগত সম্পৰ্ক জড়িত কৰি ৰাখিব লাগিব। মোবাইল দিয়াসকলে সিমানতে দায়িত্ব শেষ বুলি নধৰি ছাত্ৰ-ছাত্ৰীক বেছিকৈ কিতাপৰ প্ৰতি আগ্ৰহী কৰি তুলিব লাগিব। ২০২১ বৰ্ষতো একে মহামাৰীয়েই মানুহক আতংকিত কৰিছে। পৰীক্ষা ব্যৱস্থাৰে একেই সমস্যা আহিল। হ'লেও পৰীক্ষাকেন্দ্ৰ বৃদ্ধি কৰি হ'লেও অফলাইন পদ্ধতিৰে পৰীক্ষা অনুষ্ঠিত কৰাৰ গুৰুত্ব অস্বীকাৰ কৰিব নোৱাৰি। বৰ্তমান সময়ত শিক্ষা গ্ৰহণৰ ক্ষেত্ৰত ছাত্ৰ-ছাত্ৰীক অভিভাৱকে বেছি দায়িত্ব ল'বলগা হৈছে। বিদ্যালয়, মহাবিদ্যালয় বা বিশ্ববিদ্যালয়ত আনুষ্ঠানিক পাঠদান বন্ধ থাকিলেও শিক্ষকসকলেই শিক্ষাৰ্থীক সচেতন কৰি ৰাখিব লাগিব। প্ৰত্যেক ছাত্ৰ-ছাত্ৰীক শিক্ষকে ফোনযোগেই হওক বা অভিভাৱকৰ যোগেদিয়েই হওক কিতাপৰ প্ৰতি সচেতন কৰি থাকিব লাগিব। এনে জটিল ক্ষণত পুলিচে প্ৰশাসনৰ দায়িত্ব লোৱাৰ দৰে ডাক্তৰে ৰোগীৰ দায়িত্ব লোৱাৰ দৰে শিক্ষক-শিক্ষয়িত্ৰীয়েই ল'ব লাগিব ছাত্ৰ-ছাত্ৰীৰ দায়িত্ব। ♦

# হোমেন বৰগোহাঁইঃ গুৰুৰ প্ৰতি শিষ্যৰ অনুভৱ

❑ বন্দিতা গোস্বামী

অসমীয়া ভাষা-সাহিত্যৰ উজ্বল নক্ষত্ৰ স্বৰূপ সাংবাদিক, সাহিত্যিক আৰু সমালোচক হোমেন বৰগোহাঁই অসমৰ সৰ্বসাধাৰণ জনগণৰ পৰা বিদ্বত সমাজলৈকে এটা চিৰ পৰিচিত নাম। জীৱনৰ সৰহভাগ সময় সাংবাদিকতাৰ কলম ধৰি সাংবাদিকৰ জগতখনত এটা ধাৰাৰ সৃষ্টি কৰি গ'ল। সাংবাদিক হিচাবে হাতত তীক্ষ্ণ কলম তুলি তেখেতে নিজৰ কথা নিজে লিখিলে —"যিটো কামৰ বাহিৰে মই আন একো কাম জীৱনত কৰি পোৱা নাই, সেই কামটো হ'ল লিখা, শব্দৰ লগত খেলা কৰা, নিজৰ লগত কথা পতা বা তৰ্ক কৰা। শব্দৰ সহায়েৰে জীৱনৰ ধ্যান কৰা। লিখাৰ মাজেদি একেটা জীৱনৰে পুনঃ পুনঃ বিভিন্ন ৰূপত অধিক তীব্ৰ আৰু ঘনীভূত ৰূপত যাপন কৰা।"

পঢ়াশালীয়া দিনবোৰত বৰগোহাঁইদেৱক সাহিত্যচাৰ্য যতীন্দ্ৰ নাথ গোস্বামীৰ ব্যক্তিত্বই বাৰুকৈয়ে আকৰ্ষিত কৰিছিল। ১৯৪৯ চনৰ কথা। তেখেত সেই সময়ত ডিব্ৰুগড় চৰকাৰী হাইস্কুলৰ দশম শ্ৰেণীৰ ছাত্ৰ। এদিন বৰগোহাঁয়ে শুনিবলৈ পালে যে তেওঁৰ শ্ৰেণীৰ অসমীয়া শিক্ষকজন বদলি হৈছে আৰু তেওঁৰ ঠাইত যতীন্দ্ৰ নাথ গোস্বামী নামৰ আন এজন শিক্ষক আহিব। বৰগোহাঁয়ে মনৰ কথা এইদৰে প্ৰকাশ কৰিছে— "মই নিজে কিন্তু যতীন্দ্ৰ নাথ গোস্বামী আমাৰ নতুন শিক্ষক হৈ আহিব বুলি শুনি মাত্ৰে মনে মনে ভীষণ ৰোমাঞ্চিত হৈ উঠিলো। তেওঁ আহি আমাৰ শ্ৰেণীকক্ষত প্ৰৱেশ কৰা দিনটোলৈ অধীৰ আগ্ৰহেৰে অপেক্ষা কৰিবলৈ ধৰিলোঁ।"

গোস্বামীৰ প্ৰতি আগ্ৰহ প্ৰকাশ কৰাৰ আঁৰত গোহাঁইদেৱৰ শৈশৱৰ কথা জড়িত হৈ আছে। তেখেতৰ ঢকুৱাখানাৰ পিতৃ গৃহত দুটা আলমিৰাৰে সৈতে এটা পুথিভঁড়াল আছিল। তাত আসাম হিতৈষী, বাঁহী, চেতনা, অৰুণ আৰু আৱাহন আদি বিখ্যাত আলোচনীবোৰৰ উপৰিও আন বহুতো আলোচনী আছিল। খুব কম সময়তে সেই আলোচনীবোৰ কনমানি বৰগোহাঁইয়ে পঢ়ি শেষ কৰিছিল। তেনে সময়তে আৱাহনৰ পাততেই অন্যান্য বহু লেখকৰ লগতে যতীন্দ্ৰ নাথ গোস্বামীক আৱিস্কাৰ কৰিছিল। আৱাহনত গোস্বামীদেৱৰ বিখ্যাত ফৰাচী লেখক আনাতোল ফ্ৰাঁৰ "থেইজ" নামৰ উপন্যাসখনৰ বিষয়ে লিখা প্ৰবন্ধটোৱে গোঁহাইদেৱক বাৰুকৈয়ে আকৰ্ষিত কৰিলে। তেখেতে গোস্বামীদেৱৰ কথা এইদৰে লিখি মনৰ ভাৱ প্ৰকাশ কৰিছে— "এই প্ৰবন্ধটোৱে মোৰ মনত গভীৰভাৱে ৰেখাপাত কৰিছিল এই কাৰণেই যে প্ৰবন্ধটোৱে প্ৰথমবাৰৰ কাৰণে মোৰ মনলৈ কঢ়িয়াই আনিছিল বহু দূৰৰ এখন দেশৰ সাহিত্যৰ বতৰা আৰু তাকে কৰি যি মোৰ মনৰ দিগন্ত তৎক্ষণাত বহু দূৰলৈকে বহলাই দিছিল। ইয়াৰ উপৰিও যিজন অসমীয়া লেখকে মোৰ অতি কুমলীয়া বয়সতে বিশ্ব সাহিত্যৰ প্ৰতি মোক কৌতুহলী কৰি তুলিছিল তেওঁ যতীন্দ্ৰ নাথ গোস্বামী। ল'ৰাকালৰ পৰাই যিজন মানুহৰ নাম মই বুকুৰ মাজত কঢ়িয়াই লৈ ফুৰিছিলো আৰু যাক ইতিমধ্যেই মই সাহিত্যৰ গুৰু হিচাপে স্বীকাৰ কৰি লৈছিলো তেঁৱেই আমাৰ সাহিত্যৰ শিক্ষক হৈ আহিব বুলি শুনি উত্তেজিত হৈছিলো। তেওঁৰ পাঠদানৰ স্মৃতি আজিও মোৰ মনত সজীৱ হৈ আছে।"

গোস্বামীদেৱৰ প্ৰতি গোহাঁইদেৱৰ শ্ৰদ্ধা সদায় অটুট আছিল। ভাষা-সাহিত্য সেৱাৰ কামত দুয়োজন গুৰু-শিষ্যই ওৰে জীৱন চেষ্টা চলাইছিল। সঘনে যোগাযোগ নোহোৱা সত্বেও গুৰুৰ প্ৰতি থকা শ্ৰদ্ধা আৰু ভক্তি কোনোদিনে কমা নাছিল। ১৯৯২ চনৰ কথা। যোৰহাটৰ এখন সভালৈ যাওঁতে গুৰু-শিষ্যৰ মুখা-মুখি হৈছিল। শিষ্য গোহাঁইদেৱে গোস্বামীদেৱক দেখি নভবা-নিচিন্তাকৈ ভৰি চুই প্ৰণাম যাঁচিছে। গোহাঁইদেৱে সেই মুহুৰ্ত্তখিনি এইদৰে লিখিছে— "ছাৰ অবাক হৈ আৰু লগতে বিব্ৰত হৈ এক মুহুৰ্ত্তমান সময় মোৰ মুখলৈ চাই আছিল। ছাৰৰ প্ৰতি মোৰ মনত বহুদিন ধৰি পুঞ্জীভূত হৈ থকা আৰু ভাষাৰে প্ৰকাশ কৰিব নোৱাৰা কৃতজ্ঞতা প্ৰকাশ কৰিবলৈকে মই হঠাৎ সেই নাটকীয় কাণ্ড কৰিছিলো। সেই কথা ছাৰে বাৰু বুজি পালেনে?"

গোস্বামীদেৱৰ জীৱনৰ শেষ সময়লৈকে গোহাঁইদেৱৰ লগত বিভিন্ন আলোচনা কৰিছিল। বিশেষকৈ সাংবাদিক আৰু সাহিত্য চৰ্চাৰ মাজত আবদ্ধ থাকি সময় কটোৱা গোহাঁইদেৱে অসম সাহিত্য সভাৰ সভাপতিৰ পদটো ল'বলৈ অস্বীকাৰ কৰিছিল। পাছত গোস্বামীদেৱৰ অনুৰোধক্ৰমে সভাপতিৰ পদ ল'বলৈ সন্মতি দিছিল। শেষত গোহাঁইদেৱৰ ভাষাত— "পঢ়ে পঢুৱাই ৰোৱে পাণ, এই তিনিয়ে নিচিন্তে আন। এই লোক কথা আদৰ্শ শিক্ষক হিচাবে গোস্বামীদেৱে বাস্তবায়ন কৰিছিল।"♦

চুটীগল্প

# মাছৰ জোল

❑ কৃষ্ণাময়ূৰী হাজৰিকা

নৰেণে বজাৰৰ পৰা আহি আধা কেজি মাছৰ টোপোলাটো আনি তগৰক দিয়াৰ পৰাই ঘৰখনত কিবা উৎসৱমুখৰ পৰিৱেশৰ সৃষ্টি হ'ল। ল'ৰা-ছোৱালীহাল আহি 'মা, দেতাই আজি মাছ আনিছে নেকি?'- বুলি সোধাতে কাহিনীটো আৰম্ভ হৈ শাহুৰেক আৰু ননদ পুতলীৰ মাছ অনাৰ সত্যতা প্ৰমাণৰ বাবে পাকঘৰৰ পৰা এপাক ঘূৰি অহাতহে শেষ হ'ল।

তাইৰো মনটো ভাল লাগিল। আজি ভালেমান দিন শুদা ভাত খাইছে। উপাৰ্জন বুলি একো নোহোৱাৰ দৰে হৈছে। যোৱা পাঁচ মাহে গিৰিয়েক নৰেণ ঘৰতে বহি থকাৰ দৰে। সকলো বন্ধ। গাড়ীৰ ড্ৰাইভাৰ নৰেণে লকডাউনৰ বাবে ঘৰতে বন্দী হ'বলগা হ'ল। নহ'লে আগেয়ে সিহঁতে মন গ'লে মাছ বা মাংস অকন আনি খাইছিল।

অৱশেষত গাঁৱৰে অৰুণৰ সতে যোৱা দুসপ্তাহ মান আগৰে পৰা নৰেণে পাচলিৰ বেপাৰত লাগিছে। নহ'লে ঘৰ নচলে। মাটি-বাৰী বুলিবলৈ একো নাই সিহঁতৰ। সকলো বস্তুৰেই কিনিব লাগে। সন্ধিয়াৰ ধূপডাল গোসাঁইৰ চৰণত দি তাই পাকঘৰ সোমায়েই দিলে। চাহ অকণ বনাই নৰেণ আৰু শাহুৰেকক দি ভাতৰ চৰু বঢ়ালে। আজি সোনকাল, মাছ আছে যে। ননদ পুতলী আহি বৌ কিবা কৰি দিম নে বুলি পাকঘৰ ভুমুকিয়ালেহি। অন্য দিনা নাহে। গাখীৰ পানী অকন অকন দি পঢ়া টেবুলত বহুৱাই থৈ অহা ল'ৰা-ছোৱালী হালে বাৰে বাৰে পাকঘৰত পাক এটা মাৰিছেহি। সৰুটোৱে টো এবাৰ 'মা ভাত হ'লনি দে' বুলি ক'লেই। অহ! আজি মাছ দেখি ইহঁতৰ উৎপাত চা বুলি তাই পুতলীক কৈ হাঁহিলে।

'অই তই মেকুৰী নেকি মাছ-মাংস দেখিলে যে ক'ব নোৱাৰা হৱ' বুলি তাই তাক ডবিয়ালে। সিহঁত দুটাক ক'লে কি হ'ব তাই নিজৰে গা সাতখন আঠখন আজি। ভাতৰ চচপেনটো নমাই তাই ভকভকাই জ্বলি থকা জুইকুৰাত পানীৰ কেটলীটো তুলি দিলে। মাছৰ আঞ্জাৰ বাবে লাগিব। পুতলীক বিলহী, ধনিয়া, আলু কাটিবলৈ উলিয়াই দি তাই মাছৰ টোপোলাটো আনিলে। মাছ জোখে জোখে আহিছে। ছয়ডোখৰ মাছ, লগতে তেল অলপ। হ'ব এডোখৰকৈ পৰিব, তেলখিনি বেঙেনাৰে জ্বলা ভাজি কৰিব। মাছখিনি ৰঙা ৰঙাকৈ ভাজি সেই তেলতে পিয়াঁজ জলকীয়া দি বিলাহীখিনি দিলে। নিমখ হালধি দি হেতাৰে লৰাই ঢাকোন দি জুই কমাই দি তাই ল'ৰা-ছোৱালীহালৰ ওচৰ পালেহি। 'অ মা মোক দুডোখৰ দিবি দেই মাছ' সৰুটোৱে ক'লে। দিম দিম এতিয়া পঢ়াচোন বুলি তাই পুণৰ পাকঘৰ পালেহি। ইতিমধ্যে বিলাহীখিনি গলি গৈছিল। তাই তাতে আগেয়ে ভাজি থোৱা মাছ আৰু আলু কেইপিছ ওপৰতে দি গৰম পানী দি জুইকুৰা বঢ়াই দিলে।

ৰন্ধা-বঢ়া কৰি অতাই তাই অইন দিনাতকৈ সোনকালে ভাত বাঢ়িবলৈ ল'লে। পুতলীয়ে পানীৰ জাৰ, নিমখ-জলকীয়া, নেমু কাটি যোগাৰ কৰিলে। ল'ৰা-ছোৱালীহাল আগতেই আহি উপস্থিত। মজিয়াত তাই ভাত আৰু মাছৰ জোলৰ বাতি, প্লেটত মাছৰ তেলৰ জ্বলা ভাজি অকণ অকণ সিহঁতৰ আগত আগবঢ়াই দিলে। ইতিমধ্যে গিৰিয়েক নৰেণ আৰু শাহুৰেকেও নিজৰ নিজৰ আসন অধিকাৰ কৰিলেহি। পুতলীকো বাঢ়ি দি তাই ক্ষন্তেক ৰ'ল। ৰান্ধনীয়ে হেনো লগতে খাব নাপায়। কাৰোবাক কিবা দৰকাৰ হ'ব পাৰে। সকলোৱে গো গ্ৰাসে খাবলৈ ধৰিলে। 'মা মোক জোল অকন দে' ছোৱালীজনীয়ে ক'লে। বায়েকৰ লগে লগে ল'ৰাটোৱে ক'লে 'মা মোক আৰু মাছ লাগে' নৰেণে কিবা এটা বুজি ক'লে 'হ'ব আজি এইয়াকে খা'। ল'ৰাই মুখ মেলিলেই ভেঁকে। শাহুৰেকে ল'ৰালৰিকৈ হো বাবা এইয়া মই দিছো ল' বুলি নিজৰ মাছ টোকুৰাৰ পৰা অলপ চিঙি তাৰ ভাতলৈ দিলে। তাকে দেখি সি দুগুণে চিএৰিলে বোলে মোক ভিতৰৰ পৰা আনি দে এইয়া নাখাওঁ। ভৰি হাত জোকাৰি সি মাটিতে বাগৰি দিলে। তাই ল'ৰালৰিকৈ চৌকাৰ ওপৰৰ কেৰাহিৰ পৰা নিজৰ ভাগৰ মাছডোখৰ আনি তাৰ পাতত দিলতহে মনে মনে থাকিল সি। তিনিবছৰীয়া অবুজন ল'ৰাটোক বুজোৱাৰ আৰু বেলেগ উপাই নাই বুলি মাক হিচাবে তগৰে জানে।

নৰেণ উঠি গ'ল। শাহুৰেক আৰু পুতলীয়ে খাই থাকোঁতেই তাই নিজৰ বাবেও ভাত, মাছ নথকা শুদা বিলাহীৰ জোল আৰু জ্বলা ভাঁজি অলপ লৈ মজিয়াত পীৰা পাৰি বহি ল'লে।

কাৰো মুখত মাত নাই। মাছৰ জোলেৰে ভাতকেইটা সানি মুখলৈ নিওঁতেই তগৰে বুজিলে মাছটো ডাঙৰ আছিল চাগে জোলকনেই সোৱাদ হৈছে।♦

## আহোম ৰাজত্বৰ ৬০০ বছৰীয়া অধ্যায়

১) স্বৰ্গদেউ চাউলুং চুকাফা (১২২৮-১২৬৮)
২) স্বৰ্গদেউ চুচেংফা (১২৬৮-১২৮১)
৩) স্বৰ্গদেউ চুবিনফা (১২৮১-১২৯৩)
৪) স্বৰ্গদেউ চুখানফা (১২৯৩-১৩৩২)
৫) স্বৰ্গদেউ চুখাংফা (১৩৩২-১৩৬৪)
৬) স্বৰ্গদেউ চুতুফা (১৩৭০-১৩৭৬)
৭) স্বৰ্গদেউ তাওখামতি (১৩৮০-১৩৮৯)
৮) স্বৰ্গদেউ চুদাংফা (১৩৯৮-১৪০৭) (বামুণ কোঁৱৰ)
৯) স্বৰ্গদেউ চুজাংফা (১৪০৭-১৪২২)
১০) স্বৰ্গদেউ চুফাকফা (১৪২২-১৪৩৯)
১১) স্বৰ্গদেউ চুচেনফা (১৪৩৯-১৪৮৮)
১২) স্বৰ্গদেউ চুহনফা (১৪৮৮-১৪৯৩)
১৩) স্বৰ্গদেউ চুপিমফা (১৪৯৩-১৪৯৭)
১৪) স্বৰ্গদেউ চুহুংমুং (১৪৯৭-১৫৩৯)
১৫) স্বৰ্গদেউ চুক্লেংমুং (১৫৩৯-১৫৫৩)
১৬) স্বৰ্গদেউ চুখামফা (১৫৫৩-১৬০৩) (খোৰাৰজা)
১৭) স্বৰ্গদেউ চুচেংফা (১৬০৩-১৬৬৩) (প্ৰতাপসিংহ)
১৮) স্বৰ্গদেউ চুৰামফা (১৬৪১-১৬৪৪) (ভগাৰজা)
১৯) স্বৰ্গদেউ চুচিংফা (১৬৪৪-১৬৪৮) (নৰিয়াৰজা)
২০) স্বৰ্গদেউ চুতামলা (১৬৬৪-১৬৬৩) (জয়ধ্বজ সিংহ)
২১) স্বৰ্গদেউ চুপুংমুঙ (১৬৬৩-১৬৬৯) (চক্ৰধ্বজ সিংহ)
২২) স্বৰ্গদেউ চুনাৎফা (১৬৬৯-১৬৭৩) (উদয়াদিত্য সিংহ)

(১৬৭৩ত লালুকসোলাৰ কুসন্ধিৰ বলি হ'ল ক্ৰমে স্বৰ্গদেউ চুক্লাংফা, চুহুং, চুজিনফা, চুডুলফা)

২৭) স্বৰ্গদেউ চুলিকফা (১৬৭৯-১৬৮১) (ল'ৰাৰজা)
২৮) স্বৰ্গদেউ চুপাতফা (১৬৮১-১৬৯৬) (গদাপাণি)
২৯) স্বৰ্গদেউ চুখ্ৰংফা (১৬৯৬-১৭০৭) (লাই)
৩০) স্বৰ্গদেউ ৰুদ্ৰসিংহ (১৭০৭-১৭১৭)
৩১) স্বৰ্গদেউ শিৱসিংহ (১৭১৭-
৩২) বৰৰজা ফুলেশ্বৰী, ৩৩) বৰৰজা অম্বিকা, ৩৪) বৰৰজা সৰ্বেশ্বৰী (১৭৪৪)
৩৫) স্বৰ্গদেউ চুনেনফা (১৭৪৪-১৭৫১) (প্ৰমত্তসিংহ)
৩৬) স্বৰ্গদেউ চুৰেমফা (১৭৫১-১৭৬৯) (ৰাজেশ্বৰ সিংহ)
৩৭) স্বৰ্গদেউ চুনেওফা (১৭৬৯-১৭৮০) (লক্ষ্মীসিংহ)
৩৮) স্বৰ্গদেউ চুহিতপাংফা (১৭৮০-১৭৯৫) (গৌৰীনাথ সিংহ)
৩৯) স্বৰ্গদেউ চুখিলিংফা (১৭৯৫-১৮১০) (কমলেশ্বৰ সিংহ)
৪০) স্বৰ্গদেউ চুদিংফা (১৮১০-১৮১৮) (চন্দ্ৰকান্ত সিংহ)
৪১) স্বৰ্গদেউ পুৰন্দৰ সিংহ (১৮১৮-১৮১৯)

(বৃটিছ ইষ্ট ইণ্ডিয়া কোম্পানীৰ আগমন)
(১৮২৬ খ্ৰীষ্টাব্দত আহোম ইতিহাসৰ ৬০০ বছৰীয়া ৰাজত্বৰ সমাপ্তি)

(সংগ্ৰহ)

&&&&&&&&&&&&&&&&&& **শিক্ষা-বাৰ্তা** &&&&&&&&&&&&&&&&&&

# চন্দ্ৰকুমাৰ আগৰৱালাৰ কবিতাত বৈষ্ণৱী সুৰ

❑ ৰূপজ্যোতি হাজৰিকা দত্ত

অসমীয়া কাব্যশিল্পক ইউৰোপীয় ৰোমাণ্টিক আন্দোলৰ সাজপাৰ পিন্ধাই জাতিস্কাৰ কৰা জোনাকী যুগীয়া সাহিত্যিকসকলৰ ভিতৰত আগৰৱালা পুৰোধা ব্যক্তি। অসমীয়া ৰমন্যাসিক কবিতাৰ প্ৰথম তৰংগৰ শীৰ্ষস্থানীয় কবি আগৰৱালাৰ জন্মস্থান (১৮৬৭-১৯৩৮) তেজপুৰ কলংপুৰ মৌজাৰ ব্ৰহ্মজানত। তেওঁ হৰিবিলাস আগৰৱালা পুত্ৰ আছিল। কলিকতাতে তেওঁ স্কুলীয়া আৰু কলেজীয়া শিক্ষা লাভ কৰে কিন্তু বি এ পৰীক্ষা নিদি ব্যৱসায়ত ধৰে। তেওঁ লক্ষ্মীনাথ বেজবৰুৱা আৰু হেমচন্দ্ৰ গোস্বামীৰ সৈতে লগ লাগি ১৮৮৯ খ্ৰীষ্টাব্দত জোনাকী কাকত উলিয়ায়। ১৯১৮ চনত সাদিনীয়া বাতৰি 'অসমীয়া' উলিয়ায়। এই কাকতে পিছত তিনিদিনীয়া আৰু শেষত দৈনিক অসমীয়া কাকতলৈ ৰূপান্তৰিত হয়। বেজবৰুৱাৰ দৰে ব্যৱসায়ী বুদ্ধিত যেনেকৈ চন্দ্ৰকুমাৰ তীক্ষ্ণ আছিল তেনেকৈ সাহিত্যৰ ক্ষেত্ৰতো আগশাৰীৰ আছিল। ব্যৱসায় বুদ্ধি আৰু সাহিত্য প্ৰীতি এই দুয়োটা পৰম্পৰা বিৰোধী গুণ চন্দ্ৰকুমাৰে লাভ কৰিছিল উত্তৰাধিকাৰ সূত্ৰে পিতৃ হৰিবিলাস আগৰৱালাৰ পৰা। হৰিবিলাস আগৰৱালাই পোন প্ৰথমে পুৰনি অসমীয়া সাহিত্যক পোহৰলৈ আনে। 'জোনাকী'ৰ প্ৰথম বছৰ এখন সংখ্যক প্ৰকাশ পোৱা আগৰৱালাৰ 'বনকুঁৱৰী' নামৰ গীতি-কবিতাটিয়েই আধুনিক কবিতাৰ শুভাৰম্ভ। জোনাকী যুগৰ সাহিত্যিক আন্দোলনৰ তেওঁ অন্যতম গুৰিয়াল আছিল। জোনাকীত প্ৰকাশ পোৱা তেওঁৰ গীতি কবিতাসমূহেহে অসমীয়া গীতি কবিতাৰ পৰম্পৰা সৃষ্টি কৰাত সহায় কৰে বুলি ক'ব পাৰি। জোনাকীত প্ৰকাশ পোৱা আৰু পিছত লেখা কবিতাৰ প্ৰথম কবিতাপুথি হ'ল 'প্ৰতিমা' (১৯১৩) বেজবৰুৱাই উক্ত পুথিৰ আলোচনা প্ৰসঙ্গত লেখিছিল— প্ৰতিমাখন সৰু, কিন্তু নিভাঁজ সোণৰ'। তেওঁৰ দ্বিতীয় কবিতাপুথি বীণবৰাগী (১৯২৩)। বাঁহীত প্ৰকাশ পোৱা কবিতাৰ সমষ্টিয়েই 'বীণ-বৰাগী'। প্ৰতিমাত দুকুৰি পাঁচটা আৰু বীণ-বৰাগীত বাৰটা গীতি কবিতা সন্নিবিষ্ট হৈছে। প্ৰতিমাত কবিয়ে জগতৰ বৰ্ণ বৈভৱৰ ৰামধেনু দুটাত আপ্লুত হৈছে, যৌৱনৰ স্বাভাৱিক সৌন্দৰ্যস্পৃহাৰ ই প্ৰকাশ। অৱশ্যে কবিৰ কাব্যসত্তাৰ মৌলিক বৈশিষ্ট্যখিনিয়ে ইয়াত ভূমুকি নমৰাকৈ থকা নাই। কিন্তু 'বীণ-বৰাগী'ত কবিৰ দৃষ্টি বহিঃ সৌন্দৰ্যতকৈ অন্তৰৰ সৌন্দৰ্য্যৰ প্ৰতিহে নিবদ্ধ হৈছে 'প্ৰতিমা'ৰ ফুল। সৰিয়হডৰা পখিলা বা ফুলৰ চাৰিওফালে গুণগুনাই ফুৰা ভোমোৰা বা নিয়ৰৰ টোপাল কবিৰ মন যেনেকৈ আপ্লুত কৰিছে বীণ-বৰাগীত অধিক অন্তৰ্মুখী হৈ আনন্দতীৰ্থৰ পথত আগবাঢ়িছে আৰু মানুহৰ আপাত দানৱ ৰূপৰ প্ৰকৃত দেৱৰূপৰ সন্ধান পাইছে আৰু মুকলি মনৰ মানৰ মূৰ্তিৰ অকলঙ্ক মাধুৰিমা দেখা পাইছে। সংখ্যাত তাকৰ হ'লেও এই দুখন কবিতাৰ পুথিয়ে চন্দ্ৰকুমাৰৰ উচ্চ কাব্য প্ৰতিভাৰ পৰিচয় দিয়ে।

সৌন্দৰ্য্যৰ সন্ধান, মানৱপ্ৰীতি বৈদান্তিক প্ৰভাৱ বা অদ্বৈতদৃষ্টি, বৈষম্যপূৰ্ণ পুৰণি পৃথিৱীক ধ্বংস কৰি সাম্যভাৱৰ ওপৰত প্ৰতিষ্ঠিত নতুন সমাজৰ আহ্বান আৰু সবল আশাবাদ চন্দ্ৰকুমাৰৰ কবিতাৰ বিশেষত্ব।

পশ্চিমীয়া ৰোমাণ্টিক ভাৱাদৰ্শেৰে অনুপ্ৰাণিত কবি এজনাৰ কবিতাত পূৰ্বৰ আধ্যাত্মিকতা তথা বৈষ্ণৱ সাহিত্যৰ প্ৰভাৱ বিশ্লেষণ কৰিবলৈ যোৱাটো অৰ্থহীন যেন লাগিলেও এই কথা পাহৰিলে নচলিব যে 'হৃদয়ৰ কল্পনা চিন্তা আৰু অভিজ্ঞতাৰ সাৰমৰ্ম, ঐতিহ্যৰ প্ৰবাহ আৰু সমকালীন কাব্য ধাৰাৰ সাঁচ এই আটাইকেওটিৰ এক অদৃশ্য, সৃষ্টিশীল সমন্বয়ৰ সুষম প্ৰতিফলনৰ মাজেদিয়েই একো একোজন কবিৰ স্বকীয় কবি ব্যক্তিত্বই আৰু কাব্য প্ৰতিভাই বিকাশ লাভ কৰে। চন্দ্ৰকুমাৰ আগৰৱালাৰ কবিতাতো তেনে কল্পনা চিন্তা অভিজ্ঞতাৰ ঐতিহ্য প্ৰৱাহৰ সন্মিলন ঘটা দেখা যায়। সেইবাবেই ৰোমাণ্টিক যুগৰ কবিজনাৰ কবিতাতো আমি শুনিবলৈ পাওঁ বৈষ্ণৱী সুৰৰ ৰুণ-জুন আৰু সেই বৈষ্ণৱী যুগৰ অনুসন্ধানেই এই প্ৰবন্ধৰ মূল উদ্দেশ্য।

চন্দ্ৰকুমাৰ আগৰৱালাৰ 'প্ৰতিমা' কবিতা পুথিখনিৰ দ্বিতীয় কবিতা 'জীৱন উচ্ছাস' নামৰ কবিতাটি পাঠ কৰিবলৈ ল'লেই বৈষ্ণৱ কবিৰ দ্বাৰা ৰচিত বৰগীত এটিয়ে লুকুৱাই চুৰকৈ সুৰতে সুৰ মিলাই যোৱা পৰিলক্ষিত হয়। সংসাৰৰ মায়াৰ ক্ষুদ্ৰ পৰিসৰত বান্ধ খোৱা কবি চন্দ্ৰকুমাৰে 'জীৱন উচ্ছাস' কবিতাত এনেদৰে এই স্বাৰ্থ জড়িত মায়াৰ পৰা মুক্তি লাভৰ উপায় বিচাৰি চিঞৰি উঠিছে—

কোনোবাই মোক যেন তললৈ পেলালে  
অতল গভীৰ নজনা  
সাৰ পাই চাওঁ ঘোৰ সংসাৰ ৰাক্ষস  
হতাশ বিৰাট দশনা (জীৱন উচ্ছাস)

আকৌ একেটা ভাৱেৰে অনুৰণন যেন আমি এই বৰগীত ফাঁকিতো শুনিবলৈ পাওঁ—

হৰাইল চেতন হৰি নাজানো কিমতে তৰি  
সুনিতে দশধ ভৈলা জীৱ।।  
লোভ মোহ দুহোঁ বাঘ সততে নছাড়ে লাজ  
ৰাখু ৰাখু এ সদাশিৱ।।  
(শংকৰদেৱ/বৰগীত)

সেইদৰে সুন্দৰ নামৰ কবিতাটো 'সুন্দৰ আৰাধনা জীৱনৰ খেল' বুলি সুন্দৰৰ আৰাধনাতে জীৱন অৰ্পণ কৰিব খোজা সৌন্দৰ্য পিয়াসী কবি হৃদয়ৰ অভিলাসৰ মাজতো বৈষ্ণৱ কবি মাধৱদেৱৰ ৰসময়ী আনন্দৰ সন্ধানত ব্যাকুল আত্মাৰ অভিলাস এনেদৰে এক হে পৰা পৰিলক্ষিত হৈছে—

ফুৰিছোঁ যাত্ৰীৰ বেশে স্বদেশ বিদেশ  
সৌন্দৰ্য্য আভাস যতে পাওঁ একনিকা  
সুন্দৰৰ আৰাধনা জীৱনৰ খেল  
অভিনয় অন্তে মোৰ কলি যৱনিকা।  
(সৌন্দৰ্য্য প্ৰতিমা)

পৰম সুন্দৰৰ সাধনাত নিমগ্ন মাধৱদেৱে সুন্দৰ অভিলাসী ভাবত হৃদয়ক প্ৰণাম জনাইছে আৰু নিজেও প্ৰাৰ্থনা কৰিছে—

মুক্তিতো নিস্পৃহ যিটো সেহি ভকতৰ নমো  
ৰসময়ী মাগোহো ভকতি।  
(নামঘোষা/পদ)

সত্য তুমি, শিৱ তুমি, অসীম সুন্দৰ।

কবিতাটিত কবি চন্দ্ৰকুমাৰে সংসাৰত পৰম সত্য আৰু সুন্দৰৰ পম খেদি অৱশেষত উপলব্ধি কৰিছে যে—

সুন্দৰো সুন্দৰ ই দুদিনীয়া দেশ  
যতনৰ আনন্দৰ শুৱনি আৱেশ।  
জ্ঞানময় প্ৰেমময় প্ৰাণৰ ঈশ্বৰ,  
সত্য তুমি শিৱ তুমি অসীম সুন্দৰ।  
(সত্য তুমি শিৱ তুমি অসীম সুন্দৰ)  
(প্ৰতিমা)

বৈষ্ণৱ কবি মাধৱদেৱেও চিৰ ৰহস্যময় তথা চিৰসুন্দৰৰ স্বৰূপ উপলব্ধি কৰি নামঘোষাত গাইছে—

কৃষ্ণ নিত্য শুদ্ধ বুদ্ধ পৰম ঈশ্বৰ দেৱ  
নাছাড়িবা তাহাৰ আশ্ৰয়  
কৃষ্ণ নিজ ইষ্টদেৱ আত্মা প্ৰিয়তম গুৰু  
সুহৃদ সোদৰ বন্ধুজন  
কৃষ্ণে মোৰ গতি মতি কৃষ্ণক ভকতি কৰি  
কৃষ্ণ পাৱে নিমজোক মন।  
(নামঘোষা/পদ ৯৬,৯৭)

'ফুল সৰিয়হ ভৰা' নামৰ কবিতাটিৰ মাজতো আছে বৈষ্ণৱ কবিৰ পাৰ্থিৱ বিষয় বাসনাৰ পৰা মুক্তি লাভ কৰি পৰম সুন্দৰৰ ৰাজ্যলৈ যোৱাৰ আত্মা ভৰা আকুলতা—

কি হ'ব নো হেৰি ঘানিয়ে ঘানিয়ে  
গুটি সৰিয়হ পেৰি?  
তেলিয়ে পেৰিব, জগত যোগাব  
কিয় মোক ধৰা বেৰি?  
দিয়া মোক এৰি চাওগৈ ঘূৰি  
ফুলা সৰিয়হ ডৰা।  
(ফুলা সৰিয়হ ডৰা) (প্ৰতিমা)

বৈষ্ণৱ কবিৰ হৃদয়তো একেই আকুলতা এনেদৰে অনুৰণিত হৈছে। 'নামঘোষা'ত মাধৱদেৱে 'আতুৰ ভৈলোহো হৰি বিষয় বিকলে' বুলি ভগৱানক

কাতৰে প্ৰাৰ্থনা জনাইছে—

হে পৰমানন্দ ৰস মাগো এক বিন্দু।। (নামঘোষা/পদ, ৫৩৫)

'সুন্দৰ' কবিতাতো তাৰেই অনুৰণন—

সন্মোহনী বীণ বাই আজি কি বিচাৰে
দুৱাৰে দুৱাৰে সবে ভিক্ষাৰী বেশে?

'নামঘোষা'তো বৈষ্ণৱ কবিয়ে জনাইছে—

হৰি তুমি আনন্দ সিন্ধু
হামো ভিক্ষাৰী মাগো একবিন্দু।
(নামঘোষা/পদ, ৮৩৬)

মানৱ দৰদী কবি চন্দ্ৰকুমাৰ আগৰৱালাই মানৱ সেৱাই ধৰ্ম সাধনাৰ প্ৰকৃত পথ বুলি তেনে সেৱালৈ মানুহক আগ্ৰহী হ'বলৈ আহ্বান জনাইছে—

মানৱী জনম দিয়া উটুৱাই
মানৱী কৰম সোঁতে
মানুহৰ মৰম বুজিবা মানুহে
ধৰম যে মৰমতে।
(মানৱ বন্দনা (প্ৰতিমা))

মানৱপ্ৰেমী বৈষ্ণৱ কবিৰ কাব্যতো তাৰ অনুৰূপ সুৰ শুনিবলৈ পোৱা যায়—

হৰিসে সবাকো আত্মা বান্ধিব ঈশ্বৰ
আৰ অৰ্থে ব্যৰ্থে কেনে কৰা আয়ুপাত
সবাৰো হৃদয়ে বিষ্ণু আছন্ত সাক্ষাত
হেন জানি অসুৰ স্বভাৱে সবে এৰি
সমস্ত প্ৰাণীক পূজা বিষ্ণু বুদ্ধি কৰি।।
(কীৰ্ত্তন/প্ৰহ্লাদ চৰিত্ৰ/পদ, ৩৫৯)

'বীণ-বৰাগী' নামৰ দীঘলীয়া কবিতাটোতো প্ৰকাশ পাইছে বৈষ্ণৱ কবিৰ আধ্যাত্ম চিন্তা, পৰম ৰহস্যময় সৰগী বীণাৰ সুৰ মুগ্ধ কবি হৃদয়ে জগতৰ বাবে বিচাৰিছে কল্যাণ শান্তি, এই যন্দ্ৰণা নিমজ্জিত পৃথিৱীৰ বাবে বিচাৰিছে। 'সুখৰ সংগীত' 'দুখদ্বন্দ শোক' ৰহিত মানৱ সমাজ।

দুখ দূৰ কৰি জগত উদ্ধাৰ
কৰাহে জগৎ স্বামী।
নীচ হৃদয়ৰ নীচ অহংকাৰ
হওঁক অধোগামী।।
(বীণ-বৰাগী)

একেধৰণৰ কাতৰতা মাধৱদেৱৰ নামঘোষাত এনেদৰে প্ৰকাশ পাইছে—

মহা অহংকাৰ দ্ৰোহ আচৰিলো আমি
আৰে তযু পদে শৰণ পশিলো
হৰি হৰি হৰি হৰি এ
মই দ্ৰোহীয়াৰ দ্ৰোহ ক্ষমা কৰা স্বামী
(নামঘোষা/পদ, ৮১২)

সেইদৰে 'বীণ-বৰাগী'ৰ মোৰেই জগতখনে মোকেই মাতিছে...। কবিতা কেইফাকিৰ মাজেদি 'একমেবাদ্বিতীয়ম' চিন্তাৰ প্ৰকাশ ঘটিছে। সেইদৰে 'আনন্দ তীৰ্থ' নামৰ কবিতাটিৰ মাজেদিও যেন বৈষ্ণৱ ধৰ্মৰ নিৰ্মল অন্তৰ আৰু নিস্কাম ভাৱনাৰ কথাই সদৰি কৰা হৈছে—

'আহা কোন যাবা দিগন্তৰ শেষ
আহা শুধ আশা লৈ
অন্তৰ বাসনা মন মলিয়ন
দলিয়াই পেলাই থৈ।
(আনন্দ তীৰ্থ/বীণ-বৰাগী)

চন্দ্ৰকুমাৰ আগৰৱালা কবিতাসমূহ বিচাৰ কৰি চালে বৈষ্ণৱ কবিৰ ভাৱ চিন্তাই সুৰ মিলাই যোৱা পৰিলক্ষিত হয়। এই সম্পৰ্কে প্ৰবন্ধটি বিশ্লেষণৰ আৰু অনেক থল আছিল যদিও সেয়া মাথোন একেটি প্ৰবন্ধতে সামৰা সম্ভৱ নহয়। সেইবাবে আলোচনাটি এক প্ৰাথমিক পৰ্যায়ৰ অৱলোকন বুলিয়েই আগবঢ়োৱা হ'ল।

চন্দ্ৰকুমাৰ আগৰৱালাৰ কবিতাত সুন্দৰ প্ৰকৃতিৰ নিষ্ঠুৰতা, অতি প্ৰাকৃত চৰিত্ৰৰ সৌন্দৰ্য্য, সাধাৰণ মানুহৰ মাজত প্ৰচ্ছন্ন ঐচ্ছিক শক্তি আৰু সকলো অশুভক নাশ কৰি নিজ হাতে মংগল প্ৰতিষ্ঠাৰ বাসনা আদি নতুন ভাৱ অনুভূতিৰ প্ৰকাশ ঘটিছে।

অসমীয়া সাহিত্যত ৰমন্যাসবাদৰ প্ৰথম হোতাজন উজ্জ্বল নক্ষত্ৰৰ দৰে চিৰদিন জিলিকি থাকিব।

সহায়ক গ্ৰন্থপঞ্জী ঃ

(সম্পাদনা) নাথ ধ্ৰুৱজ্যোতি, দেৱী অৰ্চন
— চন্দ্ৰকুমাৰৰ কবিতাৰ বিচাৰ বিশ্লেষণ
হাজৰিকা ডেকা কৰৱী
— অসমীয়া কবিতা
শৰ্মা সতেন্দ্ৰনাথ
— অসমীয়া সাহিত্যৰ সমীক্ষাত্মক ইতিবৃত্ত ♦

১০ পৃষ্ঠাৰ পৰা

## বিপন্ন বিহু সংস্কৃতি. . . .

চেষ্টা কৰিছে। পিছে আমাৰ দেশত উদাৰীকৰণৰ ডিজিটেল প্ৰক্ৰিয়াটো সুস্থ আৰু স্বাভাৱিক গতিৰে অগ্ৰগতি লাভ কৰিব নোৱাৰাৰ ফলত এক চাপজনিত নিৰ্দেশনাৰ বলত আমাৰ দেশত ডিজিটেল প্ৰক্ৰিয়াটোৱে সফলতা লাভ কৰিব পৰা নাই আৰু বহুক্ষেত্ৰত ই নেতিবাচক প্ৰভাৱহে পেলাইছে। কিন্তু এই কথা সচেতনভাবে মনত ৰখা উচিত যে আমি এনে এখন দেশৰ বাসিন্দা, য'ত কালজয়ী জীৱনাদৰ্শই যুগ যুগ ধৰি দেশৰ মানুহৰ সংস্কৃতিক মূল্যবোধ নিয়ন্ত্ৰণ কৰি ৰাখিছে। আধুনিকতাৰ নামত উগ্ৰভাৱে আৰু অপপিক্কতাৰ প্ৰযুক্তি ব্যৱহাৰ কৰিলে অসমীয়া জাতীয় সংস্কৃতিৰ চিৰন্তন মূল্যবোধ বিলুপ্ত হ'ব আৰু তেতিয়া সমগ্ৰ জাতীয় অস্তিত্বই বিপন্ন হ'ব। চিৰন্তৰ মূল্যবোধ অস্বীকাৰ কৰিলে বিহু সংস্কৃতিৰ মাজত নিহিত থকা আমাৰ জাতিৰ স্বাভিমানৰ বীজমন্ত্ৰ, স্বকীয় পৰিচয় আৰু গৌৰৱবোধৰ মহান চৰিত্ৰ ভূ-লুণ্ঠিত। এইয়া পিছে অসমীয়াৰ কোনোজনে, কোনো সময়তে কামনা নকৰে।♦

*দূৰভাষ:৬০০১৬৮৫৭৮৪*

# এজন শিক্ষক এটা কিংবদন্তি

দিখৌমুখ: মানুহজনৰ নাম হৰেণ ভূএগ্ৰা। দিখৌমুখ গুৱাল গাঁৱত জন্মগ্ৰহণ কৰা, ইংৰাজী সাহিত্যত স্নাতকোত্তৰ ভূএগ্ৰাই ডিগবৈ মহাবিদ্যালয়ত কৰি থকা ইংৰাজী বিভাগৰ মুৰব্বী অধ্যাপকৰ পদ এৰি নিজৰ অঞ্চলৰ বৃহত্তৰ স্বাৰ্থত ১৯৮১-৮২ চনত স্থাপিত দিখৌমুখ মহাবিদ্যালয়ৰ প্ৰতিষ্ঠাপক অধ্যক্ষৰ দায়িত্ব গ্ৰহণ কৰি বিনা পাৰিশ্ৰমিকেৰে দহটাকৈ বছৰ অঞ্চলটোত উচ্চশিক্ষা প্ৰদান কৰিছিল। চিম্পল লিভিং এণ্ড হাই থিঙ্কিং আদৰ্শৰে জীৱন যাপন কৰি জীৱনৰ সমস্ত উপাৰ্জন সমাজৰ বাবে খৰছ কৰি এটা বৃহত্তৰ অঞ্চলৰ আকাশ জ্যোতিৰে উদ্ভাসিত কৰি তুলি ইতিমধ্যে অঞ্চলটোৰ জীৱন্ত কিম্বদন্তিত পৰিণত হোৱা লোকজনে অৱসৰ গ্ৰহণৰ পাছতো নিজৰ সন্তানৰ দৰে গঢ়ি তোলা দিখৌমুখ মহাবিদ্যালয়খনত সেৱা আগবঢ়াই আহিছে। দেশত অব্যাহত থকা কৰ'না মহামাৰীৰ বাবে শিক্ষানুষ্ঠানসমূহ বন্ধ হৈ পৰাত যোৱা বৰ্ষৰপৰা তেওঁ গাঁৱৰ কণ কণ শিশুহঁতক ঘৰতে পুৱা-গধূলি পঢ়ুৱাই অব্যাহত ৰাখিছে শিক্ষাদানৰ স্পৃহা।

শত সহস্ৰ শিক্ষাৰ্থীক পোহৰৰ বাট দেখুওৱা ভূএগ্ৰাই শিক্ষকতা কৰি পোৱা সমস্ত ধন মহাবিদ্যালয়খনৰ উন্নয়ন, আৰ্থিকভাৱে দুৰ্বল ছাত্ৰ-ছাত্ৰীক পঢ়াৰ খৰছ দিয়াৰ লগতে মহাবিদ্যালয়লৈ সংযোগী পথৰ মেৰামতি কৰাৰ সমান্তৰালভাৱে অন্যান্য সামাজিক কামত খৰছ কৰি নিজে এটা জুপুৰি পঁজাত সন্যাসীৰ দৰে জীৱন যাপন কৰি সমাজৰ বাবে এক মহৎ আদৰ্শ দাঙি ধৰিছে।

উল্লেখযোগ্য যে গান্ধীজী আৰু বিনোৱা ভাৱেৰ আদৰ্শৰে অনুপ্ৰাণিত চিৰকুমাৰ ভূএগ্ৰা আধুনিক দিখৌমুখ নিৰ্মাতা শ্বহীদ সাংবাদিক কমলা শইকীয়া আৰু গান্ধীবাদী নেতা হেমভাইৰ প্ৰিয় শিষ্য, আজীৱন নিৰামিষ ভোজী ভূএগ্ৰাৰ পৰিয়ালটোৱে দৈনন্দিন জীৱনত প্ৰয়োজনীয় শাক-পাছলি আৰু অন্যান্য অত্যাৱশ্যকীয় খাদ্য সামগ্ৰী নিজে উৎপাদন কৰি অন্য এক আদৰ্শ দাঙি ধৰিবলৈ সক্ষম হৈছে।

স্মৰ্তব্য যে প্ৰাক্তন মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱালে জনসম্পৰ্কৰক্ষী কাৰ্যসূচীৰ অধীনত ভূএগ্ৰাক নিজা বাসগৃহত সাক্ষাৎ কৰাৰ সময়ত অধ্যয়নপিপাসু ভূএগ্ৰাৰ জীৱনশৈলী আৰু তেওঁৰ সমাজৰ বাবে আগবঢ়োৱা অৱদানৰ বিষয়ে জানিব পাৰি অভিভূত হৈ পৰিছিল।

২০১০ চনত অধ্যক্ষৰ পদৰ পৰা আনুষ্ঠানিকভাৱে অৱসৰ গ্ৰহণ কৰা ভূএগ্ৰাই কৰ'না ত্ৰাসৰ মাজতে গাঁৱৰ কণ কণ শিশুসকলক যোৱাবৰ্ষৰ পৰা নিয়মিতভাৱে শিক্ষা প্ৰদান কৰি সকলোৰে দৃষ্টি আকৰ্ষণ কৰিবলৈ সক্ষম হৈছে।♦

# পাৰ্বতিপ্ৰসাদ বৰুৱাৰ গীতি কবিতাত দেশপ্ৰেম

❑ সঞ্জীৱ শৰ্মা,
নৰ্থ লখীমপুৰ কলেজ

ৰোমাণ্টিক যুগতে বিভিন্নজন কবিৰ কবিতাত দেশাত্মবোধৰ চেতনা জাগ্ৰত হ'ল। এই দেশাত্মবোধৰ চেতনাৰ মাজত দুটা ৰূপ দেখা গ'ল। গভীৰ আশাবাদ আৰু বিদ্ৰোহী চেতনা। অসমীয়া ৰমন্যাসিক কবিতাত কেইবাজনো কবিৰ কবিতাত দেশপ্ৰেমৰ সুৰ বাজি উঠিল। তাৰে ভিতৰত পাৰ্বতিপ্ৰসাদ বৰুৱা আছিল অন্যতম।

দেশপ্ৰেম পাৰ্বতিপ্ৰসাদ বৰুৱাৰ গীত আৰু কবিতাৰ অন্যতম প্ৰধান বৈশিষ্ট্য। তেওঁৰ সমগ্ৰ ৰচনাৰ মাজত দেশপ্ৰেমৰ চেতনা নিহিত হৈ আছে। অসমীয়া ভাষা, সাহিত্য-সংস্কৃতিৰ প্ৰতি থকা গভীৰ মোহ, দেশৰ ঐতিহ্য আৰু গৌৰৱক অক্ষুন্ন ৰখাৰ মানসিকতাৰ মাজতে কবিৰ দেশাত্মবোধৰ অনুৰাগ প্ৰতিফলিত হৈছে। কেৱল ইমানেই নহয়, অসমৰ আকাশ-বতাহ, নদী-নিজৰা, বন অৰণ্য, পাহাৰ-ভৈয়াম, জীৱ-জন্তু এই সকলোৰে প্ৰতি পাৰ্বতিপ্ৰসাদৰ ভালপোৱা গভীৰ।

পাৰ্বতিপ্ৰসাদৰ গীতি-কবিতাত প্ৰকাশ পোৱা দেশপ্ৰেমৰ সম্পৰ্কে তলত আলোচনা কৰা হ'ল—

পাৰ্বতিপ্ৰসাদে পৰাধীনতাৰ শিকলি ছিঙি দেশমাতৃক জয়মালা পিন্ধাবলৈ, জাতীয় ঐতিহ্য আৰু পৌৰুষৰ প্ৰতি সন্মান জন্মাই নতুন উদ্যম আৰু সাহসেৰে দেশ গঢ়াৰ কৰ্ম-যজ্ঞত জপিয়াই পৰিবলৈ, অসমীয়া জাতিক উদ্বুদ্ধ কৰিবলৈ প্ৰেৰণা জনাইছিল গীতৰ মাধ্যমেৰে—

মৰণ জয়ীৰ মৃত্যুৰ ভয় নাই;
যায় আগবাঢ়ি জীৱনৰ জয় গাই।
কেঁচা কলিজাৰ তপত তেজৰ ধাৰ,
জননী পূজাৰ সেয়ে হক উপচাৰ;
ব'লা সমুখলৈ বিঘিনি গুচাই
জয় যাত্ৰাৰ সমদল।
জয় জয় জয়, অসমবাসীৰ জয়।।

পাৰ্বতিপ্ৰসাদৰ দুই এটি লেখনিৰ মাজত জাতীয় জাগৰণৰ মন্ত্ৰ নিহিত হৈ আছে। তেওঁ 'ময়াপী'ৰ অন্তৰ্ভুক্ত এটি কীতি-কবিতাত বীণ বৰাগীৰ ৰূপেৰে কৈছে—

'ফাঁচি দি মাৰিলে মনিৰাম দেৱানক
মাটিত নপৰিল তেজ
মনিৰামৰ বিনে মৰা জীয়াবলৈ
আনটো নাছিল বেজ।'

কবিয়ে মনিৰাম দেৱানৰ জীৱন আৰু আদৰ্শৰ মাজত দেশ আৰু জাতিৰ বাবে প্ৰাণ উৎসৰ্গা কৰা মহিলাৰ মাজত উদ্বোধনী মন্ত্ৰ শুনিবলৈ পাইছে—

'মৰা অসমীয়াক জীয়াবলৈ বুলি
জীৱনটো এৰি থৈ গ'ল
অন্তিমৰ নিশাহটি অসমৰ বতাহত
আজিও বিয়পি ৰ'ল।'

এই কবিতাটোৰ মাজত পাৰ্বতিপ্ৰসাদৰ ইতিহাস চেতনা আৰু স্বদেশ প্ৰেমৰ ভাষা উজলি উঠিছে। কবিতাটোত কবিয়ে অসমৰ অতীত ঐতিহ্য সুঁৱৰি আত্মপ্ৰত্যয় লাভ কৰিছে আৰু আত্মপ্ৰত্যয়ৰ পৰা নিঃসৰিত সাহস আৰু প্ৰেৰণাৰে নতুন প্ৰজন্মক উদ্দীপনা যোগাইছে, দেশবাসীক আশাৰ বাণী শুনাইছে—

শুনি সি আহ্বান আন কৰি প্ৰাণ
জাকে জাকে আজি ওলাই আহিছে
মাতৃ শৰণীয়া নৱ জোৱান,
গংগা গোদাবৰী কৃষ্ণা কাবেৰী
পঞ্চ নদীৰ পাৰৰ জোৱান দল
লুইতপৰীয়া বাঘৰ আগে তেল খোৱা
শৰাইঘটীয়া ডেকাৰ দল।

দেশপ্ৰেমিক সকলৰ অনুভৱত নিজৰ দেশ অতুলনীয়, পূজাৰ যোগ্য। এনে মহানুভৱতাৰ প্ৰকাশ আছে পাৰ্বতিপ্ৰসাদৰ 'পূজোঁ আহাঁ আই মাতৃৰ চৰণ কমল' শীৰ্ষক গীতটিত—

কি আছে কি দিম আমি দুখিত আতুৰ,
আই মাতৃৰ চৰণ সেৱি হৃদয় কৰোঁ জুৰ।

দেশ মাতৃৰ পূজা কৰিবলৈ পোৱাটোৱেই কবিৰ বাবে পৰম সৌভাগ্যৰ কথা। পূজাৰ আসনত অধিষ্ঠিত দেশমাতৃৰ ছবিখন পাৰ্বতিপ্ৰসাদৰ লিখনিত জিলিকি উঠিছে এনেদৰে—

ৰতনেৰে সিংহাসনত জননী বহিছে।
সুবৰ্ণৰে বন্তিগছি উজলি জ্বলিছে।
ভ্ৰমৰে গুঞ্জন কৰে মৃদু মৃদু ৰাৱ।
মলয় পৱন বহে লহু লহু বাব।

পাৰ্বতিপ্ৰসাদ বৰুৱাৰ 'পূজো আঁহা আই মাতৃৰ চৰণ কমল' গীতটো কবিৰ সৰল দেশপ্ৰেমৰ উৎকৃষ্ট নিদৰ্শন। দুঃখিত আতুৰপ্ৰাণা কবিয়ে বুকুত তেজৰ অৰ্ঘ্য ঢালি দেশমাতৃৰ চৰণ ধুৱাবলৈ হাবিয়াস কৰিছে—

সমল মাথো চকুৰ পানী
চৰণ ধুৱাও তাকে আনি
বুকুৰ তেজৰ অৰ্ঘ্য ঢালি বুৱাওঁ পদতল।

অসমীয়া স্বদেশপ্ৰেমমূলক কবিতাসমূহত স্বদেশ প্ৰেমৰ অনুৰাগ থাকিলেও দেশমাতৃৰ পূজাৰ বাবে বুকুৰ তেজক অৰ্ঘ্য হিচাপে আগবঢ়োৱা এনে উদাহৰণ বিৰল। পাৰ্বতিপ্ৰসাদৰ নিঃকিন হৃদয়ৰ আকুতি, আত্মবলিদানৰ উদাৰ মনোবৃত্তি আদি মাতৃভক্তিৰ শ্ৰেষ্ঠতম নিদৰ্শন স্বৰূপ।

পাৰ্বতিপ্ৰসাদ বৰুৱাৰ স্বদেশ প্ৰেমমূলক কবিতাৰ মাজত অগ্নিকবি কমলাকান্ত ভট্টাচাৰ্যৰ অগ্নি কবিতাৰ অগ্নিস্ফুলিংগ নাই নাইবা প্ৰসন্নলাল চৌধুৰীৰ দৰে বিপ্লৱী ভাৱধাৰাৰ প্ৰকাশো নাই, আছে বেজবৰুৱাৰ স্বদেশানুৰাগৰ মাজত প্ৰাসঙ্গিক আশাবাদী দৃষ্টিভংগী, জাতীয় চৈতন্য জাগ্ৰত কৰাৰ দায়বদ্ধতা। ঠিক তেনেদৰে আছে নবীন চন্দ্ৰ বৰদলৈ, জ্যোতিপ্ৰসাদৰ নতুন প্ৰজন্মক উদ্দীপ্ত কৰা মন্ত্ৰ। গীতি-কবিতাৰ আছে পাৰ্বতিপ্ৰসাদৰ মাতৃভক্তি, অকৃত্ৰিম হৃদয়ৰ আকুতি আৰু আবেগজড়িত অনুভূতিৰ উজ্জ্বল দৃষ্টান্ত। তেখেতৰ দেশপ্ৰেমমূলক গীতি কবিতাৰ মাতৃভূমিৰ প্ৰতি থকা অনুৰাগ আৰু অন্তৰৰ নিৰ্মল প্ৰেম ভাৱৰ সুকোমল প্ৰকাশ স্পষ্ট। আত্মলঘিমা পাৰ্বতিপ্ৰসাদ বৰুৱাৰ দেশপ্ৰেমৰ অসাধাৰণ বৈশিষ্ট্য। পাৰ্বতিপ্ৰসাদৰ দেশভক্তিৰ আত্মলঘিমা ভাৱ। আই মাতৃৰ ভক্তিৰ আঁৰত থকা আত্মলঘিমাৰ স্তৰলৈ উন্নীত হৈছে। দেশমাতৃৰ চৰণত কবিৰ যি ঐকান্তিক আত্মনিবেদন সি পাঠক শ্ৰোতাকো এক আনন্দময় স্তৰলৈ লৈ যায়।

এক কথাত, পাৰ্বতিপ্ৰসাদ বৰুৱাৰ প্ৰাণৰ পুঞ্জীভূত স্বদেশপ্ৰেমৰ প্ৰছন্নতা, আত্মলঘিমা, আত্মনিবেদন আকুতি, ভক্তিৰ গাঢ়তা, মাধৱদেৱৰ ভক্তপ্ৰাণৰ ভগৱদভক্তিৰ লগতহে তুলনা কৰিব পাৰি। ভাৱৰ সৰলতা আৰু প্ৰকাশভংগীৰ সাৱলীলতাই পাৰ্বতিপ্ৰসাদ দেশপ্ৰেমমূলক গীতি কবিতাক স্বকীয়তা প্ৰদান কৰিছে।

সহায়ক গ্ৰন্থ—
নেওগ দত্ত বিভা —*পাৰ্বতি প্ৰসাদৰ জীৱন দৰ্শন আৰু সাহিত্য*, প্ৰকাশক— অসম সাহিত্য সভা, প্ৰথম প্ৰকাশ— ১৮ ফেব্ৰুৱাৰী, ২০০৫।
নাথ প্ৰাণজ্যোতি —*গীতিকবি পাৰ্বতি প্ৰসাদ বৰুৱা ঃ এক আলোকপাত প্ৰকাশকাল* ২০ মাৰ্চ, ২০১৬, দৈনিক অসম।♦

১২ পৃষ্ঠাৰ পৰা

## ভাৰত-আমেৰিকা সম্পৰ্কৰ নতুন মোৰ . . .

ফ্ৰান্সেও ইজৰাইলক সংযম হোৱাৰ আহ্বান জনালেও পেলেষ্টাইনকো সকীয়নি প্ৰদান কৰিছে। এতিয়া বিশ্ব সমুদায়ৰ দৃষ্টি আৰু মনোযোগ নিবদ্ধ আছে ৰাষ্ট্ৰসংঘৰ ওপৰতে। কেৱল মাত্ৰ ৰাষ্ট্ৰসংঘৰ ভূমিকাইহে তৃতীয় এখন মহাসমৰ হোৱাৰ পৰা বিশ্বক ৰক্ষা কৰিব পাৰিব।

ইতিমধ্যে এঘাৰদিনীয়া যুদ্ধখনৰ অস্ত্ৰবিৰতি ঘোষণা হ'ল যদিও ইজৰাইল আৰু পেলেষ্টাইন দুয়োপক্ষই বিজয় উৎসৱ আয়োজন কৰালৈ চাই এই অনানুষ্ঠানিক যুদ্ধবিৰতিৰ ফল কি, ক'ত, কিয় বিখ্যাত একে আষাৰতে কোৱা টান হৈ পৰিল। মধ্য প্ৰাচ্যৰ এই যুদ্ধৰ ক্ষয়-ক্ষতি দুয়োপক্ষৰে যথেষ্ট যদিও পেলেষ্টাইনী পক্ষৰ বাবে ই অধিক বেদনাদায়ক। হামাছৰ কূটনৈতিক বিজয় হৈছে যদিও পৰৱৰ্তী সময়ত শুই থকা সিংহ ইজৰাইলৰ জাগ্ৰত ৰূপ ল'বলৈ বেছি সময়ৰ প্ৰয়োজন নহ'ব। ♦

# ড্ৰাগছমুক্ত সমাজ গঢ়াত অভিভাৱকৰ দায়িত্ব

❑ **পপিমনি দত্ত বৰা**

আজি কিছুদিনৰপৰা অসম আৰক্ষীয়ে অসমৰ চুকে কোণে ড্ৰাগছবিৰোধী অভিযান চলাই ড্ৰাগছৰ বহুতো ঘাটি ধ্বংস পেলোৱাৰ লগতে ইয়াৰ সৈতে জড়িত বহুতো ড্ৰাগছ মাফিয়াক গ্ৰেপ্তাৰ কৰিবলৈ সক্ষম হৈছে। আমি আশা কৰিছো ড্ৰাগছৰ বিৰুদ্ধে অসম আৰক্ষীৰ এই অভিযান এনে গতিতেই চলি থাকক আৰু কোনো দিনে স্তব্ধ নহওক। ড্ৰাগছ হৈছে সমাজৰ বাবে এক অভিশাপ। এই ড্ৰাগছৰ কবলত পৰি যুৱপ্ৰজন্ম কেনেদৰে ধ্বংস হৈ গৈছে তাৰ প্ৰমাণ স্বৰূপে যোৱা বৰ্ষটোত বলিউদৰ প্ৰতিষ্ঠিত অভিনেতা সুশান্ত সিং ৰাজপুতৰ আত্মহত্যাৰ কথা নিশ্চয় কোনেও পাহৰিব পৰা নাই। কিন্তু আৰক্ষীৰ এনে অভিযানেই সমাজৰ পৰা ড্ৰাগছ নিৰ্মূল কৰিব পাৰিবনে? কেতিয়াও নোৱাৰে। কাৰণ ড্ৰাগছৰ এই ব্যৱসায়ত দুটা ফৈদ জড়িত হৈ আছে- বিক্ৰেতা আৰু উপভোক্তা। আৰক্ষীয়ে এই বিক্ৰেতা অৰ্থাৎ ড্ৰাগছৰ অবৈধ ব্যৱসায়ীসকলক বা তাৰ একাংশক ধৰি সমাজৰ পৰা ড্ৰাগছ নিৰ্মূল কৰিব নোৱাৰে। কাৰণ আৰক্ষীয়ে ড্ৰাগছ ব্যৱহাৰকাৰীক কেতিয়াও চিনাক্ত কৰিব নোৱাৰে। এই দায়িত্ব পালন কৰিব লাগিব অভিভাৱকে।



অভিভাৱক এজনে কেনেকৈ জানিব পাৰিব যে তেওঁৰ সন্তান ড্ৰাগছৰ কবলত পৰিছে? দেখা যায় যে আজিকালিৰ অভিভাৱকে নিজৰ সন্তানক অত্যাধিক মৰমত ডাঙৰ-দীঘল কৰে। জন্মৰপৰা স্কুলীয়া জীৱন শেষ হোৱালৈকে প্ৰতি মুহূৰ্ত লগত থাকি গাত টোপ এটাও পৰিবলৈ নিদিয়াকৈ ডাঙৰ কৰে। কিন্তু ইয়াৰ বিপৰীত চবি এটা দেখিবলৈ পোৱা যায় যেতিয়া সন্তানটি স্কুলীয়া জীৱন শেষ কৰি কলেজীয়া জীৱনত ভৰি দিয়ে। কৈশোৰৰ পৰা যৌৱনৰ দুৱাৰদলিত উপনীত হোৱাৰ যিখিনি সময়ত সন্তানক অভিভাৱকে অত্যাধিক সঙ্গ দিব লাগে, সেই সময়খিনিতে আজিৰ অভিভাৱকসকলে সন্তানক অবাধ স্বাধীনতা দি ভুলটো কৰি পেলায়। এই সময়খিনি মানুহৰ জীৱনৰ আটাইতকৈ মূল্যবান সময়। ব্যক্তিৰ অনুসন্ধিৎসা মন, কৰ্মস্পৃহা, সৃষ্টিশীলতা, উচ্চাকাংক্ষা আদি সকলো মনোবৃত্তি এই সময়খিনিতে চূড়ান্ত ৰূপত থাকে। ঠিক কমাৰশালৰ উত্তপ্ত ৰঙা লোহাৰ দৰে। এই সময়ত যিদৰে গঢ় দিয়া যায় সেইদৰেই গঢ় লয় ব্যক্তিৰ ব্যক্তিত্ব। কিন্তু সঠিক অভিভাৱকত্বৰ অভাৱতেই এই বয়সৰ যুৱপ্ৰজন্ম বিপথগামী হোৱাৰ সম্ভাৱনা থাকে।

এজন যুৱক বা যুৱতী কিদৰে বা কি কি কাৰণত ড্ৰাগছৰ জগতত প্ৰৱেশ কৰে? ধৰি লওক প্ৰতিপত্তিশীল ঘৰৰ এজন যুৱক বা যুৱতী উচ্চশিক্ষাৰ বাবে ঘৰৰ পৰা দূৰত থাকি পঢ়িবলৈ গ'ল। ইয়াৰ পূৰ্বে যিহেতু ঘৰত অভিভাৱকৰ তত্বাৱধানত জীৱন কটাইছিল, গতিকে প্ৰথম বাৰৰ বাবে বাহিৰত থাকিবলৈ আহি অবাধ স্বাধীনতাৰ গৰাকী হ'ল আৰু জীৱনটো নতুন ধৰণে চাবলৈ শিকিলে। নতুন নতুন সঙ্গী পোৱাৰ লগতে নিজ হাতেৰে প্ৰথমবাৰৰ বাবে টকা খৰছ কৰিবলৈও স্বাধীনতা পালে। আনহাতে অভিভাৱকেও সন্তানৰ কষ্ট নহওক বুলি জোখতকৈ বেছি টকা পঠাবলৈ ল'লে। ড্ৰাগছৰ ব্যৱসায়ীয়ে এনে যুৱক-যুৱতীৰ সন্ধানতেই থাকে আৰু এবাৰ চলে-বলে কৌশলে নিজৰ আয়ত্বলৈ আনি লোৱাৰ পাছত সেই যুৱক-যুৱতী ড্ৰাগছৰ কবলৰপৰা মুক্ত হোৱাটো প্ৰায় অসম্ভৱ হৈ পৰে।

আনহাতে এনে কিছুমান যুৱক-যুৱতী আছে যি আৰ্থিক সংকটৰ মাজেৰে নিজৰ স্কুলীয়া জীৱন সামৰি উচ্চশিক্ষাৰ বাবে ঘৰৰপৰা বাহিৰলৈ ওলায়। ঘৰৰপৰা পঠোৱা সীমিত টকাকেইটাৰে জোৰাব নোৱাৰি পঢ়াৰ লগতে নিজাকৈ উপাৰ্জনৰ পথ উলিওৱাৰ চিন্তা কৰে। কিন্তু বয়স আৰু অভিজ্ঞতা কম হোৱা বাবে আৰু নগৰীয়া ৰংচঙীয়া জীৱনৰ প্ৰতি আকৰ্ষিত হৈ চমু পথেৰে ধন উপাৰ্জন কৰাৰ মানসেৰে প্ৰথমে ড্ৰাগছৰ ব্যৱসায়ত ধৰে আৰু পাছলৈ নিজেই ড্ৰাগছৰ আসক্ত হৈ পৰে।

আন কিছুমান নিবনুৱা যুৱক-যুৱতী কৰ্মসংস্থাপন বিচাৰি নাপাই বিষাদগ্ৰস্ততাত ভুগি বা মানসিক ভাৰসাম্য হেৰুৱায়ো ড্ৰাগছৰ জগতত প্ৰৱেশ কৰাৰ উদাহৰণ আছে। কিছুমান যুৱক-যুৱতীক ড্ৰাগছ মাফিয়াই ভীতি প্ৰদৰ্শন কৰি বা বিভিন্ন ধৰণেৰে ব্লেকমেইলিং কৰিও জোৰকৈ ড্ৰাগছৰ জগতত প্ৰৱেশ কৰোৱায়।

ড্ৰাগছ আসক্ত যুৱক-যুৱতীয়ে ড্ৰাগছৰ কৱলত পৰি কেৱল নিজৰ জীৱনেই যে ধ্বংস কৰে এনে নহয়। অনে যুৱক-যুৱতীয়ে নিজৰ লগতে নিজৰ পৰিয়ালটো নিঃশেষ কৰে। তাৰোপৰি এনে যুৱক-যুৱতী সমাজৰ বাবে একোটা ব্যধি হৈ পৰে। কাৰণ এনে যুৱক-যুৱতীয়ে ড্ৰাগছৰ বাবে প্ৰয়োজন হোৱা অৰ্থ সংগ্ৰহ কৰিবৰ বাবে অপৰাধমূলক কাৰ্য সংঘটিত কৰে। চুৰি-ডকাইতিৰ ঘটনাবোৰৰ আঁৰত এনে ড্ৰাগছ আসক্ত অপৰাধীৰ সংখ্যাই অধিক। তাৰোপৰি ড্ৰাগছৰ নিচাসক্ত হৈ আৰু সঙ্গদোষত পৰি এনে যুৱক-যুৱতীয়ে হত্যা-ধৰ্ষণ আদি অপৰাধসমূহ সংঘটিত কৰে। ড্ৰাগছৰ জগতখনত হত্যা-অপহৰণ আদি অতি সুলভ অপৰাধ। গতিকে এনে ড্ৰাগছ আসক্ত যুৱক-যুৱতীয়ে গোটেই সমাজখনতে বিষবাস্প বিয়পায়।

এতিয়া প্ৰশ্ন হ'ল কেৱল আৰক্ষী সক্ৰিয় হ'লেই সমাজৰপৰা ড্ৰাগছৰ ভয়াবহতা নাইকিয়া হ'বনে? নহয়, কাৰণ ড্ৰাগছৰ কবলত পৰা যুৱক-যুৱতীক অভিভাৱকেহে সঠিক পথলৈ আনিব পাৰিব। এবাৰ ড্ৰাগছৰ কবলত পৰাৰ পাছত তাৰপৰা ঘূৰি অহাটো সম্ভৱ নহয়, কাৰণ মনটোৰে বিচাৰিলেও শৰীৰটোৰে ড্ৰাগছ অবিহনে বিভিন্ন পাৰ্শ্বক্ৰিয়া দেখুওৱাৰ ফলত আসক্ত ব্যক্তি মানসিক ভাৰসাম্যহীন হৈ আনক হত্যা কৰা বা আত্মহত্যাৰ পথ বাচি লোৱাও দেখা যায়। গতিকে এইক্ষেত্ৰত অভিভাৱকে আজিকালি মনোৰোগ বিশেষজ্ঞ থকা ৰিহেবিলিটেশ্বন চেণ্টাৰৰ লগত যোগাযোগ কৰিব পাৰে। এই ৰিহেবিলিটেশ্বন চেণ্টাৰত আসক্ত ৰোগীসকলক শাৰীৰিক-মানসিক সকলো দিশতে চিকিৎসা প্ৰদান কৰি ভাৰসাম্যলৈ আনিবলৈ চেষ্টা কৰি সফলো হোৱা দেখা গৈছে। কিন্তু এনে চেণ্টাৰৰ পৰা ঘৰলৈ অহাৰ পাছত পুনৰ যাতে ড্ৰাগছৰ পথত ভৰি নিদিয়ে তাৰ প্ৰতি অভিভাৱকসকল প্ৰতিটো ক্ষণ সজাগ হৈ থাকিব লাগিব। এনে ব্যক্তিক কেতিয়াও অকলশৰীয়াকৈ থাকিবলৈ দিব নালাগে আৰু যিকোনো কৰ্মত নিয়োগ কৰি ৰখাৰ লগতে পৰিয়ালৰ সকলোৰে মৰম-চেনেহেৰে আবৰি ৰাখিব লাগে। নতুন পৰিৱেশ পোৱাৰ লগে লগে মন আৰু শৰীৰৰপৰা এটা সময়ত স্বতঃস্ফূৰ্তভাৱে ড্ৰাগছৰ প্ৰয়োজনীয়তা নাইকিয়া হৈ পৰিব।

*ভ্ৰাম্যভাষ: ৭০০২৪৭৭৫১৫*

# বিপন্ন বিহু সংস্কৃতি

❑ ড° অনিল কুমাৰ শইকীয়া

সংস্কৃতিৰ পৰিৱৰ্তন অৱধাৰিত যদিও অসমীয়া সংস্কৃতিৰ বুকুৰ আপোন বিহু সংস্কৃতি অলেখ ঘাট প্ৰতিঘাট অতিক্ৰমী আহি সম্প্ৰতি এই অৱস্থা পাইছেহি। বিহু সংস্কৃতিৰ অগ্ৰগতিত বহুসময়ত অসুস্থ বাতাৱৰণ আৰু দুস্কৃতিৰ আগ্ৰাসনৰ অনিবাৰ্য হৈ উঠা সত্বেও আমাৰ পৰম জ্ঞানবোধৰ দৃঢ়তাই বিহুৰ ঐতিহ্য নিঃশেষ কৰিব পৰা নাই। আজি ডিজিটেল যুগত বহুসময়ত আমাৰ বিহু সংস্কৃতিৰ মূলশিপাডাল বিচাৰি হাহাকাৰ কৰিব লগা হয়।

আমি এই কথাত বিশ্বাস ৰাখিব লাগিব যে সংস্কৃতিৰ মৌলিকতম ভেটিটো সংপৃক্ত হৈ আছে কৃষিজীৱী অসমখনৰ বুকুত। প্ৰকৃততে আমি আজি যি সংস্কৃতিৰ উপাদান আকোৱালি লৈ আগবাঢ়িছো, সেইবোৰ সংস্কৃতিক উপাদান বহু ধ্বংস আৰু সৃষ্টিৰ মাজেদি আহিহে আমাৰ কাষ পাইছেহি আৰু সেইয়া আছিল মূলতঃ কৃষিজীৱী সমাজৰ সংস্কৃতিবান লোকসংস্কৃতি বুলি ভবা হয়। উল্লেখ্য যে সামন্তবাদৰ প্ৰাধান্যৰ সময়চোৱাত এইবোৰ সংস্কৃতিক অভিজাত শ্ৰেণীটোৱে অশিক্ষিত লোকৰ মাত-কথা বুলি ইতকিং কৰিছিল। অষ্টাদশ শতিকাৰ আগলৈকে পৃথিৱীত লোক সংস্কৃতিৰ সন্দৰ্ভত বিশেষ গুৰুত্ব আৰোপ কৰা হোৱা নাছিল। তথাপি সেই সময়ত মধ্যবিত্ত শ্ৰেণীৰ মাজত ইয়াৰ সমাদৰ আছিল। ইয়াৰোপৰি অষ্টাদশ শতিকাৰ শেষৰ ফালে লোকগীতৰ বহু সংকলন প্ৰকাশ পোৱা দেখা গৈছিল। উনৈশ শতিকাৰ শেষৰ দশকত শিক্ষিত সমাজে লোককথা সম্বন্ধে গৱেষণাত মনোনিৱেশ কৰিছিল। সেইটো সময় আছিল পুঁজিবাদ বিকাশৰ সময়। তাৎপৰ্যপূৰ্ণ কথাটো হৈছে যে সেই সময়ত লোকসংস্কৃতিৰ যদি নতুন পুঁজিপতিৰ বুদ্ধিজীৱীসকল আকৃষ্ট হৈছিল। অৱশ্যে ইয়াৰ অন্তৰালত আছিল পুঁজিপতি শ্ৰেণীৰ সামন্তবাদৰ বিৰুদ্ধে কৰা সংগ্ৰামত জনসাধাৰণৰ সমৰ্থন লাভৰ প্ৰচেষ্টা।

এইখিনিতে লোককথা বিজ্ঞানী পল লাৰ্ফাগৰ লোককথাৰ ঐতিহাসিক তাৎতপৰ্য সম্পৰ্কে আগবঢ়োৱা এটা মত উল্লেখ কৰা হৈছে। তেখেতৰ মতে লোককবিতা (আমাৰ বিহুগীত, বনগীত আদি) শ্ৰমজীৱী জনগণৰ জীৱন যাত্ৰা, আচাৰ ব্যৱহাৰ আদিৰ পৰা প্ৰত্যক্ষভাৱে উচ্চাৰিত। জনসাধাৰণে তেওঁলোকৰ মনোভাৱ, হৃদয়াবেগ, অভিজ্ঞতা আদিক কেতিয়াবা গীত বা কবিতাৰ মাধ্যমেদি ব্যক্ত কৰে, যিবোৰত স্বতঃস্ফুটতা আৰু সত্যনিষ্ঠা অতি প্ৰকটৰূপত বিৰাজমান।

আমাৰ সংস্কৃতি যে মূলতঃ কৃষিভিত্তিক তাত সন্দেহ নাই। কিন্তু এতিয়া শিল্পযুগৰ অগ্ৰগতি, ডিজিটেল যুগৰ প্ৰসাৰৰ ব্যপকতা আৰু ভৱিষ্যতেও শিল্প আৰু প্ৰযুক্তিৰ অকল্পনীয় বিকাশ অধিক তীব্ৰতৰ হৈ উঠিব। সেয়া আমাৰ সংস্কৃতিত এনেবিলাক অগ্ৰগতি, সভ্যতাৰ যে প্ৰতিফলন অতিব, সেই সত্যক কিন্তু উপেক্ষা কৰিব নোৱাৰি।

অসমখন বহু জাতি-উপজাতিৰ মিশ্ৰনত গঢ়ি উঠা সংস্কৃতিৰ ৰাজ্য। সেয়ে বিভিন্ন অঞ্চল, বিভিন্ন অনুষ্ঠান আদিত সেই লোকৰ ধ্যান-ধাৰণা আৰু বিকশিত হৈছে। আমিও সেইখিনি নানাভাৱে কালধৰ্ম, লোকাচাৰ বা বিশেষ শ্ৰেণীৰ নতুবা বিশেষ অঞ্চলৰ গোষ্ঠীসমূহৰ মাজত প্ৰচলিত ৰীতি-নীতিক আপোচ কৰি লৈছো। তেনেবিলাকক আমাৰ মাজেদি আৰু প্ৰাকৃতিক পৰিৱেশৰ উপযোগী বুলি ভবাখিনি গ্ৰহণ কৰিছোঁ। আজি সেই সকলো দান আমাৰ স্বকীয় সাংস্কৃতিক অৱদানলৈ পৰিৱৰ্তন কৰি নতুন ৰূপত আকোৱালি লৈছো। প্ৰকৃতাৰ্থত ক'বলৈ গ'লে 'বিচিত্ৰতাৰ মাজত ঐক্য' সেইয়া হৈছে অসমীয়া সংস্কৃতিৰ উৎকৃষ্ট লক্ষণ আৰু পৰমতম সাধনা।

কৃষি সংস্কৃতিৰ গতিশীলতাৰ সংপৃক্ত হৈ আছে আমাৰ পৰম্পৰা আৰু পৰিৱৰ্তন।প্ৰকৃততে ইহঁত দুয়োটাই হাতত ধৰাধৰিকৈ আগবাঢ়ে আৰু দুয়োটাই একেই সত্যকে প্ৰতিপন্ন কৰে। এই কথা প্ৰতিফলন হ'ব যে পৰম্পৰাৰ ওপৰত ভিত্তি কৰিয়েই মানুহে আধুনিক তথা ডিজিটেল সভ্যতাৰ ফালে আগবাঢ়িছে আৰু অতি সম্প্ৰতি 'চুপাৰ হাইটেক' যুগত প্ৰৱেশ কৰিছে। অতীতৰ কৃষি সংস্কৃতিৰ গৌৰৱময় ঐতিহ্যই দীঘলীয়া আৰু কষ্টকৰ পথ অতিক্ৰম যুগে যুগে সৃষ্টি কৰি আহিছে সংস্কৃতিক জীৱনৰ মধুৰতম অৰ্থ, বিকাশশীল পৰম্পৰা নিৰৱধি গতিৰ এখন নদীৰ দৰে যি প্ৰতি মুহূৰ্ততে মানুহৰ কৃষ্টি সংস্কৃতিক বণাঢ্যময় আৰু সমৃদ্ধিশালী কৰি গঢ়ি তোলাৰ প্ৰতিশ্ৰুতি দিব পাৰে।

অসমীয়া জনজীৱনক গভীৰভাৱে জোকাৰি থকা সংস্কৃতিৰ অনন্য প্ৰতীক বিহু উৎসৱ পৰম্পৰাক সাৰটি কিছু নতুনত্বৰে বিকাশশীল পথেদি আগবাঢ়িছে। এই কথা উল্লেখ কৰা ভাল যে, বিহুৰ সাৰ্বজনীন আবেদনে ইয়াৰ যাত্ৰাপথত দেখা দিয়া অলেখ বাধা অতিক্ৰম কৰি মঞ্চত স্বকীয় মৰ্যাদা লাভৰ বাবে এতিয়াও সংগ্ৰাম কৰিব লগা হৈছে। অসমীয়াৰ আটাইতকৈ বুকুৰ আপোন ৰঙালী বিহু উলহ মালহেৰে আছে বহাগ মাহত, বহাগৰ উমাল উষ্ণতাত, আৰ্থিক জীৱনৰ লগত সমন্ধ ৰাখি। সম্প্ৰতি আৰ্থিক দীনতাই, ৰাজনৈকি আৰু সামাজিক অস্থিৰতাই ৰঙালীৰ ৰঙৰ হেঁপাহ ম্লান কৰি পেলোৱাটো লক্ষ্য কৰিবলীয়া বিষয় হৈ পৰিছে। যোৱা বছৰ কভিড ১৯ৰ অতিমহামাৰীৰ সংকমনত পিষ্ট হৈ দেশত তলা-বন্ধ অৱস্থাটোৱে আমাৰ বিহুৰ সময়ত উৎসাহ সম্যক উদ্দিপনা নিঃশেষ কৰিলে। অতি সম্প্ৰতি এই সংক্ৰমণৰ প্ৰাদুৰ্ভাৱ অব্যাহত আছে আৰু অসমৰ নিৰ্বাচনৰ বতৰতে বিহু আদৰাৰ উৎসাহ স্তিমিত কৰি তুলিছে। এনেবোৰক প্ৰত্যাহ্বান জনাই বিহুবলীয়া ৰাইজে ৰঙালীবিহুৰ আনন্দময় মাদকতা লাভৰ প্ৰচেষ্টা অব্যাহত ৰাখিছে। স্পষ্টকৈ ক'বলৈ গ'লে, হাজাৰ বিপদ নেওচি এইবাৰ ৰঙালী বিহু অসমীয়া সমাজখনে উদযাপন কৰিবলৈ সাজু হৈছে।

মঞ্চত থিতাপি লোৱা বিহুৱে সকলোৱে মাজত সাৰ্বজনীনতাৰ চৰিত্ৰৰে এক উৎসাহী ধলৰ সৃষ্টি কৰিছে। পিছে এনে সময়তে আকৌ বিহুৱে অন্য দিশৰ এক প্ৰচ্ছন্ন চৰিত্ৰৰ সৈতে সহঅৱস্থান কৰিব লগীয়া হৈছে। যাৰ ফলত বিহুৰ স্বকীয় মৰ্যাদা লাভৰ অগ্ৰগতিত বাধা আহি পৰিছে। বহুসংখ্যকে বিহু সংস্কৃতিত ঐতিহ্যৰ মূল্যবোধ সামৰি বিহু সৃষ্টিৰ আদিমতখিনিক বিচাৰি নাপায় হতাশাত ভুগিবলগা হৈছে।

সম্প্ৰতি প্ৰযুক্তি তথা ডিজিটেল মাধ্যমত সৰ্বোচ্চ প্ৰাধান্য দি বিহু সমস্কৃতি প্ৰচাৰ আৰু প্ৰসাৰৰ বাবে গ্ৰহণ কৰা প্ৰয়াসে বিহুৰ শুদ্ধতা, যথাৰ্থতা প্ৰতিপন্ন কৰিব পৰা নাই। আমাৰ সকলোবিলাক ডিজিটেল মিডিয়াই বিশ্বায়ন সংস্কৃতিৰ পৰা প্ৰভাৱিত হৈ ৰোমাণ্টিকতাৰ আমেজ থকা বিহুগীত, নাচ প্ৰদৰ্শন কৰি আহিছে আৰু আমাৰ নতুন প্ৰজন্মৰ বহুসংখ্যকে সেইবিলাককে ঘৰে ঘৰে অথবা একাংশই বিহু কৰ্মশাল, বিহু প্ৰশিক্ষণ দি আহিছে। তেনেবিলাক প্ৰশিক্ষিত প্ৰতিযোগী বা বিহু প্ৰদৰ্শনকাৰীয়ে মঞ্চত ঐতিহ্যবিৰোধী বিকৃত ৰুচিবোধৰ প্ৰতিফলন ঘটোৱাত বিহু সংস্কৃতিৰ মূল্যবোধক অপমানিত কৰা হৈছে।

সম্প্ৰতি বিহুত আয়োজন কৰা প্ৰতিযোগিতাবোৰ, অনুষ্ঠানবোৰ মুনাফাকেন্দ্ৰিক অৰ্থসৰ্বস্ব সংস্কৃতিলৈ তথা উগ্ৰবানিজ্যিকৰণ সংস্কৃতিলৈ পৰ্যবসিত হৈছে। এনে অৰ্থস্বাৰ্থৰ বিহু সংস্কৃতিত উজান দিবলৈ ধৰিলে কৰ্পʼৰেট গোষ্ঠী, একাংশ ৰাজনীতিবিদৰ মৰ্যাদা আৰু ভোটকেন্দ্ৰিক মানসিকতাক ......... কৰিব বিচৰাত আৰু অনেক দুৰ্নীতিগ্ৰস্ত লোকে। আনহাতে বহিঃৰাজ্যৰ বা বিদেশৰ কিছুমান অৰ্থসৰ্ব্যৱ সংস্কৃতিৰ প্ৰদৰ্শনমূলক প্ৰভাৱ আমাৰ সংস্কৃতিলৈ আমদানি হ'বলৈ ধৰাত এসময়ৰ বিভিন্ন সংস্কৃতিৰ লগতে বিহু সংস্কৃতিকো কলুসিত কৰি তুলিছে।

আমাৰ বিহু সংস্কৃতিৰ অসমত থলুৱাভাৱে বহু যুৱক নিয়োজিত হৈ আছে যদিও সেই বজাৰখন এতিয়া বহিৰাগত হাটলৈ গুচি গৈছে আৰু আমাৰ থলুৱা ব্যৱসায়ৰ উৎপাদিত সামগ্ৰী বৰ্হিৰাজ্যৰ বণিকসকলে উৎপাদন কৰি অধিক লাভৱান হৈ উঠিছে। আমাৰ এই বজাৰখন বণিকগোষ্ঠীৰ হাতলৈ গুচি গ'লে অসমীয়া সংস্কৃতি বিপদাপন্ন হ'ব আৰু উগ্ৰবানিজ্যিকিকৰণৰ ব্যপকতাত সংস্কৃতিৰ ঐতিহ্য বেহাই যাব আৰু থলুৱা শিল্প উদ্যোগলৈ অশনি সংকেট কঢ়িয়াই আনিবাৰ্যটো থলুৱাভাৱে উৎপাদন কৰা গামোচাখনৰ উৎপাদনৰ ক্ষেত্ৰতেই উপলব্ধি কৰিব পাৰি।

প্ৰকৃততে ভোগবাদী সমাজখনে এতিয়া সংস্কৃতিৰ আদিম ভেটি নিৰ্মাণ কৰা কৃষিজীৱী সমাজখনক চিনি নেপায়। অসমীয়া সংস্কৃতিৰ হিয়াৰ আমঠু হেন বিহু বিশ্বায়নৰূপী দুস্কৃতিৰ আৱৰ্তত সুমুৱাই পেলোৱা হৈছে আৰু কি সংস্কৃতি কি আৰ্থসামাজিক স্থিতি, কি ৰাজনীতিৰ বিশ্বাস সৰ্বত্ৰ অসুস্থ প্ৰতিযোগিতাই ছানি ধৰিছে। ইয়াৰ সম্প্ৰসাৰিত আগ্ৰাসনে মানুহৰ অযুত সাধনাৰ মূল্যবোধক ধ্বংস কৰাই নহয়, ই প্ৰত্যক্ষ কিম্বা পৰোক্ষভাৱে বিকৃত জীৱনবোধক অহৰহ উৎসাহিত কৰিছে। আনন্দময় উৎসৱক প্ৰকৃত মৰ্য্যাদা দিয়াৰ পৰিৱৰ্তে প্ৰতিযোগিতাকেন্দ্ৰীক মানসিকতাই আচ্ছন্ন কৰি ৰখা কৃত্ৰিম আৰু মূল্যবোধহীন আনন্দৰ মায়াজালতহে আজি আমি বন্দী।

উদাৰীকৰণ অৰ্থব্যৱস্থাই সৃষ্টি কৰা ডিজিটেল প্ৰযুক্তিয়ে গ্ৰাম্যসংস্কৃতিলৈ পৰিৱৰ্তন আনিছে। য'ত আমাৰ নতুন প্ৰজন্ম প্ৰবলভাৱে আকৰ্ষিত হৈছে। এনে অনুকূল পৰিৱেশত স্বাভাৱিকতে তৰুণ প্ৰজন্মই নিজৰ স্বাধীন সত্বা উন্মেষ ঘটোৱাত সততাই সচেষ্ট হ'বলৈ

*(৭পৃষ্ঠালৈ...)*

# বহুত দিন কাৰাগাৰলৈ যোৱা নাই

❑ ইলু দেৱী বৰুৱা

বহুত দিন কাৰাগাৰলৈ যোৱা নাই...
বন্ধ কুঠৰীৰ তপ্ত
হুমুনিয়াহবোৰৰ বুজ লোৱা নাই
মনৰ কলৰোল থিৰজুৰে
শুনা নাই...
তেওঁলোক কুশলে মঙ্গলে আছেনে?
বহুত দিন কাৰাগাৰলৈ যোৱা নাই।
মই নিজেই কৰ'নাৰ সন্ত্ৰাসত
ভাৰাক্ৰান্ত
বহুত বাধা-বাধকতা
বহুত অন্তৰায়, কি কৰো?
ওখ প্ৰাচীৰৰ ভিতৰৰ
এই দুৰ্ভগীয়া জাতিটোক
কৰ'নাই স্পৰ্শ কৰিব খোজা নাই?
নে কৰ'নাৰ সংহাৰ লালসাই
সৰ্বগ্ৰাসৰ কুণ্ডলী পকাই... পকাই কুচকাৱাজ
চলাইছে? ফন্দে ফন্দে
ছলে বলে কৌশলে
বেৰাৰ ভিতৰত ঐতিহাসিক
অভিলেখ গঢ়িব খুজিছে?
মোৰ ভয় হয়।
বহুত দিন মই কাৰাগাৰলৈ যোৱা নাই।
প্ৰয়োজনতকৈ অধিক গন্তিৰে
গিজগিজাই থকা বেৰেকবোৰৰ দূৰত্বত থিয়'ৰি
ফলপ্ৰসূ হৈছেনে?
ঔষধালয়
ভোজনালয়
শৌচালয়ত... ভিৰৰ দমদমনি
কমিছেনে?
পোতাশ্ৰয়ৰ বাসিন্দাসকলক
অৱগত কৰিছেনে
সাৱধানতাৰ বতৰা?
এই চেগতে সংশোধনৰ
এখন নতুন বগা কম্বল
ৰুজীয়া টোপোলাত
থ'ব নোৱাৰিনে?
ব্ৰিটিছৰ দিনত থকা
এফুট ওখ এফুট বহল
এবেগেত দূৰত্বৰ
পাঁচফুট দীঘল
এঢলীয়া বিচনাত
কয়দী-আচামী শুইছিল ভৰিৰ
একটা-বিকটা গোন্ধ লৈ।
এতিয়া পুৰণি বেৰেকবোৰ নাই
কিন্তু আবেগ-মৰম-তিক্ততাৰ
ক্ৰম ৰক্ষা কৰা বাসিন্দাবোৰ?
নে ভয়তে ইজনে সিজনক
সাৱটি ধৰিছে...
মাকে সন্তানক ধৰাৰ দৰে
স্বামীয়ে স্ত্ৰীক ধৰাৰ দৰে।
মহৰ কামোৰৰ পৰা ৰক্ষা পাবলৈ একোখন আঠুৱাৰ
ভিতৰত
কোনকেইজন শুইছে?
. . . ওচৰা-ওচৰিকৈ
মুখতে মুখ লগাই; সৎ-মহৎ
চোৰ-দগাবাজ
খুনী-সন্ত্ৰাসবাদী
অপৰাধ সজোৰা কোনো ব্যক্তিকেকৰ'নাই চিনি নেপায়..
নিমূৰ-মূৰা উজাগৰী নিশাৰ
নিৰ্জনন-কক্ষৰ আচামীজন;
তেওঁৰ বন্ধুৱা মনটো
কঁপিছে ঘনে ঘনে কিহৰ যাতনত?
ফাঁচিশালৰ বিভিষিকাতনে. . .
কৰ'নাৰ ভয়ত?
দোভাগ ৰাতি এবাৰলৈ হ'লেও
তেওঁ চাগৈ খিলখিলাই হাঁহিছেও...
দুখত, শোকত, প্ৰতিশোধৰ
তাড়নাত।
ঠিকেই, কৰ'নাৰ মাপনী-তুলাচনী নাই। আৰু নামানে
উচ্চ-নীচ, দোষী-নিৰ্দোষী
নামানে পূজাৰী-মৌলবী-পাদুৰী।
প্ৰতিহত কৰিবলৈ নাই..
কোনো নাই. . .
নাই কপিলা পোছাকধাৰী
পৰমাণু অস্ত্ৰধাৰী
ৰক্ষক-পালক, কাৰা প্ৰহৰী।
বহুত দিন কাৰাগাৰলৈ যোৱা নাই. . .
বহাগত হুঁচৰি গোৱা দলটি
বাহ্-বেতত ৰূপাংকণ
কাৰ্ছিপি কৰা লোকটি
কৃষি-কৰ্ম কৰা দীৰ্ঘম্যাদীসকল,
ন্যায় বিচাৰিবলৈ ক্ষণ গণি থকা
হাজোতী?
মহিলা ফাতেকৰ আজলী
তিৰোতাকেইজনী?
শালত পুলি ভঙা শিপিনী?
কোনজনীৰ গাত লেঠা . . .
কোনজনীৰ কোলাত কেচুৱা?
উকীল ধৰিব নোৱাৰা
সতকাই খালাচ নোপোৱা
ডাল-দৰিদ্ৰ কেইজন. . .
নতুবা 'বাবু-ষ্টাফ'ৰ মল-গৃহ
পৰিষ্কাৰ কৰা
কম-ম্যাদীসকল?
সকলো কুশলে-মঙ্গলে আছেনে?
বহুত দিন মই কাৰাগাৰলৈ যোৱা নাই। ♦

# মই শিল্পীয়ে কৈছো

❑ কৃষ্ণমণি নাথ

হে' শিল্পী
মই তোমাকেই গতালো মোক
মই তোমাতেই বিচাৰিম মোক।

তুমিয়েই নোৱাবা তুমিয়েউ ধুৱাবা
ৰামধেনুৰ সাতো ৰং তুমিয়েই বুলাবা
আন্ধাৰ বাটত তুমিয়েই সিঁচিবা
জোনটি থপিয়াই পোহৰৰ কঠিয়া
প্ৰকৃতিৰ হ'বা তুমিয়েই দাপোন
মুক্ত আকাশৰো হ'বা সপোন

এলান্ধুকলীয়া পৰম্পৰাৰ চিঙি
মানৱতাৰ সিঁচিবা ৰং
নতুনৰ জ্যোতিৰে পোহৰাবা জগত
সলাবা ভাওনাৰ চং

হে' শিল্পী
মই তোমাকেই গতালো মোক
মই তোমাতেই বিচাৰিম মোক।

আৰ্তজনৰ কাষত তুমিয়েই
গাবা জীৱন গীত
প্ৰাচীৰ হৈ তুমিয়েই ৰ'বা
ধুমুহাৰ সলাবা দিশ

চিৰ চেনেহী আইজনীৰ
তুমিয়েই উদাত্ত কণ্ঠ হ'বা
পৰিধিৰ সীমনা ভাঙি সিপাৰে
আইৰ গৰিমা গাবা

তুমিয়েই হ'বা চিৰ প্ৰবাহিত নৈ
হিয়াই হিয়াই থাকিবা বৈ
সাগৰ আকাশ তুমিয়েই হ'বা
তাতেই মোক বিচাৰি চাবা

অনন্ত কালৰপৰা তুমিয়েই
লালন পালন মোক কৰা
তোমাৰ পৰশ অবিহনে জানিবা
মই যে আধৰুৱা

হে' শিল্পী
মই তোমাকেই গতালো মোক
মই তোমাতেই বিচাৰিম মোক।♦

১ পৃষ্ঠাৰ পৰা

# ভাৰত-আমেৰিকা সম্পৰ্কৰ নতুন মোৰ . . .

১৯৮০ চনতে পেলেষ্টাইনৰ নেতা য়াছেৰ আৰাফটৰ PLO ৰ বিৰোধিতা কৰি হামাছৰ জন্ম হয়। প্ৰাৰম্ভিক অৱস্থাত ইজৰাইলে হামাছক পেলেষ্টাইন লিবাৰেচন অৰগেনাইজেশ্বনৰ বিৰুদ্ধে আৰ্থিক ভাৱেও সহায় সহযোগ কৰিছিল যদিও ১৯৭৮ চনত মাত্ৰ ৩ শতাংশ জনসংখ্যা আৰু ১৯৩৮ চনত ৩০ শতাংশ ইহুদীয়ে পেলেষ্টাইনৰ ভূমিত গিজগিজাই থাকিবলৈ লোৱাৰ পৰা ১৯৪৮ চনৰ ১৪ মে তাৰিখে স্বাধীন ইজৰাইল গঠন কৰালৈকে ইহুদী জাতিৰ অতিজাতীয়তাবাদী চৰিত্ৰৰ লগতে এক দীঘলীয়া সংগ্ৰামৰ পৰিক্ৰমাক স্বীকাৰ কৰিবই লাগিব।

শেহতীয়াকৈ যুদ্ধৰ দাবানলৰ লগতে আন্তঃৰাষ্ট্ৰীয় পৰ্যায়তো মেৰু বিভাজনৰ পৰিৱেশৰ সৃষ্টি হ'বলৈ পালে পবিত্ৰ ৰমজান মাহৰ আৰম্ভনিতেই জেৰুজালেমত থকা অল-আক্সা মজজিদত নামাজৰ সময়ত ইজৰাইলী সেনা প্ৰৱেশ কৰি পেলেষ্টাইনৰ মুছলমান ধৰ্মীয় লোকসকলৰ ওপৰত নিৰ্যাতন চলোৱাৰ অভিযোগ হামাছৰ। তদুপৰি ৰাবাৰ বুলেট নিক্ষেপ কৰাত বহুতো মুছলমান লোক আঘাতপ্ৰাপ্ত হোৱাৰ বাতৰি বিয়পাৰ লগে লগে হামাছ ইজৰাইলৰ প্ৰতি খৰ্গহস্ত হৈ পৰে। ইজৰাইলৰ অভিযোগ হ'ল আল-আক্সা মছজিদতেই হামাছৰ সকলোবিলাক কূটনৈতিক কাৰ্য্যকলাপ তথা আলোচনা-বিলোচনা ও গোপন মন্ত্ৰণা কৰা হয়।

হামাছ বিশ্বৰ মাৰাত্মক সন্ত্ৰাসবাদী কাৰ্য্যকলাপৰ অন্য এক নাম। এখন পূৰ্ণাঙ্গ পেলেষ্টাইনৰ সপোন বাস্তবায়িত কৰাৰ লক্ষৰে ইজৰাইল আৰু পশ্চিম উপকূল অঞ্চলত (West Bank)ক সামৰি লৈ বৃহৎ মুছলমান ৰাষ্ট্ৰ গঠনৰ উদ্দেশ্যেৰে ১৯৮৭ চনত হামাছৰ গঠন হয়। Harkat al Mugawama-al-Islamyya ৰ বিশেষতঃ মুছলিম প্ৰত্যেক্ষ সংগ্ৰামৰ (Islamic Resistance Movement) ৰ আধাৰ হিচাপে লৈ গঠিত হোৱা হামাছ নামৰ এই সংগঠনটোৱে দৰাচলতে ১৯৫০ চনৰ পৰাই ইয়াৰ লক্ষ্য প্ৰাপ্তিৰ বাবে কাৰ্য্যকলাপ চলাই আহিছিল। হামাছে PLO ৰ ধৰ্মনিৰপেক্ষ চৰিত্ৰৰ বিৰোন্দ্ৰধীতা কৰিছিল।

১৯৬৭ চনৰ ছদিনীয়া যুদ্ধৰ পাছত ১৯৭০ চনত ইজৰাইলে গাজা ষ্ট্ৰিপ আৰু ওৱেষ্ট বেংকৰ পশ্চিম উপকূল অধিকাৰ কৰাৰ পাছত মুছলিম ব্ৰাডাৰ হুডৰ কৰ্মকৰ্তাসকলে এক বৃহৎ নেটৰ্ৱক স্থাপন কৰি ইজৰাইলৰ ওপৰত প্ৰতিশোধৰ বাবে সুযোগৰ সন্ধানত আছিল।

১৯৮৭ চনৰ ডিচেম্বৰ মাহত ইজৰাইলৰ দ্বাৰা গাজা ষ্ট্ৰীপ আৰু পশ্চিম উপকুল অধিগ্ৰহণ কৰাৰ বিৰুদ্ধে এক বিদ্ৰোহ আৰম্ভ হ'ল আৰু মুছলিম ব্ৰাডাৰহুড আৰু PLO ৰ বিভক্ত গোটটোৱে কিছুমান সদস্যৰে নতুন এক সংগঠন খোলাৰ পৰিকল্পনা তথা আঁচনি প্ৰস্তুত কৰিলে। সেই হামাছেই পৰৱৰ্তী সময়ত ঘোষণা কৰিলে যে পেলেষ্টাইন হ'ল মুছলমানৰ গৃহভূমি। কোনো অমুছলমানৰ বাবে ইয়াত ঠাই হ'ব নোৱাৰে। পেলেষ্টাইনৰ বাবে জাতীয়তাবাদী সংগঠন আৰু বিশ্ব সমূদায়ৰ বাবে হামাছ হ'ল এক কঠোৰ মুছলীম সন্ত্ৰাস সৃষ্টিকাৰী গোট বা সংগঠন। ইউৰোপীয়ান ইউনিয়ন, আমেৰিকা আদি বহুতো পশ্চিমীয়া দেশে হামাছক সন্ত্ৰাসবাদৰ অন্যৰূপ বুলি স্বীকৃতি দিছে। ন'ৰৱে, চুইজাৰলেণ্ড আদি দেশে অৱশ্যে ২০০৭ চনৰ পৰা হামাছৰ অৱস্থিতি গাজা ষ্ট্ৰীপৰ লগত কুটনৈতিক সম্পৰ্ক বজাই ৰাখিছে। (Gaza Strip) PLO ৰ বিৰোধিতাৰে জন্ম হোৱা হামাছে প্ৰাৰম্ভিক অৱস্থাত ইজৰাইলৰ পৰাও সাৰ-পানী পাইছিল বুলি অভিযোগ থাকিলেও বহুতে ইয়াক অস্বীকাৰ কৰি কয় যে হামাছে PLO ৰ বিৰোধিতা কৰা বাবেই এই ধাৰণা লোৱা হৈছে। হামাছৰ লক্ষ্যই হ'ল ইজৰাইলৰ গাজা ষ্ট্ৰীপ আৰু ওৱেষ্ট বেঙ্কক লৈ বৃহত্তৰ পেলেষ্টাইন ৰাষ্ট্ৰ গঠন কৰা।

১৯৯৩ চনৰ ৬ এপ্ৰিলত হামাছৰ দ্বাৰা ইজৰাইলত প্ৰথমটো আত্মঘাটী বোমা বিস্ফোৰণ ঘটোৱা হয় আৰু সেইয়াই আছিল আৰম্ভণি। পেলেষ্টাইনৰ বাবে বিপ্লৱী আৰু পৃথিৱীৰ অন্যান্যৰ বাবে সন্ত্ৰাসবাদী সংগঠন হামাছে ১৯৯৩ চনৰ অছ'ল' শান্তি প্ৰস্তাৱক অগ্ৰাহ্য কৰাত ইজৰাইলৰ তেতিয়াৰ প্ৰধান মন্ত্ৰী Yitzhak Rabin আৰু PLO ৰ নেতা য়াছেৰ আৰাফাটৰ শান্তি প্ৰচেষ্টাক উলাই কৰিয়ে ইজৰাইলত আক্ৰমণৰ গতিধাৰা অব্যাহত ৰাখিলে। ৰাষ্ট্ৰসংঘ, ইজৰাইল আৰু পেলেষ্টাইনৰ নেতা য়াছেৰ আৰাফাটৰ মাজত হোৱা শান্তি চুক্তিৰ বাবে ১৯৯৪ চনত আৰাফাট আৰু ইটজাক ৰবিনক যুটীয়াভাবে শান্তিৰ ন'বেল বঁটাও দিয়া হৈছিল।

পৰৱৰ্তী সময়ত ২০০৬ত গাজা ষ্ট্ৰীপত হোৱা সাধাৰণ নিৰ্বাচনত সংখ্যাগৰিষ্ঠতা আসন লাভ কৰি গাজা হামাছৰ নিয়ন্ত্ৰণলৈ আনে যদিও ওৱেষ্ট বেংক অঞ্চল মধ্যমপন্থী ফাটাহ পাৰ্টিৰ মহম্মদ আব্বাছৰ অধীনতেই থাকিল। এই গাজা ষ্ট্ৰীপৰ পৰাই হামাছে নিজৰ সামৰিক কাৰ্য্যকলাপ চলাই আছে। প্ৰতিৰক্ষাৰ নামত হামাছে ইহুদী প্ৰধান ইজৰাইলৰ ওপৰত ২০০৮, ২০০৯, ২০১২, ২০১৪ আৰু ২০২১ অৰ্থাৎ শেষৰটো আক্ৰমণ চলাইছে।

The Jarusalem Post ৰ উদ্ধৃতি দি ইজৰাইলী গোপন এজেন্সিৰ মতে হামাছৰ হাতত প্ৰায় ৫০০০ৰ পৰা ৬০০০ ৰকেট মজুত আছে য'ত ইছলামিক জিহাদী সন্ত্ৰাসবাদী গোটৰ হাতত থকা ৰকেটৰ সংখ্যা প্ৰায় ৮০০০ হ'ব। সূত্ৰবোৰৰ মজে ইৰাণৰ পৰা হামাছলৈ অস্ত্ৰ-শস্ত্ৰৰ অবাধ সৰবৰাহ হয় চুডান আৰু ইজিপ্তৰ মাজেদি। তদুপৰি হামাছক ধনে-জনে সহায় কৰি থকা ইৰাণ কাট্টাৰ, তুৰ্কীকে ধৰি আন বহুতো ৰাষ্ট্ৰ। অন্যান্য অৰাষ্ট্ৰবাদী সংগঠনৰ (Non State Organization) কথা নকলোৱেই বা।

উল্লেখিত সম্যক ইতিহাসৰ মাজেৰে আজি মধ্য প্ৰাচ্যত ৰণ দুন্দুবি। হামাছে যোৱা ১০ মে'ত প্ৰথমটো ৰকেট আক্ৰমণ চলাই ইজৰাইলৰ ওপৰত। প্ৰত্যুত্তৰত ইজৰাইলেও বায়ুসেনা বাহিনীৰ দ্বাৰা হামাছৰ বচা বচা ঘাটিত বোমা নিক্ষেপ কৰে। এই লেখা প্ৰস্তুত কৰা পৰ্য্যন্ত ধাৰাবাহিক ৰকেট হামাছৰ তৰফৰ পৰা ইজৰাইললৈ নিক্ষেপ কৰা হৈছে যদিও প্ৰায় ৯০ শতাংশ ৰকেট অত্যাধুনিক ৰকেট প্ৰতিৰোধী Iron Dome Intercepter প্ৰযুক্তিৰে ইজৰাইলে প্ৰতিহত কৰে। ইজৰাইলেও ৰকেট নিক্ষেপ কৰাত যুদ্ধই ভয়ানক ৰূপ লৈছে। এতিয়া আন্তঃৰাষ্ট্ৰীয় ৰাষ্ট্ৰগোষ্ঠীয়েও হামাছক সহযোগ কৰিছে যদিও প্ৰত্যেক বাৰেই ইজৰাইলৰ অত্যাধুনিক প্ৰযুক্তিৰ কৌশলৰ ওচৰত পৰাজিত হৈ আহিছে। শেহতীয়াকৈ ইছলামীক ৰাষ্ট্ৰসমূহৰ সংগঠনে (Organization of Islamic Corporation) জৰুৰী বৈঠক আহ্বান কৰিছিল যদিও ৫৭ খন মুছলীম ৰাষ্ট্ৰৰ চাৰিখন ক্ৰমে চুডান, ইউ এ ই, মৰক্কো, বাহৰেইন আদি দেশে হামাছক সহযোগিতা কৰাৰ বিৰুদ্ধে মত প্ৰকাশ কৰাত বিষয়টোৱে জটিল ৰূপ লৈছে। আমেৰিকাই ইজৰাইলক সমৰ্থন কৰাৰ লগে লগে চীনে পেলেষ্টাইনৰ পক্ষত অৱস্থান গ্ৰহণ কৰিছে। ইফালে ইজৰাইলৰ পৰম বন্ধু ভাৰতে সমদূৰত্ব বজাই ৰাখি বক্তব্য প্ৰকাশ কৰিলেও অন্তঃকৰণেৰে ইজৰাইলক সমৰ্থন জনাব বুলিয়েই আন্তঃৰাষ্ট্ৰীয় মহলৰ বিশ্বাস, কাৰণ পাকিস্তান আৰু চীনৰ লগত একেলগে একেখন মঞ্চত ভাৰতৰ স্থিতি একেবাৰে স্পষ্ট হৈ থকাত মুকলিকৈ ইজৰাইলকো সমৰ্থন কৰিব পৰা অৱস্থাতো নাই।

তৃতীয় বিশ্বযুদ্ধৰ ফালে গতি লোৱা এই যুদ্ধই পৰৱৰ্তী আহিবলগীয়া দিনবিলাকত আন্তঃৰাষ্ট্ৰীয় ক্ষেত্ৰখনত সুদূৰ প্ৰসাৰী প্ৰভাৱ পেলাব, ই নিশ্চিত। কেৱল অস্ত্ৰ-সস্ত্ৰৰ উৎপাদক দেশ ইজৰাইলে হয়তো এই যুদ্ধ জিকিব সঁচা, কিন্তু হামাছৰ বাবেও অন্য কৃতিত্ব ৰৈ থাকিব য'ত ২০০৬ চনত গাজাৰ শাসনভাৰ লোৱাৰ পাছত ১.৫ বিলিয়ন ডলাৰ দি হামাছক সহায় কৰা একমাত্ৰ কাট্টাৰৰ বাদে কোনো ৰাষ্ট্ৰই আজি পৰ্য্যন্ত হামাছক স্বীকৃতি দিয়া নাছিল আৰু সেই সন্ত্ৰাসবাদী বুলি পৰিচিত হামাছৰ ইজৰাইল আক্ৰমণ কৰা কাৰ্য্যক সমৰ্থন কৰিবলৈ ওলাই আহিল OIC ৰ সদস্যভূক্ত ৫৩ খন, ৰাষ্ট্ৰ যিটো হামাছৰ বাবে সৰ্বশ্ৰেষ্ঠ স্বীকৃতি। ভাৰত চৰকাৰৰ দ্বাৰা গাজা ষ্ট্ৰীপ আৰু পেলেষ্টাইনৰ বাবে আগবঢ়োৱা Two State Solution ৰ ক্ষেত্ৰত ইজৰাইল অসন্তুষ্ট। ইজৰাইলে বিচাৰিছে পোনপটীয়া সমৰ্থন। ইতিমধ্যে ইজৰাইলৰ প্ৰধনমন্ত্ৰী বেঞ্জামিন ন্যেটন্যাহুৱে টুইটযোগে প্ৰকাশ কৰা সমৰ্থনকাৰী দেশৰ ভিতৰত কানাডা, আলবেনীয়া, অষ্ট্ৰিয়া, অষ্ট্ৰেলীয়া, ব্ৰাজিল, কলম্বিয়া, আমেৰিকা, জাৰ্মেনি, চাইপ্ৰাচ আদি দেশৰ নাম উল্লেখ কৰিলেও ভাৰতক সমৰ্থনকাৰী দেশৰ তালিকাৰ পৰা আঁতৰাই ৰাখিছে, যিটোৱে পৰৱৰ্তী সময়ত আন্তঃৰাষ্ট্ৰীয় মঞ্চত ভাৰতক অসুবিধাত পেলাব পাৰে। কাৰণ ভাৰতে সততে কৈ অহা বা কৰি অহা সন্ত্ৰাসবাদ বিৰোধী কাৰ্য্যৰ প্ৰকৃত মূল্যায়ণ কৰাত সুবিধা অনাগত দিনত কেনেদৰে দাঙি ধৰে সেয়া লক্ষণীয় হ'ব।

শেহতীয়াকৈ হামাছক সমৰ্থন কৰিবলৈ গৈ ইজৰাইলৰ বিৰুদ্ধে পাকিস্তানৰ তৎপৰতা চকুত পৰা ধৰণৰ হৈছে। নিজৰ নাগৰিকক খুৱাব-পিন্ধাব নোৱাৰা ভাৰতৰ প্ৰতিবেশী ৰাষ্ট্ৰখনে ইজৰাইলক আক্ৰমণৰ ভাবুকি দিয়াৰ পৰ্যায়ো পাইছেগৈ। লগে লগে ধৰ্মীয় মেৰুকৰণৰ আন্তঃৰাষ্ট্ৰী বজাৰখন সৃষ্টিৰে পাকিস্তানে তুৰ্কীৰ লগলাগি নতুন সমীকৰণ সৃষ্টিত উঠি-পৰি লাগিছে। লেবাননে ইতিমধ্যে ইজৰাইলৰ ওপৰত তিনিটা ৰকেট নিক্ষেপ কৰাৰ বাতৰি আহিছে।

দ্বিতীয় বিশ্ব খ্যাত ৰাছিয়াই নিজৰ সুৰক্ষা বেষ্টনী তথা সৈন্যঘাটি (Military Base) সুৰক্ষাৰ স্বাৰ্থত ইজৰাইলক সমৰ্থন কৰিব নোৱাৰে। এনেয়ো ৰাছিয়া আৰু ইজৰাইলৰ মাজৰ সম্পৰ্ক সন্তোষজনক নাছিল। ইজৰাইলে ছিৰিয়াৰ ওপৰত ৰকেট নিক্ষেপ কৰাৰ লগে লগে ৰাছিয়াৰ পোনপটীয়া আগমন হোৱাৰ আশঙ্কাই দেখা দিছে আৰু ইয়েই তৃতীয় বিশ্বযুদ্ধৰ সূচনা হোৱাৰ বাট মুকলি কৰি দিব বুলি বিশ্ব সম্প্ৰদায়ে ভাবিবলৈ বাধ্য হৈছে।

(৮পৃষ্ঠাত...)

উপন্যাসিকা

# মৰহা ফুলৰ পাপৰি বুটলি

❑ গজেন বাঢ়ে

পুহ মাহ, পুৱা ৫ বাজিছে। ঘন কুঁৱলীৰ বাবে বেছি দূৰলৈকে মনিব নোৱাৰি। ঠাণ্ডাও যথেষ্ট পৰিছে। যিসকল লোকৰ পুৱা প্ৰাতঃভ্ৰমণলৈ ওলোৱাৰ অভ্যাস আছে তেওঁলোকৰ বাহিৰে অন্য কোনো মানুহ ৰাষ্টাত দেখিবলৈ নাই। এতিয়াও বেছিভাগ লোক লেপৰ উম লৈ শুই আছে। কিছুৱে উঠি অহাৰ এলাহতে হয়টো বিচনা এৰিব পৰা নাই।

পুহ মাহটো শেষ হ'বলৈ কেইদিন আছে বাৰু? পুৱা ৫ বজাতে প্ৰাতঃভ্ৰমণলৈ ওলাই অহা আনন্দ বৰুৱাই কথাষাৰ মনতে গমি-পিতি হিচাপ কৰি চালে।

অ' হয়তো আৰু আঠদিনমানহে আছে। তাৰমানে মাঘবিহুৰ উৰুকা পালেহিয়েই। কথাষাৰ মনত পৰাৰ লগে লগে আনন্দ বৰুৱাৰ গাঁৱৰ ঘৰখনলৈ মনত পৰি গ'ল। কিযে দিন আছিল তেতিয়া। মাঘ বিহুৰ উৰুকা বুলি ক'লে গোটেই গাঁৱৰ লোক একগোট হৈ পথাৰত মেজি সজা, ভেলা ঘৰ সজা এই কামবোৰ ল'ৰাৰ পৰা ডাঙৰলৈকে একগোট হৈ পোন্ধৰ-বিশ দিন আগেৰে পৰা আৰম্ভ কৰি দিয়ে। গাঁৱৰ জীয়ৰী-বোৱাৰী সকলে পিঠা-পনা বনোৱা, সান্দহ খুন্দা আদি বিভিন্ন কামত ব্যস্ত হৈ পৰে। প্ৰতিঘৰতে ঢেকীৰ শব্দ। বয়োজ্যেষ্ঠজনকে ধৰি ল'ৰা-ছোৱালী, ডেকা-গাভৰু সকলোৱে মেৰ পাতি বহি মেজি ভোজ খোৱাৰ আনন্দই সুকীয়া আছিল। এতিয়া চহৰতটো বাদেই গাঁৱতো সেই পৰিৱেশ নাইকিয়া হ'ল। চুকে চুকে দুই-তিনিঘৰ লগ লাগি ঘৰৰ চোতালতে কিছু লোকে এসাজ খাই মেজি ভোজ বুলি। মাথো পৰম্পৰাটো ৰক্ষা কৰিবৰ বাবে। চহৰতটো এইবোৰ পৰম্পৰা লোপ পালে বুলিলেও বঢ়াই কোৱা নহ'ব চাগে। কথাবোৰ মনতে ভাবি আহি থাকোতে যোৰহাট নগৰৰ জেইল ৰোডেৰে কিমান দূৰ পালেহি আনন্দ বৰুৱাই ধৰিবকে নোৱাৰিলে। পাছে পাছে আহি থকা প্ৰহ্লাদ দত্তই পিছফালৰ পৰা মাত দিলতহে সম্বিৎ ঘূৰি আহিল-

- কি হ'ল বৰুৱা, আজি ইমান দূৰ পালেহিযে? আজি লগত কলিতা নাই নেকি?

প্ৰতাপ কলিতা, আনন্দ বৰুৱাৰ চুবুৰীয়া ও প্ৰাতঃভ্ৰমণৰ সঙ্গী।

- অ' দত্ত, আপুনি পিছে পিছে আহি আছে বুলি গমেই পোৱা নাছিলো। কলিতা যোৱা কালি ডিব্ৰুগড়লৈ গ'ল ভনীয়েকৰ ঘৰলৈ, গতিকে আজি অকলেই আহিলো। মাঘবিহুটোৰ কথাকে ভাবি আহিছিলো, পালেহিয়েইচোন। বৰ খৰখেদাকৈ দিনবোৰ পাৰ হৈ যায় হে'। এইবাৰ বোলো গাঁৱৰ ভাইটোৰ ঘৰলৈকে যাওঁগৈ নেকি বিহুটো পাতিবলৈ। বহুদিন হ'ল গাঁৱলৈও যোৱা হোৱাই নাই। এইবোৰ কথাকে ভাবি আহোতে ইমানদূৰ পালোহি। ইফালে আজি লগত কলিতাও নাই মনত পেলাই দিবলৈ।

- হে... হে... হয় নেকি? ব'লক আৰু অলপ দূৰ মোৰ লগতে, মোৰো লগ এটা হ'ব।

- এহ... ব'লক তেতিয়াহ'লে, কুঁৱলীও পাতল হোৱা নাই। ঘৰলৈ গৈ কিনো কৰিম। ইফালে আনদিনাতকৈ আজি অলপ সোনকালো হ'ল ওলাই অহা। ব'লক তেতিয়া হ'লে...

ৰাস্তাৰ দাঁতিৰ দোকানঘৰৰ বাৰান্দাত শুই থকা ভতুৱা কুকুৰ তিনিটামানে দুয়োজনকে দেখি ভুকি উঠিল, সিহঁত শুই থকাৰ বাবে দুয়োজনে আমনি দিবলৈহে আহিছে যেন। দুটা কুকুৰে দুয়োজনৰ ফালে আগবাঢ়ি অহা দেখি বৰুৱাই হাতত থকা সৰু লাখুটিডাল দাঙি ল'লে, তাকে দেখি কুকুৰ দুটাই পিছ হুঁহকি গ'ল।

- বুজিছে দত্ত... ইহঁতৰ বাবেই হাতত এইডাল লৈ আহিব লগা হয়, নহ'লে কেতিয়াবা পিছে পিছে খেদিয়েই আহে।

- হয় দেই, উপায় নাই।

- দত্ত ইয়াৰ পৰা ঘূৰি দিও ব'লক, সময়ো হৈছে। বেলিয়েও ভুমুকি মাৰিছে, ঘৰত গৈ গৰম চাহ একাপ খালেহে দেহাটো সতেজ অনুভৱ হ'ব।

- ব'লক তেতিয়াহ'লে...

লাহে লাহে পূৱ আকাশত বেলিটোৱে দেখা দিছে। বেলিটোৱে ঘন কুঁৱলীৰ লগত যেন সংগ্ৰামহে কৰিছে পৃথিৱীত পোহৰ বিলাবলৈ। কোনো মতে অ'ত-ত'ত চকা-চমকাকৈ ৰ'দ পৰিছে। ঘৰ পাবলৈ এক কিলোমিটাৰমান থাকোতে সেউজ নগৰলৈ সোমাই যোৱা গলিটোৰ কাষত পৌৰসভাই পাতি দিয়া ডাষ্টবিনটোৰ কাষত কেইগৰাকীমান মহিলা আৰু পুৰুষে জুম বান্ধি কিবা এটা চাই আলোচনা কৰি আছে। বৰুৱা আৰু দত্তই কিনো হৈছে বুলি ভাবি চাবলৈ দুয়ো আগবাঢ়ি গৈ যি দৃশ্য দেখিলে দুয়োৰে চকু থৰ হৈ ৰ'ল। সভ্য সমাজৰ সভ্য লোক বুলি ফিটাহি মাৰি ফুৰা আৰু নিজকে জীৱ শ্ৰেষ্ঠ বুলি প্ৰমাণ দিয়া এই মানুহ নামৰ প্ৰাণীবিধে যে এনে নিকৃষ্ট কামো কৰিব পাৰে ভাবিলে আচৰিত লাগে। কোনোবা এজনে পুলিছলৈ ফোন কৰিছে- বৈদ্যুতিন মাধ্যমৰ চেনেল কেইটাই কেনেকৈ খবৰবোৰ ইমান তৎকালে পাই ভাবিলে আচৰিত লাগে। সিহঁত যেন সৰবজান। সকলো ঘটনা সিহঁতৰ নখদৰ্পনত। হুৰমুৰকৈ কেইটামান টিভি চেনেলৰ গাড়ী আহি দৃশ্য গ্ৰহণ কৰাত ব্যস্ত হৈ পৰিল। লগে লগে আৰম্ভ হ'ল ডিঙিৰ শিৰ ফুলি যোৱাকৈ ঘেঁহাই ঘেঁহাই চিয়ঁৰি বাতৰি সম্প্ৰচাৰণ কৰা কাৰ্য্য। বৰুৱা আৰু দত্ত অলপ আঁতৰি আহিল তাৰ পৰা। পুলিছৰ গাড়ী আহিল। কোনোবা এগৰাকীয়ে আলফুলকৈ ডাঙি আনিছে ডাষ্টবিনৰ পৰা গৰম কাপোৰেৰে মেৰিয়াই থোৱা এটি এক দুই দিনীয়া দেৱশিশু। আচৰিত কথা যে এই ঠাণ্ডাৰ মাজতো শিশুটিয়ে বহু কষ্ট কৰি উশাহ লৈ আছে। লগে লগে চিকিৎসাৰ বাবে পুলিছে শিশুটি যোৰহাট চিকিৎসা মহাবিদ্যালয়লৈ লৈ গ'ল।

----

আনন্দ বৰুৱা। যোৰহাট জেইল ৰোডৰ শান্তি পুৰৰ নিবাসী। আচল ঘৰ যোৰহাটৰে এখন ভিতৰুৱা মৰঙীয়াল গাঁৱত। গাঁৱৰ স্কুলতে হাইস্কুলৰ শিক্ষা সমাপ্ত কৰি উচ্চ শিক্ষাৰ বাবে যোৰহাট জগন্নাথ বৰুৱা মহাবিদ্যালয়ত নামভৰ্তি কৰে। শিক্ষা সমাপ্ত কৰি কোনো এটা বিভাগতে জীৱনৰ অতিকৈ প্ৰয়োজনীয় স্থায়ী চৰকাৰী চাকৰি এটা যোগাৰ কৰিব নোৱাৰি শেষত গাঁৱৰ ঘৰলৈ গুছি গ'ল। তাতো বেছিদিন আনন্দ বৰুৱাৰ মন নবহিল। গাঁৱৰ ঘৰত দেউতাকৰ লগতে খেতি-বাতি কৰি দুবছৰমান অতিক্ৰম কৰিলে। ইফালে ঘৰত ভায়েক, ভনীয়েকক বুঢ়া দেউতাকে জোৱা টাপলি মাৰি যেনেতেনে পঢ়ুৱাই আছে। অৱশেষত আনন্দ বৰুৱাই গড়কাপ্তানি বিভাগত ঠিকা কামৰ বাবে পঞ্জীয়ন কৰাই ল'লে। চাওঁতে চাওঁতে আনন্দ বৰুৱাই ইটোৰ পিছত সিটো কাম পাবলৈ ধৰিলে আৰু কম দিনৰ ভিতৰতে বৰুৱা এজন ভাল ঠিকাদাৰ বুলি পৰিচিত হ'ল। বৰুৱাই কোনো কামতে গাফিলতি নকৰে। সকলো কাম নিয়াৰিকৈ কৰা বৰুৱাৰ এটা অভ্যাস। এতিয়া ভায়েক-ভনীয়েকৰ কথা দেউতাকে চিন্তা কৰিব নালাগে। সকলো আনন্দ বৰুৱাই সমাধান কৰে। দেউতাকৰ বয়সো হৈছে, এতিয়া আৰু পথাৰত হাল-কোৰ বাই খেতি কৰিবলৈ দেহাই নাটে। ঘৰখনৰ তাগিদাতে আনন্দ বৰুৱাই বিয়াখন পতাৰ নিচিনা হ'ল। নহ'লে সি নিজেই বিয়াৰ কথা কাহানিও ভবা নাছিল। নিজৰ জীৱনটো গঢ় দিবলৈ আৰু ঘৰখনৰ কথা চিন্তা কৰোতেই দিনবোৰ অতিবাহিত হৈ যায়। সকলোৱে ভাত খাই থকাৰ অৱস্থাতে এদিন মাকে আকৌ ক'লে-

- আনন্দ তোৰ বিয়াখনৰ কথা চিন্তা কৰা দিনবোৰ পাৰহৈয়ে গৈছে দেখোন। তয়ো প্ৰতিবাৰতে বিয়াৰ কথা ক'লেই ফালৰি কাট। ভাতৰ পাতত বহি থকা অৱস্থাতে মাক-দেউতাকে কথাষাৰ উলিয়ালে। ভায়েক-ভনীয়েকেও কথাষাৰত হয়ভৰ দিলে।

- মই এইবোৰ কথা চিন্তায়ে কৰা নাই। তহঁতিয়ে যি কৰ কৰ।

- মানে?... হেৰৌ তই ছোৱালী নাচালে আমি ক'ত ছোৱালী বিচাৰি ফুৰিম?

- ছোৱালী আকৌ কিয় বিচাৰিব লাগে? দাদাৰ সেই কলেজীয়া বান্ধৱী বোকাখাটৰ মিতালী ফুকন দেখোন আছেই। আগতে দেখোন দুয়োটাৰ যোৰা নাভাগেই, এতিয়া ইমান পাহৰি গলিনে দুয়োটাই? ভায়েক অপূৰ্বৰ কথা শুনি মুখলৈ ভাতগৰাহ নিব খুজি হাতখন আধাতে ৰৈ গ'ল। কাষতে বহি ভাত খাই থকা ভায়েকলৈ কেৰাহিকৈ চালে আনন্দই।

ভাত-পানী খাই বিচনাত ওপৰমুৱাকৈ পৰি আনন্দই কথাবোৰ আকৌ চিন্তা কৰি চালে। হয়তো, ভায়েকৰে বিয়া পাতিবৰ হ'ল। সিয়ো চাগে সংসাৰখন পাতিবলৈ মন মেলিছে। এতিয়া তাৰ চাকৰি এটাও হ'ল। আজি এবছৰমান আগতে ওচৰতে থকা আনখন গাঁৱৰ এল পি স্কুলখনত গণিতৰ শিক্ষক হিচাপে নিযুক্তি পাইছে। ভনীয়েকৰ বিয়াৰ কথাও আছে। মাক-দেউতাকৰো যথেষ্ট বয়স হৈছে। সিহঁতৰোতো মন যায় ডাঙৰ বোৱাৰীৰ হাতে এসাঁজ খাবলৈ। মিতালীক সি পাহৰা নাই। এতিয়াও সিহঁতৰ মাজত ফোন যোগে ভাল বেয়া খবৰ ৰাখে। তাই কলেজীয়া শিক্ষা শেষ কৰিয়েই ঘৰলৈ গুছি গৈছিল। ঘৰত তাইৰ বিয়াৰ বাবে উঠিপৰি লাগিছিল। প্ৰত্যেক মাক-দেউতাকৰ দৰে ঘৰখনৰ সকলোৱে আশা কৰে পৰিয়ালটোৰ একমাত্ৰ ছোৱালীজনী এটা ভাল পৰিয়ালৰ, এজন ভাল ল'ৰা চাই বিয়া দি নিশ্চিন্ত হ'বলৈ। মিতালীৰ ঘৰখনো ব্যতিক্ৰম নাছিল। কিন্তু নিয়তিয়ে সকলোৰে আশাবোৰ পূৰ হ'বলৈ নিদিয়ে।

সেই দিনটোৰ কথা এবাৰ মনত পেলাই চালে আনন্দই। সিও তাইৰ বিয়ালৈ গৈছিল নিমন্ত্ৰণ ৰক্ষা কৰি। এজন বন্ধু হিচাপে আনন্দই বিয়া ঘৰৰ কামত হাত বতাই দিছিল। মিতালী আৰু আনন্দৰ বন্ধুত্বক আনে কি ভাৱে লয় তাক সিহঁতি একো চিন্তা নকৰে। কিন্তু দুয়োৰে মাজত ইজনে সিজনক বুজি পোৱাকৈ এটা বন্ধুত্বৰ বান্ধোনৰ বাদে একো নাছিল।

----

ডিব্ৰুগড়ৰ পৱন গোহাঁই পৰিয়ালৰ একমাত্ৰ পুত্ৰ অৰ্ণৱ গোহাঁই। অৰ্ণৱ আছিল ডিব্ৰুগড় মহাবিদ্যালয়ৰ অসমীয়া বিভাগৰ প্ৰৱক্তা। মাক দেউতাক আৰু ভনীয়েকৰ সৈতে এটা সুন্দৰ আৰু সুখী পৰিয়াল। চিনাকি সূত্ৰে মিতালীৰ বৰদেউতাকৰ ঘৰলৈ অৰ্ণৱৰ দেউতাক আহ-যাহ কৰোতে মিতালীক লগ পাই এদিন বোৱাৰী কৰি নিবলৈ মন মেলিছিল। মিতালীৰ পৰিয়ালেও তেনে এখন ঘৰৰ পৰা প্ৰস্তাৱ পাই কোনো মতে হেৰুৱাব খোজা নাছিল। সময়ত ৰীতি-নীতি মতে ধুমধামেৰে দুয়োৰে বিবাহ কাৰ্য্য সম্পন্ন হ'ল। ছোৱালী বিদায় দিয়ালৈকে সকলো কাম সুকলমে সমাধা হোৱাত শান্তিৰ নিশ্বাস ল'লে। ভাগৰে জোগৰে দুই এজনে ঘুমতি মাৰো বুলি বিছনাত উঠিল। কিন্তু শান্তিৰ নিশ্বাস লৈ ঘুমতি মাৰিবলৈ নিয়তিয়ে নিদিলে কোনো এটা পৰিয়ালকে। দুয়োটা পৰিয়ালৰে সুখ আনন্দত সন্তুষ্ট যেন নহ'ল প্ৰকৃতি। বিবাহ কাৰ্য্য সম্পন্ন কৰি দৰাই কইনা লৈ ঘৰলৈ ঘুৰি যোৱা আঢ়ৈ ঘণ্টামানৰ পিছতে সেই দুঃসংবাদটো আহিল মিতালীহঁতৰ পৰিয়াললৈ। সকলো যেন বাকৰুদ্ধ হৈ পৰিল। হাঁহিম নে কান্দিম কোনেও একো ভাবি নাপাই সকলো ঠাইতে নিঠৰ হৈ পৰিল। মিতালীৰ মাকে খবৰটো শুনি লগে লগে অচেতন হৈ পৰিল। কইনা লৈ গৈ থকা অৱস্থাত দৰা-কইনা যোৱা গাড়ীখনে ঘন কুঁৱলিত একো নেদেখি পুৱতি নিশা নিয়ন্ত্ৰণ হেৰুৱাই এজোপা গছত খুন্দা মাৰিলে। সকলোৰে অৱস্থা সংকটজনক। এসপ্তাহ দিন মেডিকেলত মৃত্যুৰে সৈতে যুঁজ দি অৱশেষত ড্ৰাইভাৰ, দৰা আৰু লগত যোৱা দৰাৰ সম্বন্ধীয় নবৌয়েকে নিয়তি ওচৰত হাৰ মানিলে। কিন্তু মিতালী দীৰ্ঘদিনৰ চিকিৎসাৰ মূৰত এদিন সুস্থ হৈ উঠিল। মাক-দেউতাকে নিজেই মেডিকেলৰ পৰা তাইক আকৌ ঘৰলৈ ঘূৰাই আনিলে। কিন্তু কি হ'ব; তাই যেন একেবাৰে বোবা হৈ গৈছিল। জীৱনটো আৰম্ভ কৰাৰ আগতেই সকলো হেৰুৱালে। কোনোবাই কয় ছোৱালীয়েই কুলক্ষণী। বেচেৰা অৰ্ণৱে তাইক বিয়া কৰোৱাৰ লগে লগে ইহ সংসাৰ ত্যাগ কৰিব লগা হ'ল। দুৰ্ঘটনাটোৰ পাছত আনন্দই বহুদিন মেডিকেলত থাকি মিতালীহঁতৰ পৰিয়ালটোক ইটো সিটো কামত সহায় কৰি দিছিল।

এদিন আনন্দ মিতালীহঁতৰ ঘৰলৈ গৈ তাইক সাহস দিছিল। জীৱনটো নতুনকৈ আৰম্ভ কৰিবলৈ, সকলো কথা আগৰ দৰেই ভাবিবলৈ পৰামৰ্শ দিছিল। তাৰ সাহতে এদিন বোকাখাটৰে এখন ব্যক্তিগত বিদ্যালয়ত শিক্ষয়িত্ৰী হিচাপে সাক্ষাৎকাৰ দিছিল আৰু নিযুক্তিও পালে। কথাবোৰ ভাবি ভাবি এতিয়া আনন্দই কি সিদ্ধান্ত ল'ব একো ঠিৰাং কৰিব নোৱাৰিলে।

আনন্দহঁতৰ পৰিয়ালে ভবাৰ দৰে তাইৰ ১৪ পৃষ্ঠালৈ...

১৩ পৃষ্ঠাৰ পৰা

# মৰহা ফুলৰ পাপৰি বুটলি......

প্ৰতি তাৰ এনে ভাৱ নাই। কিন্তু ঘৰৰ কথাও পেলাব নোৱাৰি। সঁচাকৈ বিয়াখন পাতিবৰ হ'ল। তাইক সি বিয়া পতাত একো আপত্তি নাই। অন্ততঃ আগৰে পৰা পাই থকা মিতালীক সি জানে আৰু বুজি পাই দুয়োৱে দুয়োকে। আনন্দৰ মাক দেউতাকে বা ভায়েক-ভনীয়েকেও তাইক বুজি পায় আৰু জানে, সেয়েহে আপত্তি নকৰে। যদিওবা সিহঁত গাঁৱলীয়া পৰিৱেশত থকা মানুহ, আনন্দৰ মাক দেউতাকে এনেবোৰ অন্ধবিশ্বাস মানি নাথাকে। কিন্তু, সমাজে বা মিতালীহঁতৰ পৰিয়ালে কি ভাবে। কথাষাৰ কেনেদৰে লয়। মিতালীয়ে বা কি বুলি ভাৱে। এইবোৰ কথা চিন্তা কৰি কৰিয়ে আনন্দৰ অৱশেষত টোপনি আহিল।

----

আনন্দৰ মাক-দেউতাকে এদিন বংশৰ পৰিয়ালক গোটাই বিয়াখনৰ কথা আলোচনা কৰিলে। সকলোৱে মনবোৰ ভৰি পৰিল তাৰ বিয়াৰ কথা চিন্তা কৰা দেখি। ছোৱালী কোন জানিব খোজাত আনন্দৰ মাকে যেতিয়া মিতালীৰ কথা ক'লে সকলো অবাক হৈ পৰিল।

- তহঁতে আৰু ছোৱালী বিচাৰি নাপালি তাৰ বাবে। গিৰিয়েকৰ ঘৰ নৌ পাওঁতেই যিজনী ছোৱালী বিধবা হ'ল সেই বিধবাজনীকহে তহঁতে বিচাৰি পালিগৈ। আমাক নক'লি কিয়? তাইতকৈ আমি বহুত ভাল ছোৱালী চাই দিলো হেতেন।

আনন্দৰ মোমায়েকৰ কথাত সকলোৱে হয়ভৰ দিলে। অ' আমি আছিলো নহয় তাৰ বাবে ছোৱালী বিচাৰিবলৈ।

- আপোনালোক মানে এতিয়াও সেই পুৰণিকলীয়া অন্ধবিশ্বাসবোৰকে লৈ জীয়াই আছে? আজি মানুহ ক'ৰ পৰা ক'ৰ পালেগৈ আৰু আপোনালোক? আটাইতকৈ ডাঙৰ কথাটো হ'ল সি যে বিয়াৰ বাবে মান্তি হৈছে তাতেই আমি সন্তুষ্ট। ছোৱালী জোনেই নহওঁক কিয়? আৰু তাইৰ গাতনো কি দোষ। ভাগ্যত থকা এটা ঘটনা তাইৰ জীৱনত ঘটি গ'ল। সেই বুলি তাইটো এলাগী হৈ পৰা নাই। তাইৰোটো এটা জীৱন আছে, নিজৰ অধিকাৰ আছে জীৱনটো গঢ়াৰ। সেই দুৰ্ভগীয়া ছোৱালীজনীক যদি মোৰ দাদাই বিয়া কৰাই আমাৰ কিন্তু একো আপত্তি নাই, বৰঞ্চ আমি গৌৰৱহে কৰিম যে মোৰ দাদাই মিতালীক বিয়া কৰাইছে। আপোনালোকে যি ভাৱে সেইটো আপোনালোকৰ কথা। আৰু এটা কথা নহয়, তাইৰ দৰে ঘটনা এটা যদি কাইলৈ মোৰ ক্ষেত্ৰটো ঘটে তেতিয়াহ'লে আপোনালোকে কি কৰিব? আনন্দৰ ভনীয়েক প্ৰণামীৰ কথা শুনি সকলো মনে মনে ৰ'ল।

- তথাপিও, কথাটো আকৌ এবাৰ চিন্তা কৰি চাবি। পেহীয়েকে আকৌ এবাৰ ক'লে।

- নহয় পেহী, আপোনালোকেই ভাৱক, দাদাৰ বিয়াৰ বয়স পাৰ হৈ যাবৰ হৈছে। আৰু সি বিয়াৰ কথা ক'লেই ফালৰি কাটে। ইমানদিন চিঞৰাৰ পাছত যেতিয়া সি মান্তি হৈছে তাতনো আমাৰ কি আপত্তি থাকিব পাৰে। আগৰ পৰাই সিহঁতৰ যেতিয়া চিনা-পৰিচয়, বুজা-পৰা আছে গতিকে আমি ভাবো একো অসুবিধা নহ'ব, মিতালীকতো আপোনালোকে পাইছেই। তাই জানো বেয়া ছোৱালী। আমি তাইৰ জীৱনত কোনো ঘটনা ঘটা নাই বুলি ভাবি ল'লেই হ'ল। তাইৰ লগত সংসাৰ কৰিব দাদাই। গতিকে সেইটো দাদাৰ দায়িত্ব। দাদাই যেতিয়া তাইৰ আগৰ ঘটনাৰ বাবে চিন্তা কৰা নাই আমাৰো নাই। আমি মুঠতে মান্তি হ'লেই হ'ল।

কথাবোৰ সকলোৱে ভাবি-চিন্তি মান্তি হ'ল। কিন্তু মিতালী আৰু মিতালীহঁতৰ ঘৰখন মান্তি হ'বনে নাই সেই কথা চিন্তা কৰিলে আনন্দৰ মাক-দেউতাক আৰু ভাই-ভনীয়েকে। অতীজৰে পৰা বন্ধুত্বৰ বান্ধোনেৰে বান্ধ খাই থকা সম্পৰ্কটোক বেলেগ এটা সম্পৰ্কৰ নাম দিবলৈ ইমান সহজ হ'ব জানো দুয়োৰে বাবে? আনন্দই বাৰু মত দিছে, মিতালীয়ে বা কি কয়।

হঠাৎ এদিন অপূৰ্ব, মাক আৰু ভনীয়েক আনন্দৰ গাড়ীখন লৈ মিতালীহঁতৰ ঘৰত উপস্থিত হ'লগৈ। কোনো খবৰ নিদিয়াকৈ হঠাৎ সিহঁত গৈ উপস্থিত হোৱাত সকলোৱে অবাক মানিলে। সেইদিনা দেওবাৰ, মিতালীও ঘৰতে আছিল। আলহী শুশ্ৰূষাৰ পাছত সকলোৱে বাৰান্দাত বহি ইটো সিটো কথা পাতি আছে। মিতালীয়ে প্ৰণামীক লৈ তাইৰ নিজৰ ৰুমত কথা পতাত ব্যস্ত। কথাৰ মাজতে প্ৰণামীয়ে মিতালীৰ আগত প্ৰসঙ্গটো উলিয়ালে।

- অকনমানো যদি বেয়া নোপোৱা মই তোমাৰ ভনীয়েক হিচাপে কথা দুটামান সুধিব বিচাৰিছো যদি অনুমতি দিয়া?

- কি কথানো? ইমান চিৰিয়াচ হৈ সুধিছাযে? মই জানো তোমাক নিজৰ ভণ্টিতকৈ কোনো গুণে কম ভাৱো? কোৱা কি কথা?

- জীৱনটো এনেদৰেই পাৰ কৰিম বুলি ভাবিছা নেকি? কিবা চিন্তা কৰিছানে?

- মানে মই বুজা নাই প্ৰণামী?

- নহয় মানে, জীৱনত ঘটি যোৱা ঘটনাবোৰৰ স্মৃতি লৈয়ে জীয়াই থাকিম বুলি ভাবিছা নেকি? আকৌ এবাৰ চিন্তা কৰা নিজৰ কথা। এনেকৈ ঘৰতে থকাতকৈ কাৰোবাৰ লগত সংসাৰখন নতুনকৈ গঢ়িব নোৱাৰি জানো? তোমাৰ কথা বাদ দি মা-দেউতাৰ কথা এবাৰ ভাবাচোন? তোমাক নক'লেও তেখেতসকল কিমান কষ্টত জীৱন কটাইছে তোমাৰ কথা চিন্তা কৰি, এবাৰ ভাবি চাইছানে?

- তুমি বৰ সহজকৈ কৈ পেলাইছা কথাবোৰ প্ৰণামী। মোৰ নামটোৰ আগত কেইটামান শব্দ যোগ হৈ আছে, যাক মানুহে কুলক্ষণী, স্বামীহাৰা, বিধবা বুলি অভিহিত কৰিছে। গতিকে মোৰ দৰে এজনীক আকৌ বিয়া কৰাবলৈ কাৰ ইমান মৰসাহ হ'ব কোৱা। তাতে সমাজে কি বুলি ক'ব।

- তুমি যি সমাজৰ কথা কৈছা, তোমাৰ কথা সমাজে চিন্তা কৰিছে জানো? তোমাৰ মা-দেউতা যেতিয়া এই সংসাৰৰ পৰা আঁতৰি যাব তেতিয়া তোমাৰ অৱস্থাটোৰ কথা কোনোবাই জানিবলৈ বিচাৰিবনে। এইটো তোমাৰ জীৱন, তুমি কিদৰে জীয়াই থাকিব বিচাৰা, তোমাৰ জীৱনটো কিদৰে গঢ় দিবা, সেইটো তোমাৰ নিজস্ব অধিকাৰ আছে। তুমিযে কৈছা তুমি যদি অনুমতি দিয়া তেতিয়াহ'লে আমাৰ ঘৰখনে সেই মৰসাহ কৰিব বিচাৰো।

- মানে কি ক'ব খুজিছা তুমি...?

- হয় তুমি ঠিকেই শুনিছা, আমাৰ ঘৰখনে এই মৰসাহ কৰিব বিচাৰিছো। ইমানদিনে ডাঙৰ দাদাক বিয়া কৰাবলৈ মান্তি কৰাব নোৱাৰিলো। অৱশেষত সকলোৰে কথা ৰাখি সি বিয়া কৰাবলৈ মান্তি হৈছে আৰু আমাৰ ঘৰখনৰ সকলোৱে তোমাৰ কথাকে ভাবিছে। আমি জানো, তোমাৰ আৰু দাদাৰ মাজত বন্ধুত্বৰ সম্পৰ্কৰ বাদে আন একো সম্পৰ্ক নাই। তোমালোকৰ বন্ধুত্ব নিভাঁজ। কিন্তু এই সম্পৰ্কটো জানো আন এটা সম্পৰ্কলৈ পৰিৱৰ্তন কৰাত কিবা আপত্তি বা অসুবিধা থাকিব পাৰে। আমি তোমাক দয়া বা কৃপা কৰা নাই। তোমাক আমাৰ ঘৰখনে আগৰে পৰা জানে, তোমাৰ আৰু দাদাৰ মাজত বুজাবুজি আছে, ইজনে সিজনক ভালদৰে জানা। দাদাই যেতিয়া আপত্তি দৰ্শোৱা নাই মই ভাৱো তুমিও কথাষাৰ এবাৰ চিন্তা কৰি চাবা। তোমাক জোৰ কৰা নাই, ভাবিবলৈ সময় লোৱা। আমি অহাৰ উদ্দেশ্যও আছিল এইটোৱে। মা-দেউতাহঁতৰ মাজতো এইবোৰ আলোচনা হৈছে- তোমাক কথাবোৰ ক'বলৈ বেয়া পাইছে বাবেহে মোৰ দ্বাৰাই কথাটো জনাবলৈ কৈছে। আমি আশা কৰিম তোমাক নবৌ বুলি মাতিবলৈ। কথাবোৰ শুনি তাই বিচনাখনতে বহি থাকিল, মুখেৰে একো নামাতিলে। বিদায় লোৱা সময়ত মিতালী আৰু মাক-দেউতাকে সকলোকে আগবঢ়াই দিলে গাড়ীখনৰ ওচৰলৈকে।

----

সপোনৰো অগোচৰ এনে এটা প্ৰস্তাৱ পাই মিতালীৰ মাক-দেউতাকে কথাবোৰ নিজৰ মাজতে আলোচনা কৰি মিতালীক সোধাৰ প্ৰয়োজনবোধ কৰিলে। অৱশ্যে মাক-দেউতাকে কথাষাৰ ভালেই পালে। যি হওঁক, তাইক আকৌ বিয়া কৰাবলৈ কোনোবা এজন যে ওলাইছে, তাতে আনন্দৰ দৰে এটা ল'ৰা। তাইৰ ভৱিষ্যতৰ কথাও আছে। জীয়েকক কথাষাৰ কোৱাত তাই অলপ সময় ভাবি চিন্তি ক'লে-

- মোৰ ক'বলগীয়া একো নাই মা, তোমালোকেতো মোৰ কোনো অহিত চিন্তা নকৰা। গতিকে তোমালোকে যি ভাল দেখা তাকে কৰা, মোৰ আপত্তি নাই।

যথাসময়ত বিয়াৰ দিন-বাৰ ঠিক কৰি যা-যোগাৰ চালিল। জ্ঞাতি-কুটুম আৰু গাঁৱৰ কিছুমানে কথাষাৰ বুবু-বাবা কৰিবলৈ ধৰিলে। কিছুমানে কিন্তু ভালেই পালে, হওঁক তেওঁ ছোৱালীজনীক উদ্ধাৰ কৰিবলৈ কোনোবা এজন আগবাঢ়ি আহিছে। এচামে আকৌ আৰম্ভ কৰিলে- ফুকন-ফুকননীয়ে জীয়েকৰ বিয়া আকৌ পাতিবলৈ লৈছে, বোলো এটাৰ মূৰ খালে আকৌ এটাই বলী শালত মূৰ গুজিবলৈ আগবাঢ়ি আহিছে। মাক-দেউতাকে কিন্তু এইবোৰ কথালৈ অলপো কানসাৰ নকৰিলে। সমাজত এনে এচাম মানুহ থাকেই। এইবোৰ কথা শুনি মন পেলাই দিলে জীয়েকৰ ভৱিষ্যত অন্ধকাৰ হৈয়ে ৰ'ব।

হোমৰ জুইক সাক্ষী কৰি এটা নতুন জীৱনৰ পাতনি মেলি বৰুৱা পৰিয়ালৰ বোৱাৰী হ'লহি মিতালী ফুকন। ঘৰখনৰ সকলোৱে ডাঙৰ বোৱাৰী হিচাপে মিতালীক পাই আনন্দৰে ভৰি পৰিল। আনন্দৰ মাক-দেউতাকেও শান্তিৰ উশাহ ল'লে। হওঁক তেওঁ অৱশেষত ডাঙৰ ল'ৰাটোৰ বিয়াখন হ'লগৈ।

দিন বাগৰিল, বছৰ বাগৰিল, ইতিমধ্যে অপূৰ্বৰ বিয়াখন পাতি প্ৰণামীকো বিয়া দিলে গুৱাহাটীৰ এটা সম্ভ্ৰান্ত পৰিয়াললৈ। অপূৰ্বৰ বিয়াৰ আজি চাৰি বছৰেই হ'ল। সিহঁতৰ ল'ৰা শ্যামলৰ এতিয়া আঢ়ৈ বছৰ। প্ৰণামীৰো ছোৱালীজনী থুনুক-থানাককৈ খোজ কাঢ়িবলৈ আৰম্ভ কৰিছে। মাক-দেউতাকে আনন্দ আৰু মিতালীৰ পৰাও এতি সন্তানৰ আশা কৰিছিল। কিন্তু বহু চেষ্টা আৰু চিকিৎসা কৰিও সিহঁত মাক-দেউতাক হ'ব পৰা নাই। সকলো ভাগ্যৰ দুখ বুলি ভাবিয়ে আজিকালি এই বিষয়ে চিন্তা নকৰা হ'ল। দিন বাগৰাৰ লগে লগে আনন্দহঁতৰ মাক-দেউতাকেও এই সংসাৰৰ পৰা বিদায় মাগিলে। ককাই-ভাই যিমানেই মিল নহওঁক, এদিন সকলোৱে নিজাকৈ এখন ঘৰ সাজি থাকিব বিচাৰে। এই সত্যতোকে মানি এদিন দুই ককাই-ভাই আলোচনা কৰি পুৰণা গাঁৱৰ ঘৰখন আনন্দই অপূৰ্বকে এৰি দিলে। শান্তিপুৰত কিনি থোৱা দুকঠা মাটিত আনন্দই এটা নতুনকৈ ঘৰ সাজিলে। তেতিয়াৰে পৰা আনন্দ বৰুৱাৰ ঠিকনা হ'ল যোৰহাট জিলাৰ জেইল ৰোড, শান্তিপুৰ। আনন্দ বৰুৱা আৰু মিতালীয়ে এটা সত্য সকলোৰে পৰা লুকুৱাই ৰাখিছিল যিটো কথা মিতালীয়ে নিজেও আগতে জনা নাছিল। আগতে ঘটি যোৱা সেই ভয়ংকৰ ঘটনাটোত তাই অকল স্বামীকেই হেৰুৱা নাছিল। নাৰীৰ জীৱনত যিটো আটাইতকৈ প্ৰয়োজনীয় অৰ্থাৎ মাতৃত্ব হ'ব পৰা ক্ষমতাকণো তাই সেই চিকিৎসালয়তে এৰি থৈ আহিছিল। দুৰ্ঘটনাৰ পিছত তাইক বচাবৰ বাবে কেইবাটাও অস্ত্ৰোপচাৰ কৰিবলগীয়া হৈছিল। তাইৰ জীৱন ৰক্ষা পৰিছিল সেইটো সত্য, কিন্তু তাই জীৱনত যে কেতিয়াও মাতৃত্বৰ সুখ লাভ কৰিব নোৱাৰিব সেইটো কথা তাই জনা নাছিল। স্বামী আনন্দৰ সৈতে যেতিয়া তাই সন্তান লাভৰ বাবে চিকিৎসা কৰোৱাবলৈ গৈছিল, ডাক্তৰে সকলো পৰীক্ষা-নিৰীক্ষা কৰাতহে এই তথ্যটো উদঘ্টন হৈছিল। দুখ আৰু বেদনাৰ আন এটা নাম যেন মিতালী ফুকন, তাই যেন এখন ফাটি যোৱা নচলা নোট। এটা পিঠিত দুখ আৰু আন এটা বিঠিত বেদনা। কিন্তু আনন্দই তাইক দুখ কৰিবলৈ মানা কৰি সাহস দিছিল।

- মানুহৰ জীৱনত ঘাট-প্ৰতিঘাট থাকেই। তাক লৈ যদি তুমি চিন্তিত হৈ থমকি ৰোৱা তেতিয়াহ'লে জীৱনত দুখৰ বাহিৰে একোৱে নাপাবা মিতালী। সকলো ভগৱানৰ লীলা, সময়ত সকলো ঠিক হ'ব। মই আছো নহয় তোমাৰ লগত, জীৱনটো পাৰ কৰিম দিয়া এইদৰেই।

মিতালীয়ে আনন্দৰ বুকুত মুৰ গুজি উচুপি উঠে। কি আচৰিত মানুহ, ইমান সহজ সৰল ভাৱে সকলো কথা ল'ব পাৰে। ইমানবোৰ হৈ যোৱাৰ পাছতো তাইক সি বিনা দ্বিধাই বিয়া কৰাইছে আৰু আজি তাই নিঃসন্তান হৈ গোটেই জীৱন এইদৰে কটাব লাগিব বুলি জানিও তাইক শান্তনাহে দিছে। এনে মানুহ হয়টো পাবলৈ দহবাৰ জন্ম ল'ব লাগিব। আন ফালৰ পৰা নহ'লেও এই ফালৰ পৰা তাই যেন ভাগ্যবান।

----

প্ৰাতঃভ্ৰমণৰ পৰা আহি বাথৰুমত আনন্দ বৰুৱাই হাত-মুখ ধুই আগফালৰ বাৰান্দাতে চকীখনত বহিল। মিতালীয়ে দুকাপ চাহ আনি সৰু টুলখনতে থ'লে- একাপ আনন্দলৈ আগবঢ়াই দি আনকাপ তাই নিজে লৈ চাহত সোহা মাৰিলে। আনন্দই পুৱা দেখি অহা ঘটনাটো মিতালীৰ লগত আলোচনা কৰি আছে-

- কি যে মানুহ, কিছুমান সন্তান নথকাৰ বাবে চিন্তাত মৰে। এচামে আকৌ সন্তান জন্ম হোৱাৰ পাছতো জাবৰৰ টোপোলাৰ দৰে ডাষ্টবিনত দলিয়াই। বিচিত্ৰ পৃথিৱীৰ বিচিত্ৰ মানুহ। দয়া-মায়া-মোহ নাইকিয়াই হৈছে মানুহৰ। কেঁচুৱাটো জীয়াই আছেনে বাৰু? কোন হৃদয়হীনা মাতৃ বাৰু এইগৰাকী। কেনেবাকৈ যদি টিভিত

(২ পৃষ্ঠালৈ...)

# আই তোৰ ধাৰ শুজিব নোৱাৰিলো

❑ ফণীধৰ বড়া (বিপিন)

তই শতায়ু গৰকিলি
আৰু দিনচেৰেক থকাৰ কামনা কৰিছিলো
তোৰ যে বহু ধাৰ শুজিবলৈ থাকি গ'ল মোৰ।
মৰিবৰ সময়ত বৌটি বুলি মাতোতে চকু মেলিছিলি
পানী খাবিনে সোধোতে মুৰ দুপিয়াইছিলি
স্মৃতিবোৰ থাকি গ'ল অ' আই।
চিতাৰ জুইকুৰা দপদপকৈ জ্বলিছিল
ৰঙা ফিৰিঙতিবোৰে যেন আকাশ চুব
শ্মশানত শৱ দাহ কৰা মানুহবোৰে কৈছিল
জুই ওপৰলৈ উঠিলে আত্মাই স্বৰ্গ পায় বোলে
আই তই স্বৰ্গতে থাক।
শাওনৰ টিকা ফটা ৰ'দ কিমানযে তোৰ পিঠিৰ ওপৰেৰে গ'ল,
ভুই ৰোওঁতে কঠীয়া তোলোতে গমেই নেপালি তই।
এদিন কোঁচত কেঁচুৱা লৈ অহা মগনীয়াজনীক যে
আমালৈ থোৱা চাউল সাজৰ কিছু অংশ দি
তই যে লঘোণে আছিলি।
দেওবৰীয়া বজাৰৰ পৰা পিতায়ে মোলৈ 'কুঁহিপাঠ'খন
ননাৰ বাবেই তোৰ বৰ খং উঠিছিল
মোৰ বাবেই তই পিতাইৰ কানতলীয়া চৰো খাইছিলি
দুশ্ৰেণী পঢ়ুৱাই খাব পৰা কৰিলি মোক
সেয়ে আই বহু ধাৰ শুজিবলৈ থাকি গ'ল মোৰ।
তই পতা ঢেঁকীটোত এতিয়াও চুকৰ বোৱাৰীবোৰে চিৰা-পিঠা খুন্দে অ' আই
তই খুন্দা বকুল-বৰা চাউলৰ পিঠাবোৰৰ সোৱাদ
জিভালৈ এতিয়াও আহে।
তই ৰোৱা পানকেইজোপা এতিয়া জপজপীয়া হৈছে
ওচৰ চুবুৰীয়াই তোৰ নাম লৈ পান নিওতে
বৰ গৌৰৱ ভাৱ আহিছে অ' আই।
তোৰ আই নামৰ সুৰ এতিয়াও কানত বাজি থাকে অ'
কোনোবা এজন যে গৱেষণাৰ বাবে আহিছিল,
ভয় লাগে তোৰ লগে লগে সুৰবোৰো হেৰাই যায় বুলি।
তই কৈ থৈ যোৱা মাটি ডৰা গাঁৱৰ 'যুৱ সংঘ'কে দিম
গাঁৱৰ সুপ্ত প্ৰতিভা জাগ্ৰত হ'ব
তোৰ নামেই জিলিকি থাকিব 'পদুমী' বুলি।♦

# বিশিষ্ট সাহিত্য সমালোচক, শিক্ষাবিদ ড. দিলীপ বৰুৱাৰ চমু জীৱন বৃত্তান্ত

জন্ম : ১৯৩২ চনৰ ২৯ জুন, যোৰহাট

প্ৰাথমিক শিক্ষা : হেজাৰী গাঁও প্ৰাথমিক বিদ্যালয়

মাধ্যমিক শিক্ষা : যোৰহাট উচ্চ মাধ্যমিক বহুমুখী বালক বিদ্যালয়ৰপৰা ১৯৪৬ চনত হাইস্কুল শিক্ষান্ত পৰীক্ষাত উত্তীৰ্ণ

কলেজীয়া শিক্ষা : ১৯৫১ চনত কটন মহাবিদ্যালয়ৰপৰা ইংৰাজী বিষয়ত অনাৰ্চসহ স্নাতক ডিগ্ৰী লাভ

স্নাতকোত্তৰ শিক্ষা : ১৯৫৩ চনত বাৰানসীৰ বেনাৰস হিন্দু বিশ্ববিদ্যালয়ৰপৰা স্নাতকোত্তৰ ডিগ্ৰী লাভ
১৯৬৩ চনত ইংলেণ্ডৰ ৱেষ্ট য়ৰ্কশ্বায়াৰ লীডছ বিশ্ববিদ্যালয়ৰপৰা স্নাতকোত্তৰ ডিগ্ৰী লাভ

ডক্টৰেট ডিগ্ৰী : ১৯৬৬ চনত ইংলেণ্ডৰ ছাউথ য়ৰ্কশ্বায়াৰ শ্বেফিল্ড বিশ্ববিদ্যালয়ৰপৰা Edward Carpenter: An Apostle of Freedom শীৰ্ষক বিষয়ত ডক্টৰেট ডিগ্ৰী লাভ

কৰ্মজীৱন :
১৯৫৫ চনত শ্বিলঙৰ ছেইন্ট এন্থনী কলেজত ইংৰাজী বিষয়ত অধ্যাপনা
১৯৫৬ চনৰপৰা ১৯৬০ চনলৈ কটন কলেজত অধ্যাপনা।
১৯৬৬ চনৰপৰা ১৯৬৮ চনলৈ গুৱাহাটী বিশ্ববিদ্যালয়ত অধ্যাপনা।
১৯৬৮ চনৰপৰা ১৯৭৭ চনলৈ ডিব্ৰুগড় বিশ্ববিদ্যালয়ত ইংৰাজী বিষয়ৰ প্ৰতিষ্ঠাপক মুৰব্বী অধ্যাপক।
১৯৭৭ চনৰপৰা ১৯৯৮ চনলৈ পশ্চিমবঙ্গৰ বৰ্ধমান বিশ্ববিদ্যালয়ত ইংৰাজী বিষয়ত মুৰব্বী অধ্যাপক।

অতিথি অধ্যাপক ৰূপে নিমন্ত্ৰণ: বিশ্ববিদ্যালয় অনুদান আয়োগ, পশ্চিমবঙ্গৰ ক্ৰমে বিদ্যাসাগৰ বিশ্ববিদ্যালয়, যাদৱপুৰ বিশ্ববিদ্যালয়, কলিকতা বিশ্ববিদ্যালয়, হিমাচল প্ৰদেশৰ Indian Institute of Advanced Studies আদি।

সাহিত্য কৰ্ম : 'কবিতাৰ ভৱিষ্যৎ: পঞ্চদশকৰ সাহিত্য পৰম্পৰা'
'যোৱা শতিকাৰ কবিতা: অসমীয়া নৱন্যাসী সাহিত্যৰ পৰম্পৰা'
'স্বগতোক্তি: আত্মকথাৰ আধাৰত', শব্দ প্ৰকাশ
'অবান্তৰ' (মৌলিক গ্ৰন্থ)

ইংৰাজী সাহিত্য : Edward Carpenter: An Apostle of Freedom
Whispering Reeds (An Anthology of English Poetry)
On The Threshold (An English Prose Selections)

অনুবাদ সাহিত্য : 'ছনপৰা মাটি' (টী এছ এলিয়টৰ দ্যা ৱেষ্ট লেণ্ডৰ অসমীয়া অনুবাদ, 'আধুনিক মহাদেশীয় কবিতা' (ইউৰোপীয় কবিতাৰ অনুবাদ)

তেখেতৰ সাহিত্যকৰ্মৰ ওপৰত গ্ৰন্থ: 'ড. দিলীপ বৰুৱাৰ সমালোচনা সাহিত্য', সম্পাদনা ড. ৰঞ্জিত ভট্টাচাৰ্য, প্ৰকাশক: বেদকণ্ঠ প্ৰকাশন

অন্যান্য দায়িত্ব: অসম সাহিত্য সভাৰ হাওৰাঘাট অধিবেশনৰ কবি সন্মিলনৰ সভাপতি, ভোগদৈপৰীয়া সাহিত্য বঁটা

# ৰঙাজানত গ্ৰন্থ উন্মোচনী সভা

যোৱা ২৪ এপ্ৰিল, ২০২১ তাৰিখে তিতাবৰ ৰঙাজানত স্প'ৰ্টছ এণ্ড জিমনাছিয়াম চেণ্টাৰত বিয়লি ২ বজাৰ পৰা এখন গ্ৰন্থ উন্মোচনী সভা অনুষ্ঠিত হয়। তিতাবৰৰ প্ৰবীণ সাংবাদিক বিশিষ্ট লেখক প্ৰদীপ গগৈয়ে লিখি উলিওৱা আৰু গুৱাহাটীৰ স্পন্দন প্ৰকাশনে প্ৰকাশ কৰা ব্যঙ্গধৰ্মী সাহিত্য 'শিঙাল মানুহ' আৰু 'আজিৰ পুৰাণ' (কবিতাপুথি) গ্ৰন্থদুখন উন্মোচন কৰে ক্ৰমে বিশিষ্ট লেখক তথা মৰিয়নি মহাবিদ্যালয়ৰ অসমীয়া বিভাগৰ অৱসৰপ্ৰাপ্ত অধ্যাপক ড. প্ৰদীপ বৰুৱা আৰু বিশিষ্ট লেখক লৱ কুমাৰ দত্তই। লেখক প্ৰদীপ গগৈয়ে আঁত ধৰা আৰু আদৰণি জনোৱা সভাখনত সভাপতিত্ব কৰে চিনামৰা মহাবিদ্যালয়ৰ প্ৰতিষ্ঠাপক অধ্যক্ষ আনন্দ শইকীয়াই। সমাজ হিতৈষিণী মহিলা বিমলা গগৈৰ পবিত্ৰ স্মৃতিত



উৎসৰ্গিত সভাখনৰ প্ৰাৰম্ভতে বন্তি প্ৰজ্বলন কৰে গটঙা হাইস্কুলৰ অৱসৰপ্ৰাপ্ত শিক্ষক অৰুণ গগৈয়ে। সভাত অসমীয়া ব্যঙ্গ সাহিত্যৰ গতিধাৰা আৰু অসমীয়া ব্যঙ্গ সাহিত্যত প্ৰদীপ গগৈৰ শিঙাল মানুহ আৰু আজিৰ পুৰাণৰ স্থান বিষয়ত মুখ্য বক্তাৰ ভাষণ আগবঢ়ায় চিনামৰা মহাবিদ্যালয়ৰ অসমীয়া বিভাগৰ অধ্যাপক ড. দ্বীপেন নাথে। সম্পূৰ্ণ ক'ভিড নীতি-নিৰ্দেশনা মানি অনুষ্ঠিত কৰা সভাত কবি ভাৰতী গগৈ, কৃষ্ণময়ুৰী হাজৰিকা আৰু ত্ৰিলোচন গগৈয়ে স্বৰচিত কবিতা পাঠ কৰে। সভাত বিশিষ্ট অতিথিৰ ভাষণ আগবঢ়ায় ডাঃ ৰাতুল গগৈ আৰু চিনামৰা জাতীয় বিদ্যালয়ৰ জ্যেষ্ঠ শিক্ষক অমৰ শৰ্মাই। অঞ্চলটোৰ ভালেসংখ্যক গণ্যমান্য ব্যক্তিয়ে সৌষ্ঠৱ বৃদ্ধি কৰা সভাখনৰ শলাগ জ্ঞাপন কৰে লেখক প্ৰদীপ গগৈয়ে।

## যদু দত্তৰ মৃত্যুত শোকপ্ৰকাশ

কৰঙা কাটনী গাঁৱৰ নিবাসী যদু দত্ত যোৱা ২৭ মে' তাৰিখে পৰলোকগামী হোৱাত চিনামৰা মহাবিদ্যালয় পৰিয়ালে গভীৰ শোক প্ৰকাশ কৰিছে। যদু দত্ত এজন শঙ্কৰী কলা-কৃষ্টিৰ সাধক ৰূপে সমগ্ৰ অঞ্চলটোতে খ্যাতি লাভ কৰিছিল। তাৰোপৰি তেখেত চিনামৰা মহাবিদ্যালয়ৰ এজন অন্যতম শুভাকাংক্ষী আছিল।


# Krishna Kanta Handiqui State Open University

## Cinnamara College Study Centre

*Admission will be started from July, 2021*
*for the following courses*

***visit website: www.kkhsou.in***

**Master Degree Courses**
MA in Assamese
MA in Economics
MA in Education
MA in English
MA in Political Science
MA in Sociology
Master of Commerce

**Post Graduate Diploma Courses**
PGDCA
PGDBM
PGDHRM

**Degree Courses**
BA Pass and Major(Bachelor of Arts)
BA in Journalism Mass Communication
BCA (Bachelor of Computer Application)
BBA (Bachelor of Business Administration)
BCOM (Bachelor of Commerce)
BSW (Bachelor of Social Works)

**Diploma Courses**
DYK (Diploma in Yoga)
DJMC (Diploma in Journalism and Mass Communication)
DCWE (Diploma in Creative Writing)

**নামভৰ্তি জুলাই মাহৰ দ্বিতীয় সপ্তাহৰ পৰা হ'ব। নামভৰ্তিৰ বাবে কলেজৰ অধ্যয়ন কেন্দ্ৰৰ কাৰ্যালয়ত যোগাযোগ কৰিব পাৰিব।**
**Whatsapp No: 9435247949**



**মুখ্য উপদেষ্টা: আনন্দ শইকীয়া**

ড° অঞ্জন শইকীয়াৰ ব্যৱস্থাপনাত চিনামৰা মহাবিদ্যালয় প্ৰকাশনৰ হৈ আনন্দ শইকীয়াৰ দ্বাৰা প্ৰকাশিত আৰু জনমভূমি প্ৰেছ প্ৰাইভেট লিমিটেড, যোৰহাট-১ ত মুদ্ৰিত
মুখ্য কাৰ্যালয় ঃ চিনামৰা মহাবিদ্যালয়, চিনামৰা, যোৰহাট-৮
ফোন ঃ ৭৫৭৬৮৬৫৯০৮, ৯৪৩৫৭৩৮৬৪৫, ৮৬৩৮০৭৯৮৩২, ৯৪৩৫২৪৭৯৪৯
E-mail : editoryogabarta@gmail.com.

সম্পাদক ঃ ড° দ্বীপেন নাথ (অবৈতনিক)
কাৰ্যবাহী সম্পাদক ঃ তৰুণ শইকীয়া (অবৈতনিক), সীমান্ত বৰা (অবৈতনিক)
সহঃ সম্পাদক ঃ তাপস কুমাৰ বৰুৱা, মনোজ কুমাৰ শৰ্মা, প্ৰতাপ চন্দ্ৰ শৰ্মা, বিপিন বড়া (অবৈতনিক)